# খাগৰিজান মহাবিদ্যালয়ৰ

বাৰ্ষিক আলোচনী

# অমৃতধাৰা

সপ্তম সংখ্যা, ২০১২-১৩



সম্পাদিকা

**ছাবিনা ইয়াছমিন**

# TEACHING STAFF



***Sitting From Left Side :*** *Prof. Junaram Nath, Prof. Umme Salma, Prof. Niva Saikia,* Prof. Rupshree Devi, Prof. Joyshree Choudhury, Prof. Salima S. Khandaker, Prof. Kabita Goswami, Dr. Sagar Baruah (Principal), Prof. Abdul Salam, Prof. Mamoni Bhuyan (vice- principal), Prof. Swapanjyoti Nath, Prof. Deepak Sarkar, Prof. Ajanta Khargharia, Prof. Manuranjan Das.

***Standing From Left Side :*** Prof. Tutumoni Banika, Prof. Dharitri Das, Prof. Mayuri Medhi, Prof. Kangkan Medhi.

Prof. Mainul Haque Akanda, Prof. Ryhanul Ahmed, Prof. Rameswar Kurmi, Prof. Ashraful Alam Choudhury and Prof. Kabita Bhuyan are absent here...

# অমৃতধাৰা

বছেৰেকীয়া মুখপত্ৰ

(সপ্তম সংখ্যা)

২০১২-১৩ বৰ্ষ

## খাগৰিজান মহাবিদ্যালয়

নগাঁও (অসম)

শ্ৰীৰূপশ্ৰী দেৱী
শিক্ষক তত্বাৱধায়িকা

ছাবিনা ইয়াছমিন
সম্পাদিকা

**"AMRIT-DHARA"** An annual publication of the student's union of Khagarijan College, Edited by Sabina Iyasmin and published by Principal, Khagarijan College, Nagaon (Assam) Pin- 782002, Session- 2012-13

# অমৃতধাৰা

খাগৰিজান মহাবিদ্যালয়ৰ আলোচনী, সংখ্যা- ৭, বৰ্ষ- ২০১২-১৩

সম্পাদনা সমিতি

সভাপতি ঃ
ড° সাগৰ বৰুৱা

তত্বাৱধায়িকা ঃ
শ্ৰী ৰূপশ্ৰী দেৱী

সম্পাদিকা ঃ
ছাবিনা ইয়াছমিন
সদস্য/সদস্যা ঃ
কবিতা গোস্বামী
জয়শ্ৰী চৌধুৰী
টুটুমনি বণিক

বেটুপাট
ৰাজীৱ দাস
আনুপূৰ্বিক চিত্ৰ-ভাস্কৰ্য্য বিদ্যালয়

প্ৰকাশ, ২০১৩

অক্ষৰ বিন্যাস ও অঙ্গসজ্জা
পূৰ্ণ শইকীয়া

মুদ্ৰক
ফ্ৰন্ট টেক কম্পিউটাৰ ডিভিজন
হয়বৰগাঁও, নগাঁও

*শ্ৰদ্ধাঞ্জলি যাচিছোঁ....*

ভূপেন হাজৰিকা
মামণি ৰয়ছম গোস্বামী
হীৰেন ভট্টাচাৰ্য্য



এই মহান ব্যক্তি কেইজনৰ বাহিৰেও যোৱা বছৰটোত জাতে-অজাতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা প্ৰতিজনৰ বিদেহী আত্মালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

—সম্পাদনা সমিতি

# উচৰ্গা

আমাৰ মহাবিদ্যালয়ৰ সৈতে আৰম্ভণিৰে পৰা জড়িত
জ্ঞাত-অজ্ঞাত পৰলোক প্ৰাপ্তি হোৱা
প্ৰতিজন মহান ব্যক্তিৰ কৰকমলত
আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ
**অমৃতধাৰা**
২০১২-১৩ উচৰ্গা কৰিলোঁ।

**সম্পাদনা সমিতি**
**অমৃতধাৰা**

# মহাবিদ্যালয় সংগীত

(১)
নন নব সৃষ্টিৰে আমি আগুৱাওঁ
জ্ঞানৰ জ্যোতি আৰু কৃষ্টি বিলাওঁ
গঢ়িম আমি এই সমাজ মহান
মাতৃ আমাৰ এই খাগৰিজান
(২)
চহকৰ 'অতীত' তোমাৰ নাম
চিৰ নমস্য খাগৰিজান
চৰণত বৈছে জুৰি খনাজান
তোমাক জনালোঁ প্ৰণাম।
(৩)
তুমি সেউজীয়া, তুমি অপৰূপা
তোমাৰ নাই যে তুলনা
আশীৰ দশকতে জন্মি আজি
হ'লা চিৰ যৌৱনা।
(৪)
আই আমাক শকতি দিয়া
আই আমাক আশিস দিয়া
তোমাৰ চৰণ শিৰত লৈ
গাঁও আমি জয়ৰে গান,
মাতৃ আমাৰ এই খাগৰিজান।
(৫)
তুমি গঢ়িছা যুগৰ মানুহ
গঢ়িবা আমাকো বীৰ লাচিৰ কৰি
দুষ্কৃতি বিনাশী গঢ়িম সমাজ
গঢ়িম আমাৰ স্ব-জাতি।
(৬)
তুমি গঢ়িছা যুগৰ নাৰী
আমাকো গঢ়িবা মূলাগাভৰু কৰি,
ভেদাভেদ বিনাশী গঢ়িম জাতি
দিলোঁ তোমাক আমি প্ৰতিশ্ৰুতি।
(৭)
শংকৰদেৱৰে বৰঘৰ মজিয়াতে
তুমি আই জন্ম ল'লা।
মাধৱ আজানৰ সমন্বয়ৰ গীত
আমাৰ প্ৰাণত সিঁচি দিলা।
(৮)
আই আমি কৰোঁ অগ্নিস্নান
ৰাখিম তোমাৰ মান,
তুমি আই চিৰ মহান
মাতৃ আমাৰ এই খাগৰিজান।
তুমি আই চিৰ মহান
মাতৃ আমাৰ এই খাগৰিজান।

কথা ঃ অধ্যাপক লুতফুৰ ৰহমান
সুৰ ঃ শ্ৰী মুকুল বৰা

# LIST OF FORMER PRINCIPALS OF KHAGARIJAN COLLEGE

| NAME IF THE PRINCIPAL | FROM | TO |
|---|---|---|
| Md. Abdul Hya (i/c) | 12-09-72 | 10-12-72 |
| Padma Kanta Bora | 11-12-72 | 21-10-75 |
| Ramesh Chandra Phookan | 22-10-75 | 31-08-76 |
| Arun Bikash Dutta (i/c) | 01-09-76 | 31-03-77 |
| Radhika Ranjan Choudhury | 01-04-77 | 31-03-78 |
| Arun Bikash Dutta | 01-04-78 | 18-11-79 |
| Phanindra Lal Dutta | 19-11-78 | 31-10-83 |
| Arun Bikash Dutta | 01-11-73 | 29-01-88 |
| Mrs. Renu Mahanta Rajkhowa (i/c) | 30-01-88 | 28-06-89 |
| Tagar Chandra Bora | 29-06-89 | 31-05-97 |
| Mrs. Chitra Bora (i/c) | 01-06-97 | 05-77-98 |
| Dr. Badal Chandra Ghosh | 06-11-98 | 31-01-06 |
| Lutfur Rahman (i/c) | 01-02-06 | 18-14-07 |

## *Message from President, Governing Body*



***Dr. Badal Chandra Ghosh,***
M.D. Ph.D.

**President, Governing Body**
**Khagarijan College**
**Nagaon (Assam)**

It gives me immense pleasure and satisfaction to learn that Khagarijan College is going to publish its Annual Magazine "**AMRITDHARA**" for the session 2012-13. This is a pioneer institution of Nagaon and I hope, both the teachers and students of this College would put in their best to attain the highest standards of education and moral values. I am sanguine that the Magazine will contain valuable articles which will inspire the student community for their qualitative education.

I extend my best wishes to all the teaching and non-teaching staff of the college and successful publication of the College.

Dt.- 18-10-2013

(Dr. Badal Chandra Ghosh)

## সম্পাদকীয়

প্ৰথমে খাগৰিজান মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু অতি মৰমৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীৰ লগতে বছৰেকীয়া সংকলন 'অমৃতধাৰা'লৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

সাহিত্য সুন্দৰ সাধনা। ই মানৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ, সৃষ্টিৰ মাধ্যমত জীৱনৰ নিত্য ৰূপ দিবলৈ যাওঁতে সাহিত্য হৈ পৰে জীৱনৰ পথ প্ৰদৰ্শক। সেয়েহে শিক্ষা জগত আৰু জাতীয় জীৱনত সাহিত্যৰ ভূমিকা উল্লেখযোগ্য। ভাষা, সাহিত্য আৰু সংস্কৃতি নাথাকিলে কোনো জাতিয়েই নিজৰ অস্তিত্ব বচাই ৰাখিব নোৱাৰে। আলোচনী এখন মহাবিদ্যালয়ৰ মুখপত্ৰ। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সৃষ্টিশীল প্ৰতিভা প্ৰকাশ কৰিবলৈ পোন প্ৰথমে সুবিধা পাই শিক্ষানুষ্ঠানৰ মুখপত্ৰৰ জৰিয়তে আৰু তাত প্ৰকাশিত উচ্চমানৰ প্ৰবন্ধ-পাতিয়ে মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰাত সহায় কৰে, লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনাত নতুন দিগন্তৰ সৃষ্টি কৰে।

মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ লোৱাৰ প্ৰচেষ্টাৰ আৰম্ভণি কালৰে পৰা দিহা-পৰামৰ্শ আদিৰে সৰ্বতো প্ৰকাৰে সহায় আগবঢ়াই অহা তত্বাৱধায়িকা 'ৰূপশ্ৰী দেৱী' মহোদয়ালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মুখপত্ৰখনি প্ৰকাশ হোৱাত যিসকল শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকললৈকো কৃতজ্ঞতা জনাইছোঁ।

শেষত মহাবিদ্যালয়ৰ ২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অশেষ কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি সম্পাদকীয় ইমানতে সামৰিছোঁ।

'জয়তু খাগৰিজান মহাবিদ্যালয়'

ছাবিনা ইয়াছমিন
আলোচনী সম্পাদিকা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত নিযুক্তি হোৱাটো মোৰ বাবে এক বহুদিনীয়া সপোন। এদিন সকলো ছাত্ৰ-ছাত্ৰীৰ উৎসাহ আৰু প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্য সকলৰ সহায়ত মই খাগৰিজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছিলোঁ আৰু সেই দিনটো আছিল মোৰ জীৱনৰ এক স্মৰণীয় দিন। এয়া একমাত্ৰ সম্ভৱ হৈছিল আপোনালোকৰ মোৰ প্ৰতি থকা আস্থা, মৰম লগতে শিক্ষাগুৰু সকলৰ আশীষৰ বাবেই।

মহাবিদ্যালয়ত নামভৰ্ত্তি কৰাৰে পৰা স্নাতক প্ৰথম বৰ্ষলৈ সুদীৰ্ঘ তিনিবছৰ জুৰি ছাত্ৰ হিচাপে ভালদৰেই এই মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাবাজিৰ বিষয়ে অভিজ্ঞ হৈছিলোঁ। সেই সকলো অভিজ্ঞতাই মোক সাধাৰণ সম্পাদকৰ দায়িত্ব সুকলমে পৰিচালনা কৰাত সহায় কৰিছিল।

আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ সন্মুখত আহি পৰিছিল মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ পতাৰ গধুৰ দায়িত্ব। সেয়ে আমি মহাবিদ্যালয়ত বিভিন্ন বিভাগত আগৰে পৰা চলি অহা প্ৰতিযোগিতা তথা কিছু নতুন নতুন প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ সুপ্ত প্ৰতিভাসমূহক বৰ্হিজগতলৈ উলিয়াই অনাৰ চেষ্টা কৰিছিলোঁ। ক্ৰীড়া বিভাগৰ কিছুমান প্ৰতিযোগিতা নগাঁও আৰক্ষী বিভাগৰ খেল পথাৰত অনুষ্ঠিত কৰা হৈছিল।

ছাত্ৰ-ছাত্ৰীয়ে সন্মুখীন হোৱা বিভিন্ন অসুবিধাসমূহ যেনে-

১। মহাবিদ্যালয়ৰ পুনৰ ৰং কৰণ।

২। মহাবিদ্যালয়ৰ কেণ্টিনৰ উন্নতিকৰণ।

৩। ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাৰ উন্নতিকৰণ।

৪। চাইকেল-বাইক ষ্টেণ্ডৰ উন্নতিকৰণ আদি পূৰ্ণ কৰিবলৈ মই যথেষ্ট চেষ্টা কৰিছিলোঁ। আমাৰ খাগৰিজান মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ যথেষ্ট পৰিৱৰ্তন হৈছে। ফলত ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত হোৱা দেখা যায়। শেষত মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সতীৰ্থ সম্পাদকসকল, অধ্যক্ষ মহোদয় ড° সাগৰ বৰুৱা ছাৰ, শিক্ষক তত্বাৱধায়িকা ৰূপশ্ৰী দেৱী বাইদেউ, স্বপন জ্যোতি নাথ ছাৰ, দীপক চৰকাৰ ছাৰৰ লগতে মামনি ভূঞা, কবিতা গোস্বামী বাইদেউৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোক সহায় কৰা প্ৰাক্তন সাধাৰণ সম্পাদক কাৰ্তিক বণিক দাদা, সকলো বন্ধু-বান্ধৱী, দাদ-বাইদেউ, ভাইটি-ভণ্টি সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত খাগৰিজান মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয়তু অসমী আই'

'জয়তু খাগৰিজান মহাবিদ্যালয়'

'জয়তু খাগৰিজান মহাবিদ্যালয় ছাত্ৰ একতা সভা'

'জয় হিন্দ'

অপূৰ্ব শৰ্মা
সাধাৰণ সম্পাদক

# অধ্যক্ষৰ একাষাৰ





খাগৰিজান মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অমৃতধাৰা'ৰ সপ্তম সংখ্যা প্ৰকাশৰ পথত। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অনুসন্ধিৎসু পাঠক-পাঠিকা আৰু সুধীবৃন্দৰ হাতত আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত তুলি ধৰাৰ বাবে তত্বাৱধায়িকা অধ্যাপিকা ৰূপশ্ৰী দেৱী আৰু সম্পাদিকা ছবিনা য়াছমিনে চেষ্টা কৰিছে। এই ক্ষেত্ৰতে আধ্যাপিকা ৰূপশ্ৰী দেৱী আৰু ছাবিনা যাছমিনলৈ ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

বিদ্যালয়-মহাবিদ্যালয়ৰ আলোচনীসমূহে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান-বুদ্ধি আৰু সাহিত্য সাধনাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। আলোচনীত আত্মপ্ৰকাশ কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী কালত সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত সুনাম অৰ্জন কৰি নিজকে বৌদ্ধিক জগতত প্ৰতিষ্ঠা কৰাৰ লগতে সমাজক গতিশীল কৰি তোলে। খাগৰিজান মহাবিদ্যালয়ৰ মুখপত্ৰ তথা আলোচনী 'অমৃতধাৰা'ই ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ খোৰাক আৰু নান্দনিক পৰিতৃপ্তি নিশ্চয় দিব পাৰিব লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সামাজিক দায়বদ্ধতাৰ ভাব জগাই তুলিব।

বৰ্তমান পৰিস্থিতিত শিক্ষা প্ৰতিষ্ঠানসমূহ অধিক গতিশীল আৰু উন্নত হোৱা উচিত। মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰাৰ পিছত যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপনৰ কথা চিন্তা কৰে। বৃত্তিমুখী শিক্ষাৰ বিষয়বোৰ সাধাৰণ শিক্ষাৰ মহাবিদ্যালয়বোৰে ইচ্ছা থাকিলেও অতি সহজে প্ৰৱৰ্তন কৰিব নোৱাৰে। তথাপিও চেষ্টাৰ ত্ৰুটি কৰা দেখা নাযায়। নগাঁও জিলাৰ এখন অগ্ৰণী শিক্ষাস্থলী খাগৰিজান মহাবিদ্যালয়ৰ পৰিচালনা সমিতি তথা কৰ্তৃপক্ষই এইবোৰত ইতিবাচক ভূমিকা পালনৰ প্ৰচেষ্টা চলাই আহিছে। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ সাহাৰ্য্য আৰু মহাবিদ্যালয়ৰ সামান্য উপাৰ্জনেৰে মহাবিদ্যালয়খনিৰ শৈক্ষিক, আভ্যন্তৰীণ, সহ সম্বন্ধীয় বিষয়ৰ গুণগত মানদণ্ড বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টাক গতিশীল কৰি তোলাত সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক সহায়-সহযোগিতা অতিকৈ প্ৰশংসনীয়।

আৰম্ভিক দিশৰ পৰা খাগৰিজান মহাবিদ্যালয় অতি সৰু কিন্তু মনোবল অফুৰন্ত। পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবল ইচ্ছা শক্তি অনুষ্ঠানখনিৰ মূলধন। লগতে ৰাইজৰ শুভাশিস। এই সকলোবোৰ অটুট থাকিলে খাগৰিজান মহাবিদ্যালয়ৰ অবিৰত যাত্ৰা যে অন্তহীন হৈ ৰ'ব তাত কোনো সন্দেহ নাই।

ড° সাগৰ বৰুৱা
অধ্যক্ষ, খাগৰিজান মহাবিদ্যালয়

## সূচীপত্ৰ

শ্ৰদ্ধাঞ্জলি
উছৰ্গা
মহাবিদ্যালয় সংগীত
**List of Former Principals**
**Message from President**
সম্পাদকীয়
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
অধ্যক্ষৰ একাষাৰ
অসমীয়া বিভাগ

প্ৰবন্ধ
◈ ব্যক্তিত্ব গঢ় দিয়াৰ উপায় — অজন্তা খাৰঘৰীয়া — ১৩
◈ লক্ষ্মীনাথ বেজবৰুৱাৰ গীতা আৰু লাওখোলা গল্প দুটিৰ এটি বিশ্লেষণ — কবিতা গোস্বামী — ১৫
◈ সাহিত্যৰথী বেজবৰুৱাৰ কবিতাত স্ত্ৰী-বিমৰ্শ — ড° গিৰিকান্ত গোস্বামী — ২১
◈ উপনিষদৰ কথাৰে — ৰূপশ্ৰী দেৱী — ২৪
◈ পৰিবৰ্তনৰ দিশত অসমৰ সমাজ-সংস্কৃতি — ৰৌজবিন কৌৰ — ২৬
◈ অধ্যৱসায় — জগজিৎ কৌৰ — ২৯
◈ দৰ্শনৰ ওপৰত মোৰ অভিজ্ঞতা — ৰিপুমনি বৰা — ৩০

অন্তৰঙ্গ আলাপ
◈ জীৱনী সাহিত্যিক উপেন্দ্ৰ বৰকটকীৰ সৈতে অন্তৰঙ্গ আলাপ — ৩১

গল্প
◈ অন্তহীন বেদনা — স্বপ্না দাস — ৩৫
◈ অভিশপ্ত আছিল মোৰ বিয়াৰ দিনটো — প্ৰতিমা দাস — ৩৮
◈ যতীনদা আৰু সেই ৰহস্যময়ী ছোৱালীজনী — ছাবৰিনা আহমেদ — ৪১
◈ নিষ্ঠুৰ প্ৰেমিকা — ৰুমান আলী — ৪২

কবিতা
◈ গুৰু শঙ্কৰ — লুতফুৰ ৰহমান — ৪৩
◈ বিদায় — স্বপনজ্যোতি নাথ — ৪৩
◈ শিক্ষা গুৰু — মুছফিকা বেগম — ৪৪
◈ মৰম বিচাৰি — লক্ষ্যজ্যোতি কাকতি — ৪৪
◈ ঐতিহ্যমণ্ডিত খাগৰিজান — মূৰ্চ্ছনা দাস — ৪৫
◈ মন মোৰ — ৰেকিব আহমেদ — ৪৫
◈ স্মৃতি — ৰেকিব আহমেদ — ৪৬
◈ মোৰ বেদনা ভৰা হৃদয় — ইচাকুল আজাদ — ৪৬

## সূচীপত্ৰ


| | | |
|---|---|---|
| ◈ ভালপোবাটো কিয় নিঃসংগতা | মাধুৰ্য্য লস্কৰ | ৪৭ |
| ◈ মহান শিল্পী ভূপেনদাৰ বিদায় ক্ষণত | ৰাহিমা বেগম | ৪৭ |
| ◈ নাৰী | কৃষ্ণা বৰা | ৪৮ |
| ◈ উৰণীয়া মন | স্বপ্না দাস | ৪৮ |
| ◈ অসমভূমি | মুছফিকা বেগম | ৪৯ |
| ◈ নৱজাগৰণ | আচিফ জাহান হক | ৪৯ |
| ◈ মা | ৰবিনা বেগম | ৫০ |
| ◈ আমাৰ কলেজ | ফাৰহানা ইয়াছমিন | ৫০ |
| ◈ স্মৃতি | ৰেবিনা বেগম | ৫১ |
| ◈ প্ৰকৃতি আৰু তুমি | তাহমিনা বেগম | ৫১ |
| ◈ ম'বাইলৰ নিচা | ৰেবিনা বেগম | ৫২ |
| ◈ নদীখনে কথা কয় | লিপিকা বৰ্মন | ৫২ |
| ◈ নিঃসংগতাই মোৰ প্ৰেয়সী | মিনাক্ষী কৌৰ | ৫৩ |
| ◈ বৰ্তমান | তাহমিনা (চালু) | ৫৪ |
| ◈ সপোন | আজিজুল হক | ৫৪ |
| **English Section** | | |
| ◈ Mother Teresa : A Tribute | Puja Devi | 55 |
| ◈ Cricket | Puja Devi | 56 |
| ◈ Pollution | Jully Ghosh | 56 |
| ◈ Friend | Sapna Ghosh | 56 |
| ◈ Friend | Taufique Rahman | 56 |
| ◈ Terrorist | Sapna Ghosh | 57 |
| ◈ Yet, I do dream | Anamika Bora | 57 |
| ◈ Parents | Lipika Barman | 58 |
| ◈ I Feel | Deep Jyoti Bania | 58 |
| ◈ Remembering you, my friend | Jully Ghosh | 58 |
| বাংলা বিভাগ | | |
| ◈ মাদার টেরেসা | ডালিয়া দেবনাথ | ৫৯ |
| ◈ সংগীত সূর্য ড° ভূপেন হাজরিকা | সুস্মিতা দে | ৬০ |
| ◈ বৃদ্ধাশ্রম | ড° বাদল চন্দ্র ঘোষ | ৬১ |
| ◈ মা | গোপাল সূত্রধর | ৬৭ |
| ◈ দু'চোখের বৃষ্টি | প্রিয়ঙ্কা দত্ত | ৬৮ |
| ◈ আশা | বর্ণালী দেবনাথ | ৬৮ |
| ◈ শিল্পী ফাল্গুন | লিপিকা বর্মন | ৬৯ |


# প্ৰবন্ধ বিভাগ



# ব্যক্তিত্ব গঢ় দিয়াৰ উপায়

✍অজন্তা খাৰঘৰীয়া
অধ্যাপিকা, শিক্ষা বিভাগ

সৰ্বসাধাৰণ দৃষ্টিকোণৰ পৰা ব্যক্তিত্ব হ'ব ব্যক্তিৰ কোনো আৰ্কষণীয় গুণ। তেওঁলোকে ভাবে পৃথিৱীৰ কিছুমান মানুহ ব্যক্তিত্বৰ অধিকাৰী হৈ জন্ম গ্ৰহণ কৰে আৰু কিছুমান মানুহ ব্যক্তিত্বৰ অধিকাৰী হ'ব নোৱাৰে। ব্যক্তিত্বৰ অধিকাৰীসকলে পৃথিৱীত অসাধাৰণ সাফল্য লাভ কৰি খ্যাতিপূৰ্ণ জীৱন যাপন কৰে আৰু ব্যক্তিত্বহীন লোকে যশস্যাহীন সাধাৰণ জীৱন যাপন কৰে। আন কথাত ক'বলৈ হ'লে, আমি অসাধাৰণত্ব আৰু স্বাতন্ত্ৰ্যক ব্যক্তিত্বৰ লক্ষণ বুলি কওঁ। যি ব্যক্তিয়ে নিজৰ ব্যৱহাৰ, কথা-বতৰা, চাল-চলনৰ দ্বাৰা আনৰ চকুত চমক লগাব পাৰে তেওঁৰেই ব্যক্তিত্ব আছে বুলি আমি ভাবোঁ আৰু যাৰ তেনে কোনো আকৰ্ষণীয় গুণ নাই তেওঁক ব্যক্তিত্বহীন বুলি ভাবোঁ। কিন্তু মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে চালে দেখা যায় যে প্ৰকৃত অৰ্থত ব্যক্তিত্ব হ'ল ব্যক্তিৰ চিন্তা-প্ৰৱণতা, গুণ, আগ্ৰহ আৰু জীৱন দৰ্শনৰ এটি জটিল সংগঠন। অৰ্থাৎ প্ৰত্যেক মানুহেই ব্যক্তিত্বৰ অধিকাৰী। দুৰ্বল বা সবল, আৰ্কষণীয়, অনাকৰ্ষণীয়, সামাজিক, অসামাজিক যিয়েই নহওক লাগিলে প্ৰত্যেকৰে ব্যক্তিত্ব আছে।



'ব্যক্তিত্ব' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'পাৰ্চ্ছনেলিটী'। ব্যক্তিত্ব শব্দটোৰ এটা নিৰ্দিষ্ট সংজ্ঞা দিয়া কঠিন। ভিন্ন মনোবৈজ্ঞানিকে ব্যক্তিত্বৰ সংজ্ঞা ভিন ভিন ধৰণে ব্যাখ্যা কৰিছে। এক কথাত ক'বলৈ হ'লে 'ব্যক্তিত্ব' হ'ল এগৰাকী মানুহৰ অন্তৰালত লুকাই থকা আৰ্জিত অথবা স্বভাৱজাত গুণৰাশি।আমাৰ খোজ-কাটল, কথা-বতৰা, সাজ-পাৰ, স্বভাৱ-চৰিত্ৰ ইত্যাদি ভিন ভিন দিশেৰে ব্যক্তিত্বৰ বহিৰ্প্ৰকাশ ঘটে। কোৱা হয়— ব্যক্তিত্ব সাধনাৰ সম্পদ। যদিও ব্যক্তিত্ব সহজাত তথাপিও অধ্যৱসায় আৰু পৰিশ্ৰমৰ জৰিয়তেও ব্যক্তিত্ব লাভ কৰিব পাৰি। নৈতিক চৰিত্ৰ গঠন কৰিব পাৰিলেহে ব্যক্তিত্ব বিকশিত হয়। প্ৰতিখন সু-সংগঠিত সমাজৰ লোকেই নৈতিক চেতনাৰ ওপৰত ভিত্তি কৰি কেতবোৰ সামাজিকভাৱে গ্ৰহণযোগ্য নীতি-নিয়ম, আস্থা-নিষ্ঠা, বিশ্বাস, ধৰ্ম আদি স্থিৰ কৰি লয়। এইসমূহ পালন কৰি চলাটো অথবা ইয়াৰ অনুগামী হৈ প্ৰতিজন লোকে নিজ নিজ ক্ৰিয়া আচৰণসমূহ বাহ্যিকভাৱে নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰাটো আশা কৰা হয়। ইয়াকে সাধাৰণভাৱে নীতি-নিয়মৰ অনুগামী হোৱা বা নৈতিক আচৰণ বোলা হয়। সমাজৰ গ্ৰহণযোগ্য নীতি-নিয়ম আৰু আদৰ্শৰ ভিত্তিত ৰচিত পথভংগ কৰি চলাকেই অনৈতিক বা নীতি বিৰোধী বুলি কোৱা হয়। উদাহৰণ স্বৰূপে সুস্থ সামাজিক জীৱ-যাপন কৰিবৰ বাবে সমাজত বাস কৰা লোকসকলৰ মাজত মিলা-প্ৰীতি আৰু সহযোগিতাৰ ভাব থাকিব লাগে। সমাজৰ স্বাস্থ্য ৰক্ষা কৰিবৰ বাবে

ব্যৱসায়ীসকলে খাদ্যত ভেজাল বস্তু প্ৰয়োগ আৰু বিক্ৰী কৰিব নালাগে। এইসমূহ কাৰ্য হৈছে সমাজৰ নৈতিক আদৰ্শবাদৰ ওপৰত প্ৰতিষ্ঠিত। আধুনিক বিজ্ঞানৰ দ্বাৰা লাভ কৰা উন্নত সামাজিক জীৱনত এজন মানুহে কেতিয়াও স্বয়ং সম্পূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। আনৰ পৰা ভাল মাত-কথা, ব্যৱহাৰ শুনিব বিচাৰিলে বা আনৰ চকুত আকৰ্ষণীয় হ'ব বিচাৰিলে নৈতিকভাৱে শিক্ষিত হোৱাৰ লগতে সেই শিক্ষাক জীৱনৰ লগত ব্যৱহাৰ কৰিব লাগিব। এই নৈতিক শিক্ষা কেৱল কিতাপৰ মাজতে নাথাকে, ই থাকে ভাল মানুহৰ সংগত আৰু জ্ঞানী পুৰুষৰ বাণীত। সেয়ে আমি প্ৰত্যেকজন মানুহ নৈতিকভাৱে চৰিত্ৰবান হ'বলৈ শিকিব লাগিব। ইয়ে আমাক সুব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তুলিব।

ব্যক্তিত্ব গঢ়ি তোলোতে মানিবলগীয়া টিপচ্‌সমূহ ঃ

●কোৱা হয়, কাৰোবাৰ স'তে চিনাকি হওঁতে প্ৰথম চিনাকিতেই আমি তেওঁক আকৰ্ষণ কৰিব পাৰিব লাগিব। সেয়া সম্ভৱপৰ হয় এযাৰি মিঠা মাতৰ যোগেদি। সেয়ে আমাৰ কথাত মধুৰতা থাকিব লাগে।

●হাঁহি হৈছে বিনামূলীয়া অমূল্য ৰত্ন। ই হৈছে মানুহৰ ভূষণস্বৰূপ। সেয়ে, আমি সকলো সময়তে মূলতঃ এটা হাঁহি বিৰিঙাই ৰাখিব লাগে। ব্যক্তিত্ব প্ৰকাশ কৰাত হাঁহিৰ অৱদান অনন্য। এটা হাঁহিয়ে এইটো নুবুজায় যে আমি কিমান সুখী, এটা হাঁহিয়ে এইটো বুজায় যে আমি আনক কিমান সুখী কৰিব বিচাৰোঁ।

●আনক কথা ক'বলৈ সুবিধা দিয়া, আনৰ প্ৰতিটো কথা মনোযোগেৰে শুনিব পৰাটো এটা মহৎ গুণ। নিজে কি ক'বলৈ বিচাৰিছোঁ সেইটোত জোৰ দিয়াতকৈ আনে কি ক'ব খুজিছে তাক গুৰুত্ব দিব লাগে। আনৰ কথা ধৈৰ্যৰে শুনিবলৈ চেষ্টা কৰাটো ব্যক্তিত্বৰ এটা আকৰ্ষণীয় দিশ।

●কথাতে কয়— 'কথাত কটা যায়, কথাত বটা পায়'। গতিকে কথা কওঁতে মধুৰতাৰ লগতে কথা চমুকৈ ক'বলৈ শিকিব লাগে। চমু ভাষাতে স্পষ্টকৈ মনোভাৱ প্ৰকাশ কৰিব পৰাটো ব্যক্তিত্ব বিকাশৰ অন্যতম দিশ।

●সাজ-পাৰে ব্যক্তিত্ব বিকাশত বিশেষ সহায় কৰে। সেয়ে সাজ-পাৰ পিন্ধোতে স্থানৰ ওপৰত গুৰুত্ব দিয়া দৰকাৰ। অৰ্থাৎ ঘৰত আমি যিকোনো সাজ-পাৰ পৰিধান কৰিলেও ৰাজহুৱা স্থানত সদায় মাৰ্জিত আৰু সুন্দৰ সাজ-পাৰ পৰিধান কৰিব লাগে।

●খোজ কাঢ়লৰ লগতো ব্যক্তিত্বৰ ওতপ্ৰোত সম্পৰ্ক আছে। সেইবাবে খোজকাঢ়োঁতে কেতিয়াও চেলেং-পেটেঙকৈ খোজ নাকাঢ়ি ধীৰ-গম্ভীৰেৰে খোজকঢ়া উচিত।

●মানুহ মাত্ৰেই ভুল হয়। ভুল-শুদ্ধৰ সংমিশ্ৰনেই মানুহ। কেতিয়াবা আমাৰ কাৰোবাৰ ওচৰত ভুল হৈ গ'লে ক্ষমা বিচাৰিবলৈ কুণ্ঠাবোধ কৰিব নালাগে।

●আনৰ পৰা আমি যিদৰে সন্মান বিচাৰোঁ ঠিক তেনেকৈ আনকো সন্মান কৰিবলৈ শিকিব লাগে।

ব্যক্তিত্বৰ দৰে এটি সম্পদক গঢ় দি তুলিবলৈ ওপৰৰ টিপচ্‌সমূহেই যথেষ্ট নহয় কিন্তু তথাপিও এই টিপচ্‌সমূহ পালন কৰিও আমি ব্যক্তিত্ব গঢ়ি তুলিবলৈ চেষ্টা কৰিব পাৰোঁ।

***

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ বিপুমনি বৰা

- জীৱনটো এক সংগ্ৰামৰ থলী। সাহসী আৰু কৰ্মপটুজনেহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে। — নেপোলিয়ন
- সকলো প্ৰকাৰ আনন্দৰ ভিতৰত আনক সুখী কৰিবলৈ চেষ্টা কৰাটোৱেই সৰ্বোৎকৃষ্ট আনন্দ। — ল্যা ব্ৰুইয়াৰ
- জীৱনটো প্ৰথমে বিৰক্তি তাৰ পিছত ভয়। জীৱনকালটো আমি ব্যৱহাৰ কৰো বা নকৰো, এসময়ত ই শেষ হৈ যায়। — ফিলিপ লাৰ্কিন।
- মানুহৰ জীৱনত সিমানবোৰ ঘটনা ঘটে, সেই সকলোখিনি ধান নহয়, তাত তুঁহ পতানৰ ভাগ অধিক থাকে। — লক্ষ্মীনাথ বেজবৰুৱা।
- কৰ্মই আমাক তিনিটা বৃহৎ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰে- ক্লান্তি, কু-অভ্যাস আৰু অভাৱ। — ভল্টেয়াৰ
- মাটি কাৰো নিজা সম্পদ নহয় ই কেৱল উৎপাদনৰ আহিলাহে। — কাৰ্লমাৰ্ক্স
- কথা কম কৰা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা, সৎলোকৰ উপদেশ শুনিবা, তোমাৰ মংগল হ'ব। —চক্ৰেটিছ
- যিজন মানুহক তুমি ভাল নোপোৱা তেওঁৰ বিষয়ে ভাবি এক মিনিট সময়ো নষ্ট নকৰিবা। — আইছেন হাৱাৰ







# লক্ষ্মীনাথ বেজবৰুৱাৰ গীতা আৰু লাওখোলা গল্প দুটিৰ এটি বিশ্লেষণ

✍কবিতা গোস্বামী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

মৃত্যুৰ দুৱাৰদলিৰ পৰা ওভোটাই আনি অসমীয়া ভাষাটোক জীৱন দান কৰিছিল খৃষ্টান মিচনেৰীসকলে। নিশকটীয়া ভাষাটোক দৰব আৰু উপযুক্ত পথ্যৰে আপদাল কৰি গা টঙাব পৰা কৰি তোলাত অহোপুৰুষাৰ্থ কৰিছিল কেইগৰাকীমান প্ৰবাসী ডেকা সাহিত্যিকে। যিসকলৰ যত্ন-চেষ্টা অবিহনে আজি আমি অসমীয়া ভাষাটোক এইটো ৰূপত দেখিবলৈ পোৱা কথাটো একেবাৰে অকল্পনীয় আছিল। অসমীয়া আলোচনী 'অৰুণোদয়'ৰ পাততো মিচনেৰী চাহাব সকলৰ উপৰিও কেইগৰাকীমান অসমীয়া কবি-সাহিত্যিকে তেওঁলোকৰ লেখনীৰে ভাষাটোক ঠন ধৰাই তুলিছিল। সেইসকলৰ ভিতৰত নিধিলেবি ফাৰোৱেল (অসমীয়া নাম নিধিৰাম কেওঁট), আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, যদুৰাম বৰভাণ্ডাৰ বৰুৱা, বলোৰাম ফুকন, যজ্ঞোৰাম দেওধাই বৰুৱা, কিনাৰাম সত্ৰীয়া, পূৰ্ণানন্দ ডেকাবৰুৱা আদিয়ে প্ৰধান। মিচনেৰীসকলেই 'অৰুণোদয়'ৰ যোগেদি অসমীয়া সাহিত্যিকসকলক আলোচনীৰ যোগেদি, আলোচনীৰ মাধ্যমেৰে যে সাহিত্য চৰ্চাৰ অনুশীলন আৰু সাংস্কৃতিক বিকাশৰ প্ৰচেষ্টা তথা আন্দোলন চলাব পাৰি সেই পথৰ সন্ধান দিলে। 'অৰুণোদয়ে আমাৰ সাহিত্যৰ পুৰণি সুৰটো সলনি কৰি সাহিত্যক ন-সুৰীয়া ৰূপ দিলে। পুৰণি সাহিত্যৰ কাব্যধৰ্মিতা আৰু ধৰ্মীয় প্ৰভাৱ আঁতৰাই বাস্তৱতাই সাহিত্যত ঠাই পালে। পুৰণি পুথি ছপাৰ কামো আৰম্ভ হয় 'অৰুণোদয়'ৰ যুগতে। পুৰণি পুথিসমূহ ছপা কৰি জনপ্ৰিয় কৰি তোলাৰ আদৰ্শও মিচনেৰীসকলেই অসমীয়াৰ আগত দাঙি ধৰিলে। এই আদৰ্শৰে ফচল কলিকতা প্ৰবাসী অসমৰ কলেজীয়া ডেকাসকলে জন্ম দিয়া অ.ভা.উ.সা. (অসমীয়া ভাষা উন্নতি সাধিনী সভা)। অ.ভা.উ.সা.ৰ প্ৰথম পদক্ষেপ হিচাপে হাতত লৈছিল পুৰণি পুথিসমূহ সংগ্ৰহ আৰু তালিকাভুক্ত কৰাৰ কাম। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা মিচনেৰীসকলেই যেতিয়া অসমলৈ আহি অসমীয়া ভাষাৰ প্ৰতিষ্ঠা তথা উন্নতিত উঠিপৰি লাগিল, তেতিয়া আমাৰ অসমপ্ৰেমী ডেকাসকলৰ প্ৰাণতো নতুন প্ৰেৰণাৰ সঞ্চাৰ হ'ল। মিছনেৰীসকলে পুৰণি জনপ্ৰিয় পুথিসমূহ পুনৰ মুদ্ৰণ কৰি আৰু অধিক জনপ্ৰিয় কৰি তুলিলে, ইয়াৰ ফলশ্ৰুতিত অ.ভা.উ.সা ই পুৰণি পুথি সংগ্ৰহ আৰু তালিকাভুক্ত কৰাৰ কাৰণে উঠি পৰি লাগিল। কলিকতা প্ৰবাসী অসমৰ ডেকাসকলৰ চেষ্টাত বহুতো আপুৰুগীয়া তথা শ্ৰেষ্ঠ পুথি মানুহৰ পেৰা-পেটাৰি, থাপনা আৰু ধোৱাচাঙৰ পৰা উদ্ধাৰ হ'ল আৰু অসমীয়া ভাষাটোক স্বতন্ত্ৰ ভাষাৰূপে প্ৰাণ প্ৰতিষ্ঠাত সহায়ক কৰিলে। 'অৰুণোদয়' কাকতৰ অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ 'জোনাকী' কাকত প্ৰকাশৰ জৰিয়তে আৰম্ভ হ'ল অসমীয়া সাহিত্যৰ স্বৰ্ণযুগৰ। জোনাকী যুগতে অসমীয়া সাহিত্যই সাহিত্যৰ সকলো দিশতে পত্ৰ-পুষ্পে জাতিষ্কাৰ হৈ উঠে। বিশেষকৈ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেম চন্দ্ৰ গোস্বামী এই তিনিজনা কলিকতা প্ৰবাসী ছাত্ৰৰ আশাসুধীয়া চেষ্টাৰ ফলত অসমীয়া

ভাষাই ভাষাটোৰ প্ৰাপ্য আসনত অধিস্থিত হৈছিল। কলিকতাত অধ্যয়নৰত এই ছাত্ৰসকলে অসমীয়া ভাষাৰ সকলো দিশৰ উন্নতিৰ কাৰণে যথাসাধ্যে চেষ্টা কৰিছিল। কলিকতাৰ পৰা নিজৰ মাতৃভূমিলৈ উভতি অহাৰ পিছতো তেওঁলোকে সাহিত্য সাধনাত ব্ৰতী হৈ আছিল।

অসমীয়া ভাষাৰ প্ৰাণপ্ৰতিষ্ঠা কৰি ভাষাটোৰ সৰ্বদিশৰ সমৃদ্ধিত উঠিপৰি লগা সাহিত্যিক সকলৰ ভিতৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ নাম নিঃসন্দেহে উল্লেখযোগ্য। সেয়েহে ডঃ বাণীকান্ত কাকতিদেৱে কৈছিল— 'জোনাকীত অন্তৰ্নিহিত আদৰ্শ বেজবৰুৱাৰ সাহিত্যৰ বাদে আন কাৰো সাহিত্যত ফট্‌ফটীয়াকৈ ফুটি ওলাব পৰা নাই।' (বেজবৰুৱা ঃ ডঃ বাণীকান্ত কাকতি)। বেজবৰুৱাৰ প্ৰত্যেকটো শব্দৰ মাজেদি প্ৰকাশিত হৈছিল সুগভীৰ স্বদেশপ্ৰেম নিভাজ অসমীয়া শব্দপ্ৰয়োগত গুৰুত্ব আৰু অসমীয়া সমাজক হাস্য-ব্যঙ্গৰ মাজেৰে সংস্কাৰ কৰাৰ মনোভাব। 'ডঃ কাকতিৰ মতে অসমবাসীৰ প্ৰতি বেজবৰুৱাৰ প্ৰধান দান তিনিটা- জাতীয় ভাৱমণ্ডল সৃষ্টি কৰাত বেজবৰুৱাৰ শ্ৰেষ্ঠ দান হ'ল স্বদেশ হিতৈষিতা, দ্বিতীয় ডাঙৰ দান তেওঁৰ ভাষা আৰু তৃতীয় ডাঙৰ দান অসমীয়া সাহিত্যত হাস্যৰসৰ অৱতাৰণা।' (বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি, ডঃ অনুৰাধা শৰ্মা)। জীৱনৰ বেছিখিনি সময় জন্মভূমিৰ পৰা আঁতৰত থাকিবলগীয়া হোৱা কাৰণেই নেকি, অসম আৰু অসমীয়া ভাষাৰ প্ৰতি আনে উচ্চবাচ্য কৰাটো তেওঁ একেবাৰে সহিব নোৱাৰিছিল। অসমৰ জাতীয় চৰিত্ৰ, সামাজিক ৰীতি-নীতি হীন বুলি আনে সমালোচনা কৰাৰ কাৰণে তেওঁ মহাপুৰুষ দুজনাৰ জীৱন চৰিত আৰু পুৰণি আচাৰ-নীতিৰ উল্লেখ থকা অসমীয়া পুথিৰ সমালোচনা কৰি সমালোচনা সাহিত্যৰ দুৱাৰ মুকলি কৰিছিল। বেজবৰুৱাৰ গদ্যশৈলীক এক আদৰ্শ গদ্যশৈলী বুলি আখ্যা দি ডঃ বাণীকান্ত কাকতিদেৱে কৈছে- 'বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা।' (মহেশ্বৰ নেওগ সম্পাদিত ঃ বাণীকান্ত ৰচনাৱলী, ১৯৯১, পৃঃ ২৭৪)

আন ভাষাৰ সাহিত্যত চুটি গল্প আধুনিক যুগৰ সৃষ্টি, তেনেদৰে অসমীয়া সাহিত্যতো চুটিগল্পৰ সৃষ্টি হৈছিল আধুনিক যুগতেই। অসমীয়া সাহিত্যৰ সৃষ্টি ভূমিত নৱন্যাসৰ টৌৱে খলকনি তোলাৰ লগে লগে নতুন ধৰণৰ উপন্যাস, নাটক, খণ্ড কাব্যৰ সৃষ্টিৰ প্ৰতি সাহিত্যপ্ৰেমীৰ সমাদৰ বঢ়াৰ লগে লগে প্ৰাচীন সাধুকথাৰ গাতে গা লগাই অসমীয়া চুটিগল্পৰ সৃষ্টি হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। এখন এখনকৈ তেওঁৰ কাপৰ পৰা সৃষ্টি হ'ল- 'জোনবিৰি, সুৰভি, সাধুকথাৰ কুকি আৰু কেহোঁকলি' নামৰ গল্প পুথিকেইখন। পুথিকেইখনত সন্নিবিষ্ট গল্পবোৰৰ সৰহ ভাগেই চুটিগল্প হ'বৰ উপযুক্ত নহয়, কিন্তু সাহিত্যৰ ক্ৰম বিকাশৰ বুৰঞ্জীৰ বিচাৰত এই সকলোবোৰ গল্প সমানেই মূল্যবান। 'কোনো সাহিত্যৰ সকলো সাহিত্য কৰ্মই অনবদ্যতাৰ দাবী কৰিব নোৱাৰে। সহস্ৰ কোটি শিলগুটিৰ মাজতহে কেতিয়াবা এটা শালগ্ৰাম শিল পোৱা যায়। সাহিত্য জগতৰ সকলো সৃষ্টিয়েই সমান গুণৰ অধিকাৰী নহয়। বুৰঞ্জীমূলক অধ্যয়নৰ কাৰণে সকলো ৰচনাৰে মূল্য আছে আৰু তুলনাৰ দ্বাৰাহে উৎকৰ্ষ অপকৰ্ষৰ জ্ঞান হয়। (সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা ৰচনাৱলী, সম্পাদনা ঃ বসন্ত কুমাৰ গোস্বামী, ২০০৮ পৃঃ ১৩৮। লক্ষ্মীনাথ বেজবৰুৱাৰো সকলো সৃষ্টিয়েই উৎকৰ্ষতাৰ দাবী কৰিব নোৱাৰিলেও, সাহিত্যৰ ইতিহাস অধ্যয়নৰ কাৰণে এই ৰচনাৰাজিৰ বিচাৰ বিশ্লেষণেও প্ৰয়োজনীয়তাৰ দাবী কৰিব পাৰে।

আমাৰ এই আলোচনাত লক্ষ্মীনাথ বেজবৰুৱাৰ 'সুৰভি' গল্পপুথিত সন্নিবিষ্ট গীতা আৰু লাওখোলা এই গল্প দুটা বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। বেজবৰুৱাৰ গল্পসমূহত স্বভাৱসুলভ মসৃণ গতিৰে আগবাঢ়ি যোৱা এঠা সুসংহত কাহিনী থাকে। সমাজ সচেতন মন এটা থকাৰ বাবে নিজৰ সমাজত দেখা ভেম-ভণ্ডামি, হীনতা-নীচতা, অহংকাৰ, অন্যায়-অপৰাধ আদিয়ে তেওঁৰ তীক্ষ্ম বাক্যবাণৰ



— খাগৰিজান মহাবিদ্যালয়—

পৰা সাৰি যোৱা নাই। গভীৰ জীৱনবোধ, গভীৰ অনুভূতি, নিঃকিন আৰু মহৎ মানুহৰ চৰিত্ৰৰ আদৰ্শ গল্পৰ মাজত ফুটাই তোলাত বেজবৰুৱা আগ্ৰহী নহয়। তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্য হ'ল- গাঁৱলীয়া ভাষাৰ মাধ্যমেৰে হাস্যৰস সৃষ্টিৰ জৰিয়তে কাহিনীভাগ আগবঢ়াই নিয়া।

সুৰভি গল্প পুথিখনৰ প্ৰথম গল্পটোৱেই হৈছে 'গীতা'। তেওঁ এই গল্পটো আৰম্ভ কৰিছে গীতাৰ এষাৰ শ্লোকেৰে গল্পটোৰ আৰম্ভণিতে সকলো অসমীয়াৰে পৰিচিত মাঘবিহুৰ এটা সজীৱ বৰ্ণনা দাঙি ধৰিছে। মাঘবিহুৰ দিনা ৰাতিপুৱা গা পা ধুই মেজি জ্বলাই আটায়ে অগ্নিক সেৱা কৰিছে। মেজিৰ কাষতে মুঠাৰ (এবিধ তৃণজাতীয় গছ) কঠত বহি গাঁৱৰ বুঢ়া-মেথা সকলে গীতা পঢ়িছে। পুথিখন সাঁচিপাতত লেখা আৰু পুথি থবলৈ ব্যৱহাৰ কৰা ঠগাখন হ'ল হেঙুল বৰণীয়া এখন কাঠৰ ঠগা। মেজিৰ আন দিশত ল'ৰাহঁতে মেজিৰ জুইত মোৱাআলু, কাঠআলু, বাঁহৰ চুঙাত ভৰোৱা বৰা চাউলৰ পিঠা সিজাইছে। মাঘ বিহুৰ এই চিত্ৰখন বৰ্তমান প্ৰজন্মৰ কাৰণে ধূসৰ হৈ আহিছে। গীতাৰ ব্যাখ্যা শুনি জেলৰ কয়দী এজনে নিজৰ দুষ্কাৰ্যৰ কথা সুঁৱৰি হুকহুককৈ কান্দি নিজৰ জীৱনৰ পংকিল অধ্যায় সমাজৰ আগত দাঙি ধৰিলে- পশ্চিমৰ গোৱালিয়ৰ জিলাৰ ভগবানদাস সন্যাসীয়ে সৰুতে সন্যাস ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁৰ গুৰু ঈশ্বৰদাসৰ লগত ভাৰতবৰ্ষৰ তীৰ্থবিলাক ভ্ৰমণ কৰিলে আৰু গুৰুৰ কৃপাত সকলো শাস্ত্ৰতে পাৰ্গত হৈ উঠিল, কিন্তু তেওঁৰ সন্যাস জীৱনৰ স্খলন ঘটিল গুৰুৰ মৃত্যুৰ পিচত অসমৰ শিৱসাগৰ জিলাত। তীৰ্থ ভ্ৰমণ কৰি আহি আহি শিৱসাগৰ জিলা পাওঁতে তেওঁ গা-বেয়া হ'ল আৰু সোনকালে আৰোগ্য নোহোৱা হ'ল। বেমাৰ আৰোগ্য নোহোৱাৰ কাৰণে অলপ দিন অপেক্ষা কৰি লগৰীয়াবোৰে তেওঁক এৰি থৈ গ'ল। ধৰ্মপ্ৰাণা শিৱসাগৰীয় লোকসকলে তেওঁৰ সেৱা শুশ্ৰূষাৰ অকণো ত্ৰুটী নকৰিলে। মঙলা নামৰ এজনে ভগবানদাসক গাখীৰ খাবলৈ খীৰতি গৰু এজনীও দিলে; কিন্তু 'হস্তীৰো পিচলে পাও সজ্জনৰো বুৰে নাও'। ভগবানদাসৰ ক্ষেত্ৰতো এই প্ৰবচন আখৰে আখৰে সঁচা হ'ল আৰু তেওঁ পাপৰ বোকাত আকণ্ঠ পোত গ'ল- তাৰ পৰিণতিত তেওঁ আজি জেলৰ কয়দীৰ জীৱন যাপন কৰিবলগীয়া হ'ল। মঙলাৰ ভনীয়েক চেনেহীৰ প্ৰেমত বলিয়া হৈ খঙৰ ভমকত চেনেহীৰ ককায়েকক মূৰত ফলা খৰিৰে কোবাই মাৰি পোলোৱা কাৰণে সন্যাসী গুচি সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত এজন কয়দী।

গল্পটোত বেজবৰুৱাই স্বাধীনোত্তৰ যুগৰ অসমীয়া সমাজৰ চিত্ৰ এখন দাঙি ধৰিছে। সেইখিনি সময়ত সমাজৰ সৰহখিনিয়েই আছিল কৃষিজীৱি লোক। পথাৰত ধান, পুখুৰীত মাছ, বাৰীত তামোল পান, গোহালিত খীৰতি গাই আদিৰে একোখন নদন-বদন গৃহস্থী। দুবেলা দুসাহ জুতি-বুধি লগাই উদৰ পুৰাই খাবলৈ যেন কাৰোৰেই কষ্ট নাছিল। মানুহবোৰ আছিল অতি ধৰ্মপ্ৰাণ; সেয়েহে গাঁৱলৈ অহা সাধু সন্যাসীক সেৱা-সেশ্ৰূষা আগবঢ়াইছিল। ভগবান সন্যাসীকো বেমাৰ হোৱা কাৰণে আৰোগ্য কৰিবলৈ আৰু গাত হৃতশক্তি ঘূৰাই পাবলৈ গঞা লোকসকলে চেষ্টাৰ ত্ৰুটী কৰা নাছিল। মঙলা নামৰ এজনে আকৌ সন্যাসীয়ে গাখীৰ খাই ভাল পায় কাৰণে খীৰতি গাই এজনীকে সন্যাসীক দিছিল। মঙলাৰ পথাৰৰ কাম বেছি থাকিলে ভনীয়েক চেনেহীকে সন্যাসীৰ ইটো সিটো কৰি দিবলৈ পঠিয়াই দিছিল। সাধু সন্যাসীৰ প্ৰতি কিমান ভক্তি সেই কথাৰ প্ৰমাণ ইয়াৰ পৰাই পাব পাৰি; কিন্তু প্ৰবঞ্চক সন্যাসীয়ে চেনেহীৰ প্ৰেমত বলিয়া হৈ ইমান হিতাকাংক্ষী মঙলাকে ফলা খৰিৰে কোবাই মাৰি পেলালে। সমাজত ধৰ্মৰ ধ্বজা বহনকাৰী কিছুমান লোকৰ শঠতা আৰু ভণ্ডামিৰ ছবি এখন গল্পটোত সুন্দৰকৈ ফুটি উঠিছে। শেষত কিন্তু ভগবানদাস সন্যাসীৰ মনৰ পংকিলতা আঁতৰি বিশুদ্ধ হৈ

পৰিছে, জীৱনৰ কৃতকৰ্মৰ বাবে অনুশোচনা জন্মিছে আৰু গীতাৰ শ্লোক শুনি হুক্‌হুক্ কৈ কান্দি উঠিছে। গল্পটোত বেজবৰুৱাৰ সাৱলীল কথনভংগীয়ে কাহিনী আগবাঢ়ি যোৱাত সহায় কৰিছে।

'সুৰভি' গল্পপুথিত সন্নিবিষ্ট আন এটি গল্প 'লাওখোলা'ত বেজবৰুৱাই কলিকতাৰ ধনী তথা সম্ভ্ৰান্ত লোকসকলৰ সমাজ এখনৰ বিৱৰণ দাঙি ধৰিছে। কলিকতাৰ সম্ভ্ৰান্ত লোকসকলৰ সেই সময়ত 'বাগানবাড়ী' (আমাৰ পামৰ নিচিনা) আৰু এখন বসতবাড়ী (স্থায়ীভাৱে থকা ঘৰ)। সেইখিনি সময়ত অসমৰ মানুহে কলিকতাৰ এই 'বাগানবাড়ী' আৰু 'বসতবাড়ী' খায়েই নে কানতেই পিন্ধে তাৰ একো ভু-ভটং নাপায় বুলি গল্প লেখকে কৈছে। দুখীয়া অসমত তেতিয়া দুই এঘৰ মানুহৰ বাহিৰে প্ৰায়ভাগ মানুহৰে ঘৰ বাঁহ-খেৰেৰে সজা জুপুৰীঘৰ আৰু বিচনা হ'ল- বাঁহৰ চাঙত বা মাটিত ধানখেৰ পাৰি তৈয়াৰ কৰা বিচনা।

কলিকতাৰ এই সম্ভ্ৰান্ত পৰিয়ালৰ লোক সকলে 'বসতবাড়ী'ত থাকি আমনি লাগিলে 'বাগানবাড়ী'লৈ গৈ অলপ গাটো টঙাই আহে। ফল-মূল, পুখুৰীৰ মাছ আদিৰে উদৰ পুৰোৱা, পুখুৰীত সাঁতোৰা আদিৰ লগতে কিছুমানে বাগানবাড়ীত বাই-নাচ, নটী-নাচ, ফটিকা আদিৰ বীভৎস আমোদো উপভোগ কৰে। কলিকতীয়া এই বৰমূৰীয়া বাবুসকলে বন্ধু-বান্ধৱ লগত লৈ গৈ চৰকাৰী বন্ধত সম্পূৰ্ণ মুক্ত মনেৰে তাত সপ্তাহদিন কটায়। এবাৰ এনেকুৱা এটা বন্ধৰ দিনতে কলিকতীয়া নিৰ্মল বাবুৰ লগত (নিৰ্মল চন্দ্ৰ বানুৰ্জী) গল্পলেখকেও 'বাগানবাড়ী'ৰ মাদকতা উপভোগ কৰিবলৈ গৈছিল। তেওঁৰ কপাল ভাল আছিল যে সেই যাত্ৰাত যোৱা আন বন্ধুসকলৰ ভিতৰতো বাই-নাচ বা ফটিকা খাই মন ৰঙোৱা মানুহ নাছিল। গল্পলেখক বেজবৰুৱাই এই প্ৰস্তাৱ সাদৰেৰে গ্ৰহণ কৰাৰ কাৰণ হ'ল- তেওঁৰ সন্ধৰে পৰা থকা মাছমৰা চখ পূৰণ কৰা। লগুৱা-লিকচৌ, বস্তু-বাহানিৰে সৈতে যাত্ৰা কৰা দলটো এঘণ্টামানৰ মূৰত বাগানবাড়ীত উপস্থিত হ'ল। জা-জলপান খাই তেওঁলোক পুখুৰীত মাছ ধৰা চাবলৈ গ'ল। জালোৱাই বৰজালেৰে বহুত মাছ ধৰিলে, তাৰে ভিতৰত আঠটামান ডাঙৰ ডাঙৰ মাছ ৰাখি বাকীবোৰ পুনৰ পুখুৰীত এৰি দিলে; কিন্তু এটা আচৰিত ঘটনা হ'ল মাছৰ লগতে ডালত এটা মানুহৰ লাওখোলাও উঠি আহিল। উপস্থিত আটাইৰে মাজত নানা ধৰণৰ কথা ওলাবলৈ ধৰাত বেজবৰুৱাই হাতত থকা চাহগছৰ লাঠিডালেৰে লাওখোলাটো দূৰলৈ মাৰি পঠিয়াই সেইটো অধ্যায় সিমানতে সামৰিলে।

পুখুৰীৰ সতেজ মাছ আৰু বিভিন্ন খাদ্য দ্ৰব্যৰ ভোজনপৰ্ব সামৰি আটায়ে দুগ্ধফেন সদৃশ চুলি, গাৰু, চকী, মেজ আদিৰে জাক-জমক বগা শিল্পৰ মজিয়াযুক্ত আটকধুনীয়া কোঠাত শুবলৈ দিহা কৰিছিল, কিন্তু আমাৰ লেখক ডাঙৰীয়াৰ মন গ'ল পুখুৰীৰ পাৰৰ বগা শিলৰ খটখটীৰ ওপৰত শুবলৈ। বন্ধু নিৰ্মল বাবুয়ে আপত্তি কৰিছিল যদিও বেজবৰুৱাই কিন্তু নামানিলে। শোৱাৰ অলপ পৰৰ পিছতে নিদ্ৰাদেৱীয়ে তেওঁক আকোঁৱালি ল'লে। হঠাতে মাজৰাতি এখন হাতৰ শীতল স্পৰ্শত তেওঁৰ টোপনি ভাঙি গ'ল। চকুমেলি দেখিলে পাৰি নিদিয়া বগা শাৰী পিন্ধি মুখখন ওৰণিৰে প্ৰায়খিনি ঢাকি বিশ-বাইশ বছৰীয়া তিৰোতা এজনী তেওঁৰ সন্মুখত থিয় হৈ আছে। লেখকে তাই কোন বুলি সোধা প্ৰশ্নৰ উত্তৰত যিখিনি কথা ক'লে, সেই কথাখিনি এনে ধৰণৰ-

বৰ্তমান এই বাগানবাড়ীৰ মালিক কোন তাই নাজানে, কিন্তু ডেৰকুৰি বছৰ আগত যিজন মালিক আছিল সেইজন তাইৰ জেঠাল আছিল। তাইৰ নাম নলিনী- বিয়াৰ এমাহৰ পিছতেই স্বামীৰ মুখ নেদেখোতেই মাউৰত পৰা তাইৰ স্বামীয়ে মৃত্যু বৰণ কৰিলে। ঘৰখনত এদিন হঠাতে হুৱা-দুৱা লাগিল, তাই একো বুজি নাপালে, কোনোৱে ক'লে তাইৰ হেনো স্বামী ঢুকাল আৰু তাই বিধবা হ'ল। এইবোৰে তাইৰ মনত কিবা ক্ৰিয়া কৰিব পৰাৰ জোখেৰে তাই বুজনেই হোৱা নাছিল। মাথোন এটা কথাতেই বেয়া লাগিছিল, যেতিয়া কোনোবা এজনীয়ে তাইৰ হাতৰ খাৰুবোৰ খুলি পেলাইছিল। তাই বিধবা হোৱাৰ দুখতে অলপদিন পিচতেই তাইৰ পিতৃ আৰু মাতৃও সিফলীয়া হ'ল। ছোৱালী এজনী অকলে থকা অসম্ভৱ কাৰণে তাই জেঠালেকৰ ঘৰলৈকে উঠি আহিল, তেতিয়া তাইৰ বয়স ওঠৰ বছৰ।

অলপদিন যোৱাৰ পিছতে তাই জেঠালেকৰ জঘন্য চৰিত্ৰৰ বিষয়ে জানিব পাৰি পুনৰ পিতৃভেটিলৈকে উভতি আহিব খুজিছিল; কিন্তু জাকৰ মুখৰ কথাখিনি শুনাৰ পিচত তাই অহা আশা পৰিত্যাগ কৰিব লগীয়া হ'ল। ঘৰখনত দুজনী নাৰী এজনী বিধবা আৰু আনজনী স্বামী থাকিও বিধবা। জেঠালেকৰ পাক্‌চক্ৰত পৰি তাই লখিমীযেন জাকজনীৰ জীৱনলৈ অন্ধকাৰ নমাই, জেঠালেকৰ লগত পংকিল জীৱন যাপন কৰিবলৈ এই বাগানবাড়ীলৈ আহিল। ফলত তাই গৰ্ভৱতী হ'ল। সমাজৰ অপবাদৰ পৰা হাত সাৰিবলৈ জেঠালেকে তাইৰ গৰ্ভনষ্ট কৰিবলৈ চেষ্টা কৰিলে, কিন্তু গৰ্ভ নষ্ট কৰিব নোৱাৰি তাইকে ডিঙি চেপি হত্যা কৰি এজন বিশ্বাসী লগুৱাৰ সহায়ত ডিঙিত শিল বান্ধি এই পুখুৰীটোতে পেলাই দিলে। তেতিয়াৰে পৰা আজিলৈকে তাই পুখুৰীৰ পানীৰ তলত শান্তিৰে আছিল, আজি তেওঁলোকে তাইক লটি-ঘটি কৰি দূৰত দলিয়াই পেলালে, তাইক পুনৰ পুখুৰীত পেলাই দিলেহে তাই শান্তি পাব, এই বুলি ঢেক্ ঢেকাই হাঁহি পুখুৰীত পৰিলগৈ। বেজবৰুৱাই ভয়তে বাগিছাৰ চকীদাৰজনক মাতি ঘটনাটো ক'লে, তেতিয়া চকীদাৰজনে এই পুখুৰীটো দেওলগা, গতিকে ইয়াত শুব নালাগে, ভিতৰতে শোৱকগৈ বুলি তেওঁক মাতি লৈ গ'ল।

'লাওখোলা' গল্পটো নলিনী নামৰ এজনী বাল্যবিধবাৰ কৰুণ কাহিনীৰে আধাৰত এই গল্পটোৰ ঘটনাচক্ৰ আগবাঢ়িছে। গল্পটোৰ ঘটনাৰ পৰা আমি কলিকতাৰ স্বাধীনোত্তৰ কালৰ হিন্দু সমাজৰ কিছুমান কথা জানিব পাৰোঁ। সেইখিন সময়ত অসমৰ দৰে তাতো বাল্যবিবাহৰ প্ৰচলন আছিল। নলিনীৰ দুৰ্ভগীয়া জীৱনৰ আৰম্ভ হৈছিল- তাইৰ স্বামী আৰু পিতৃ-মাতৃৰ মৃত্যুৰ পাছত, যেতিয়া তাই নিৰাপত্তাৰ খাতিৰত জেঠালেকৰ ঘৰত থাকিবলৈ আহিছিল। জঘন্য চৰিত্ৰৰ জেঠালেক আছিল মদাহী আৰু বেশ্যাসক্ত অথচ ঘৰত লখিমী স্বৰূপা পত্নীও আছিল। ওঠৰ বছৰীয়া পূৰ্ণযৌৱনা নলিনীৰ ওপৰতো তাৰ পাপ দৃষ্টি নপৰাকৈ নাথাকিল। জাকৰ অনুনয় বিনয়ত তাই পুনৰ পিতৃগৃহলৈ উভতি যোৱাৰ আশাও পৰিত্যাগ কৰিবলগীয়া হ'ল। ভৰ যৌৱনৰ জৈৱিক তাড়নাত তাইও জেঠালেকৰ কামনাৰ বলি হ'বলগীয়া হ'ল আৰু এনেকুৱা এখন বাগানবাড়ীলৈকে গুচি আহিল। এই প্ৰেমৰ ফলশ্ৰুতিত তাই গৰ্ভৱতী হ'ল, গৰ্ভনষ্ট কৰিব নোৱাৰি সমাজৰ ভয়ত তাইক ডিঙি চেপি হত্যা কৰি এই পুখুৰীত পেলাই দিলে। নলিনীৰ এই ঘটনাটোৰ পৰা বাল্যবিধবা সকলৰ ওপৰত যে নিজৰ মানুহেই যৌন নিৰ্যাতন চলাইছিল সেই কথাৰ আভাস পাওঁ। সমাজে বাল্যবিধবাৰ প্ৰতি যিমানেই কঠোৰ ৰীতি-নীতিৰ সৃষ্টি নকৰক লাগিলে জৈৱিক তাড়নাক হেঁচি ৰাখিব নোৱাৰে। এনেকুৱা অলেখ অযুত কাহিনী ভাৰতীয় হিন্দু সমাজত আছে। সমাজৰ বৰমূৰীয়া তথা সমাজৰ নীতি-নিয়মৰ স্ৰষ্টা কিছুমান ভদ্ৰ লোকে যে গৰ্হিত কাম কৰে, সেয়াও একো নতুন কথা নহয়। মামনি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা' নামৰ উপন্যাসৰ বাল্যবিধবা গিৰিবালাইও সমাজৰ কঠোৰ নীতি-নিয়মৰ বিৰুদ্ধে মনৰ ক্ষোভ প্ৰকাশ কৰিছে।

গল্পটোত নলিনীৰ প্ৰেতাত্মাৰ মুখেৰে পুৰুষ প্ৰধান সমাজে সৃষ্টি কৰা অপৰিৱৰ্তনীয় নিয়ম কানুনৰ প্ৰতি তীক্ষ্ম

বাক্যবান প্ৰহাৰ কৰিছে। তাই কৈছে- 'সত্য, ত্ৰেতা, দ্বাপৰৰ ৰজা গ'ল, ৰাজত্ব গ'ল, বৈদিক পৌৰাণিক ক'ত কি ধৰ্ম গ'ল, আচাৰ গ'ল, ব্যৱহাৰ গ'ল আনকি বগা আৰ্যবোৰৰ গাৰ বৰণ সলনি হৈ তেওঁলোক ক'লা হ'লগৈ, কিন্তু সেইবোৰ যুগৰ সমাজৰ মানুহে চলিবলৈ কৰা আইনৰ সলনি নাই.....।' (সুৰভি, লক্ষ্মীনাথ বেজবৰুৱা, ১৯৭২ পৃঃ ৪২)। বিদ্যাসাগৰে বিধবা বিবাহৰ সপক্ষে মাত মতাৰ ফলত তেওঁক সকলোৱে নিন্দা কৰি নানা ধৰণে সমালোচনা কৰিছিল, সেই কথাও নলিনীৰ মুখেৰে লেখকে কোৱাইছে- 'বিদ্যাসাগৰে আমাৰ হৈ আঘাৰ চেৰেক কথা কোৱাৰ বাবে তেওঁক তোমালোকে নকৰিবৰ চকৰি কৰিলা। গালি শপনি নিন্দাৰে তেওঁক তোমালোকে পুতি শেষত এঘৰীয়া কৰি এৰিলা।' (উক্ত গ্ৰন্থ, পৃষ্ঠা ৪৩) একে তেজ মঙহেৰে গঢ়া, একে অনুভৱ, একে ইচ্ছাশক্তি যুক্ত পুৰুষ জাতিৰ প্ৰতি আইন-কানুনৰ শিথিলতা আৰু নাৰীৰ প্ৰতি এইবোৰ কঠোৰতাত গল্পলেখক সহমত নাছিল, তেওঁৰ মতে সেয়া আছিল সমাজৰ এটা অংশৰ প্ৰতি কৰা অন্যায়-অবিচাৰ। পুৰুষে পত্নী মৰিলে পুনৰ বিবাহ কৰাত বাধা নাই, কিন্তু কোনো এজনী নাৰীয়ে বিয়া কি, বিধবা কাক বোলে জনা হোৱাৰ আগতেই বিধবা হ'লেও তাইৰ বিয়াৰ নাম মুখেৰে উচ্চাৰণ কৰিলেই প্ৰায়চিত্ত হৈ শুদ্ধ হ'বলগীয়া হৈছিল। সমাজৰ ৰীতি-নীতিৰ প্ৰভূত পৰিবৰ্তন হৈছিল। সমাজৰ ৰীতি-নীতিৰ প্ৰভূত পৰিবৰ্তন সাধন হ'ল, কিন্তু নাৰীৰ ক্ষেত্ৰত থকা এই নিয়মবোৰ একেবাৰে অলৰ অচৰ হৈ থাকিল।

***

## সহায়ক গ্ৰন্থপুঞ্জী ঃ

১। বেজবৰুৱা লক্ষ্মীনাথ ঃ সুৰভি,সাহিত্য প্ৰকাশ, ১৯৭২
২। শৰ্মা অনুৰাধা ঃ বাণীকান্ত কাকতি- জীৱন আৰু কৃতি, ভবানী প্ৰিণ্টাৰ্চ প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনচ্, ২০০৯
৩। গোস্বামী বসন্ত কুমাৰ (সম্পাদনা) ঃ সাহিত্যচাৰ্য যজ্ঞেশ্বৰ শৰ্মা ৰচনাৱলী।
৪। নেওগ মহেশ্বৰ (সম্পাদনা) ঃ বাণীকান্ত ৰচনাৱলী।
৫। গগৈ লীলা ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, ১৯৯০, ষ্টুডেণ্টছ্ এম্পৰিয়াম, ডিব্ৰুগড়।

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ ৰুবিনা বেগম

- শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি। — চক্ৰেটিছ হেমিংওৱে
- আত্মহনন হ'ল মৃত্যুৰ বিৰুদ্ধে বিদ্ৰোহ। — আৰ্নেষ্ট
- শিক্ষাই জীৱন, জীৱনেই শিক্ষা। — লজ
- প্ৰতিভাৰ নিৰানব্বৈ ভাগেই হ'ল অধ্যৱসায়। — টমাছ আলভা এডিচন
- ভাষাৰ বাপেক ভাব আৰু ককাত জ্ঞান। — কমলাকান্ত ভট্টাচাৰ্য





Principal Dr. Sagar Baruah
in working hours



Editorial Board ; Kahagarijan College.



Members of Union Body with Different Department-incharges.



Members of Union Body with Principal Dr. Sagar Baruah and Retired vice-principal Lutfur Rahman.

## Some Special Moments of College














# Some Views of College Campus


















# সাহিত্যৰথী বেজবৰুৱাৰ কবিতাত স্ত্ৰী-বিমৰ্শ

## (সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী উপলক্ষে)

ড° গিৰিকান্ত গোস্বামী
অধ্যাপক, নগাঁও মহাবিদ্যালয়
(অতিথি লেখক)

অসমীয়া তথা ভাৰতীয় সাহিত্যত নাৰীৰ পীড়া আৰু আত্মসত্ত্বাৰ দি ·তে বিবিধ ৰূপ পৰিগ্ৰহন কৰিবলৈ বৰ্তমান সময়ত বাৰুকৈয়ে প্ৰযত্ন চলিছে। নাৰীক কন্যাৰূপে, বোৱাৰী ৰূপে, গৃহিনী ৰূপে, মাতৃৰূপে, শাহুৰূপে, ননদৰূপে, জা ৰূপে আৰু তেওঁলোকৰ সামাজিক অৱস্থা, পাৰিপাৰ্শ্বিক পৰিবেশত চলা ফিৰা কৰিবলৈ আৰু পাৰিবাৰিক জীৱন সুসংচালিত ৰূপত ৰক্ষা কৰিবলৈ অভিভাৱকসকলে বিভিন্ন সময়ত নানান প্ৰকাৰে প্ৰযত্ন কৰি আহিছে। একৈশ শতিকাত সাহিত্যৰ নতুন নতুন চিন্তা-চৰ্চাৰ প্ৰসঙ্গত আৰু এক নব্য বিষয়ে উৎকৰ্ষ সাধন কৰিছে, সেই বিষয়টি হ'ল নাৰী-চৰিত্ৰৰ অভিনৱ আলোকপাত। এই ক্ষেত্ৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ কাব্যসাহিত্যত নাৰীৰ বিমৰ্শ ৰূপ কথন লক্ষ্য কৰিবলগীয়া বিষয়। "ভাষা-সাহিত্যৰ ৰণত দিগ্বিজয়ী হোৱাৰ বাবেই বেজবৰুৱাক আজি আমি সাহিত্যৰথী আখ্যাৰে বিভূষিত কৰিছো"।১ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে তেওঁৰ 'কদমকলি' আৰু 'পদুমকলি'ৰ কবিতাসমূহতনাৰী জীৱনৰ বিবিধ ৰূপ কথন প্ৰচাৰ কৰিবলৈ লোৱা হৈছে। সঁচাকৈ নাৰীৰ জীৱন-চৰ্চা অতি মোহনীয়, কমনীয়। বেজবৰুৱাৰ কবিতাত নাৰী জীৱনৰ সুৰ, লয়, তাল, ৰক্ষা কৰিবলৈ অনেক ক্ষেত্ৰ পৰিলক্ষিত হয়। সেয়েহে তেওঁৰ কবিতাত নাৰী-বিমৰ্শৰ সাহিত্যিক উন্মেষ ঘটিছে। কাব্য-সাহিত্যৰ মহৎ গুণ প্ৰকাশতি হয়, নৱ-নাৰীৰ গুণানুকীৰ্তনৰ পৰা। বিশেষকৈ নাৰীৰ লগত লোক জীৱনৰ সম্বন্ধ থকাৰ কাৰণে আমাৰ অসম তথা ভাৰতীয় সংস্কৃতি সুৰক্ষিত হৈ আছে। নাৰীৰ বিমৰ্শ সূত্ৰই সকলোকে মঙ্গলবাচক আনন্দ প্ৰদান কৰিছে। আমাৰ নিৰন্ধত নাৰী বা স্ত্ৰী-বিমৰ্শ ৰূপ কথনৰ বাবে বেজবৰুৱাদেৱৰ গ্ৰন্থাৱলীৰ পৰা উদাহৰণ দাঙি ধৰা হৈছে।



'নাৰী' মানে মা, শাহু, মাতৃ, কন্যা-জী, ননদ-বোৱাৰী সম্বন্ধৰ লগত মানবীয় মূল্যবোধ থকা এগৰাকী বিশাল ব্যক্তিত্বৰ অধিকাৰী স্ত্ৰী-লোক। সাহিত্যৰথী বেজবৰুৱাদেৱে এনে স্ত্ৰীলোকৰ বিমৰ্শ ৰূপ তেওঁৰ কবিতাত প্ৰকাশ কৰিছে। সাহিত্যৰথী বেজবৰুৱাদেৱৰ সেউতীৰ বিয়া, বায়েক ভনীয়েকৰ (উষা-প্ৰতিমা) কথা, মইনা, মৰমৰ সখী, প্ৰিয়তমা, চন্দ্ৰা-বৃন্দাৰ সংবাদ, চন্দ্ৰ-ৰাধাৰ দ্বন্দ, মাতৃ শ্ৰদ্ধা, নতুন কন্যাটিক শাহুৰে আদৰা, দুৰণিতে থকা পুতেকক সুঁৱৰি মাকে কেনেদৰে শোক কৰিছে, ইত্যাদি দিশবোৰ কাব্যিক ৰূপত ৰূপায়িত কৰিছে।

সাহিত্যৰথী বেজবৰুৱা দেৱৰ ভাষাত-

ক) 'বোৱাৰী জীয়ৰীৰ লৰাৰ হাঁহিৰে
ভৰিল ঘৰ খিকিন্দালিৰে।' (৯৬৭পৃঃ)
আৰু

খ) 'বোৱাৰীয়ে খুন্দিছে চিৰা।
ঘৈনীয়ে পাৰিছে পীৰা।' (৯৬৭পৃঃ)
আৰু

গ) 'সতী জয়মতী সতীত্ব
তেজেৰে অসমী আই প্ৰৱল।' (৯৯৩পৃঃ) বুলি কৈছে।

আকৌ বেজবৰুৱাদেৱে—

(ঘ) 'চেনেহৰ চেনেহী লৈ' (১০০১), 'ৰাধা সখী, 'দেৱযাত্ৰী' (নাটিকা) (৯৬৮-৯৭৬), 'ধনবৰ আৰু ৰতনী' (৯৭৯), ৰতনীৰ বেজাৰ (৯৮০), 'নিমাতী কন্যা' (৯৮৬পৃঃ), 'তিলকা' (৯৮৭পৃঃ), 'ৰেণুকা' (জয়লক্ষ্মী... অসাৰ) (৯৯০পৃঃ), মহাভাৰতৰ 'দ্ৰোপদীয়ে অৰ্জুনক' কৰ্মফলৰ কথা কৈ সান্ত্বনা লভিছে। ইত্যাদি কথাৰে তেওঁ নাৰী-বিমৰ্শ ৰূপ কবিতাৰ মাজেদি দেখুৱাইছে। নাৰীয়ে মাতৃ ৰূপত অৱতীৰ্ণ হৈ নিজ সন্তানক অশ্বত্থামাৰ পৰা ৰক্ষা কৰিবলৈ অপৰাগ গৈ দ্ৰোপদীয়ে ভাৰতীয় আধ্যাত্মিক আদৰ্শৰে সান্ত্বা লভিছে মাধ্যম পাণ্ডৱ অৰ্জুনৰ আগত কৈ কৈ।

বেজবৰুৱাদেৱে উল্লেখ কৰা স্ত্ৰী-বিমৰ্শৰ কিছুমান কবিতাংশ তথা গীতাংশৰ উদাহৰণ দাঙি ধৰা হ'ল—

ঙ) 'নতুনে বহুৱটিক
নতুনে কন্যাটিক
আদৰে যেনেকৈ শাহু।'

চ) 'ককাইক ভনীয়েকে ন-কাপোৰ পিন্ধালে
সেৱাত পাচ় 'কুশলে হোক'।

ছ) 'দুৰণিতে থকা পুতেকক সুঁৱৰি
মাকে কৰিলে শোক।' ইত্যাদি (বিহু-গীত)

'বীণ বৰাগী'ত সীতা আইৰ বাতৰি, দময়ন্তীৰ দুখ, দ্ৰৌপদীৰ কথা, সতী জয়মতী আয়তী দুখুনীৰ দুখ, বেহুৱা শান্তীৰ দুখ প্ৰকাশ পাইছে। মালিতা কবিতা 'ধনবৰ আৰু ৰতনী'ত ধনবৰ ৰতনীৰ আত্ম বিলাপ অতি হৃদয়গ্ৰাহী। নানান ৰূপ-উপমাৰে মিৰি ডেকা ধনবৰে মিৰি গাভৰু ৰতনীৰ বাবে ভিকাহুৰ ভিকাহু হৈ পৃথিৱীত শোক থৈ গৈছে। ৰতনী বিহীন জীৱন ধনবৰে আৰু নকটাই বুলি লুইতৰ বুকুত মৰম এফেৰি বিচাৰি যাহ গৈছে। আনফালে আকৌ মিৰি ৰতনী গাভৰুৱেও ধনশিৰীৰ মুখত ধনবৰৰ মৃত্যুৰ বাতৰি পাই নৱমী তিথিৰ কৃষ্ণপক্ষ ৰাতি জোনটোৰ অলপ আঁতৰতে অকলশৰীয়াকৈ জ্বলি থকা তৰাটিলৈ চাই "........... ধনাই আৰু নাই এই পৃথিৱীত" বুলি কান্দি কাটি থাকোতে তাইৰ মাকে শোৱা পাটীৰ পৰা উঠি বাহিৰলৈ আহি ৰতনীৰ হাতত ধৰি তাইক টানি ভিতৰলৈ লৈ গৈ পাটীত শুৱাই দিলে।

সাহিত্যৰথী বেজবৰুৱাই 'সখীৰ প্ৰতি' কৈছে-

জ) 'তোমাৰ বিৰহে সখী হৃদয় দহিছে।'

ঝ) 'প্ৰাণসখী সৰি যাব স্নেহ-পানী নিদিলে।'

ঞ) 'সখীৰ লগত গৈ কেনেকৈ মিলহৈ
একে জীৱ, একে দেহা, আনমন নকৰি
বৈ যায় মনসুখে সকলোকে পাহৰি।'

ঠ) 'বকুলৰ গুটিখাম
সেউতীৰ বিয়া চাম।' ইত্যাদি (৯৫৩-৯৫৪পৃঃ)

তেওঁৰ 'বাই-ভনীৰ কথন' কবিতাত লিখিছে—

ড) 'তোমাকেই হে চুমা খাম
জীওঁ যত দিন
তোমাৰেইহে উমলিম
দুইৰো নাই ভিন্ন।'

ঢ) 'মোৰ হৈ মৰিব পাৰে'
ময়ো তেওঁৰ হৈ ...... ইত্যাদি
'মৰম মৰম গীত
ৰাতি দিনে মই খাম,
চিকুন চেনেহ চুমা
নিতে ন ন খাম।'
'প্ৰেমৰ শীতল পানী
প্ৰেম কলহত আনি।'

ণ) 'তোমাৰ সুখত সুখ
তোমাৰ দুখত দুখ
ই জীৱন মোৰ সখী জীৱনে তোমাৰ
তোমাৰেহে মই সখী তোমাৰ-তোমাৰ.......' ইত্যাদি।

বেজবৰুৱাদেৱৰ অনাথী 'তিলকা' নামৰ কবিতাত দুখত দুখী হৈ কান্দি কাটি থাকে বুলি এটা কাব্যিক লোককথাত কৈছে।

'হে মোৰ প্ৰভুদেউ!





সদায় মই কান্দো' (৯৮৭পৃঃ) ইত্যাদি।[৭]

'পদুম কলি' (ইং ১৯৬৮) নামৰ কবিতা পুথিত থকা 'অসম সঙ্গীত' কবিতাত 'সতী জয়মতী সতীত্ব তেজেৰে অসমী আই প্ৰৱল' বুলিছে। আৰু 'ব্ৰহ্মপুত্ৰ সঙ্গীত'ত উষা-অনিৰুদ্ধৰ প্ৰেমাবদ্ধ পৌৰাণিক কাহিনী বৰ্ণনা কৰিছে।' 'কৃষ্ণৰ নিদ্ৰাভঙ্গ' কাব্যাংশত পুত্ৰ-মাতৃৰ স্নেহানুভূতিতত্ত্ব প্ৰকাশ পাইছে। 'বলে নোৱাৰা সুদৰ্শন' (মালতী) কবিতাত প্ৰকৃত প্ৰেমৰ বৰ্ণনা অপূৰ্ব-

'চেনেহী মালতীৰ কোলাত থৈ মূৰটি
মুদমি দুই চকুৰে পতা।' ইত্যাদি।

পৌৰাণিক আখ্যান যুক্ত কাহিনী থকা 'দ্ৰৌপদীয়ে অৰ্জুনক' খাতিছে গুৰু পুত্ৰ অশ্বত্থামাক এৰি দিবলৈ, সত্য ৰক্ষাৰ বাবে স্ব-পুত্ৰক নিধন কৰা আততায়ীক স্ব-গৃহলৈ যাবলৈ দিবলৈ স্বামী অৰ্জুনক খাতিছে। ভাৰতীয় আদৰ্শক কৰ্মফল বিশ্বাসী দ্ৰৌপদীয়ে পঞ্চপুত্ৰ হত্যাত শোক অগনিত পুৰিও আনক নুপুৰিবলৈ আহ্বান জনাইছে। সংসাৰত সুখ-দুখ প্ৰাণী মাত্ৰে প্ৰায়েই, এই সকলোবোৰ ঈশ্বৰৰ ইচ্ছামতে হয় বুলি দ্ৰৌপদীয়ে সান্ত্বনা লভিছে।

বেজবৰুৱাদেৱৰ 'নিমাতী কন্যা'ত আছে- ওপজাৰে পৰা কথা নুফুটা কেৱল হাঁহি ফুটা কেতেকী ফুলৰ পাহি যেন নিমাতী কন্যাই ৰতনপুৰৰ ৰজাৰ ৰূপহী জীয়েক। ৰূপ লাৱণ্যত চাৰিওফালে বিৰিঙা, উদ্বিগ্ন যৌৱনা যুৱতীৰ কথা ফুটাবলৈ কমতাপুৰৰ বীণ কোঁৱৰে সাৰেং, গান্ধাৰ, কামদ ৰাগিনীৰে অমৃত বৰষি নিমাতি কন্যাৰ মাত উলিয়ালে- 'প্ৰাণ প্ৰিয়া' বুলি। ৰতনাপুৰৰ ৰজাই কমতাপুৰীয়া বীণ কোঁৱৰেবে সৈতে নিমাতী কন্যাৰ মূৰত শুভি আকোঁৱালি ধৰি কন্যাদানেৰে পিতৃ দায়িত্ব পালন কৰিলে। বেজবৰুৱাদেৱে লোককথাৰে কাব্যিক ৰূপত ৰূপায়িত কৰি নাৰীসত্ত্বাক জাগ্ৰহ কৰিলে।

ত) বিদেশত আছে পতি
ঘৰত বইছে সতী
মৰম বাতৰি কিবা পায়?
বিৰহত পোৰা নাৰী
মাগি প্ৰেম শান্তি বাৰি
প্ৰণয়ীক প্ৰণয় জনায়?

'মাতৃৰ ভাৱনা চিন্তা'ৰ কথা উক্ত কবিতাটিত আছে।

সতী নাৰীৰ সতীত্বৰ কথা তেওঁ 'বেলিমাৰ' নাটকত গীতটো উল্লেখ কৰিছে-

'শান্তি সীতাৰে সতীত্ব বাস
কৰিব সতে কল্পনা।' (১২১১পৃঃ)

ঋষি কুমাৰ কচ আৰু শুক্ৰাচাৰ্যৰ কন্যা দেৱযানীৰ প্ৰণয়, সংঘাত, অভিমান, প্ৰত্যাখ্যানৰ বৰ্ণনা কাব্য-নাট্যৰীতিৰে পৌৰাণিক আখ্যানটি আধুনিক ৰূপত ৰূপায়িত কৰিছে। এই নাট্যাংশত অভাগিনী নাৰীৰ প্ৰণয় অযতনি অৱহেলা সম্পূৰ্ণ ৰূপে প্ৰদৰ্শিত হৈছে। গুৰুৰ প্ৰিয় শিষ্যই গুৰুকন্যাৰ প্ৰেমক প্ৰত্যাখ্যান কৰি এটি ডাঙৰ আদৰ্শ সমাজত দেখুৱাইছে।

সাহিত্যৰথী বেজবৰুৱাদেৱে 'কবিতা হয় যদি হওক, নহয় যদি নহওঁক' বুলি লিখা কবিতাবোৰেই 'কদম কলি'ত (১৯১৩ চনত) প্ৰকাশিত হয়, তাৰ পাচত আকৌ সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাদেৱৰ সংকলন আৰু সম্পাদনাত 'পদুমকলি' (১৯৬৮ চনত) প্ৰকাশ হয়। এই দুই কবিতাপুথিত বেজবৰুৱাদেৱৰ মুঠ ৭৫(৪৮+২৭) সংখ্যক কবিতা আছে। সাহিত্যৰথী বেজবৰুৱাদেৱে তেওঁৰ এই কবিতাসমূহতে বিবিধ ৰূপত স্ত্ৰী-বিমৰ্শ প্ৰকাশ ঘটাইছে। ইয়াৰ উপৰিও তেওঁৰ কৃপাবৰি ভাবেৰে লিখা অনেক অংশত কাব্যাংশ আছে। সেইবোৰতো স্ত্ৰী-বিমৰ্শ ৰূপ কথন প্ৰকাশ নোপোৱাকৈ থকা নাই। এই নিৱন্ধত সকলোখিনি সামৰিব পৰা নহ'ল।

***

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ মুবিনা বেগম

- ঈশ্বৰক ভক্তি কৰাত জাতি-অজাতি কোনো বিচাৰ নাই, কৃষ্ণক ভক্তি কৰাত সকলোৰে অধিকাৰ আছে। — শংকৰদেৱ
- শিক্ষাৰ ঘাই শিপাডাল তিতা কিন্তু ফলটো হ'লে বৰ মিঠা। — এৰিষ্টটল
- এখন ভাল কিতাপ এজন ভাল বন্ধু বৰ্তমান আৰু ভৱিষ্যতৰ বাবেও। — মাৰ্টিন

# উপনিষদৰ কথাৰে..........

✍ৰূপশ্ৰী দেৱী
অধ্যাপিকা, দৰ্শন বিভাগ

বেদৰ শেষৰ অংশটোকেই 'উপনিষদ' বুলি জনা যায়। উপনিষদ সমূহক সেয়ে বেদৰ অন্ত বা বেদান্ত বুলিও কোৱা হয়। বেদৰ সাৰ ভাগ লৈয়েই উপনিষদসমূহ ৰচিত হোৱাৰ বাবে ইয়াক বেদৰ শিৰোমণি বুলি কোৱা হয়। 'উপনিষদ'ৰ অৰ্থ হৈছে গুৰুৰ ওচৰলৈ গৈ তেওঁৰ কাযত বহি ব্ৰহ্ম বিদ্যা আহৰণ কৰা। উপনিষদসমূহত বিশেষভাৱে আত্মজ্ঞান তথা আত্মবিদ্যাৰেই আলোচনা কৰা হৈছে। 'আত্মাই' ব্ৰহ্ম; গতিকে আত্মবিদ্যাই ব্ৰহ্মবিদ্যা।

উপনিষদত বেদৰ অন্তৰ্নিহিত তাৎপৰ্য্য প্ৰকাশিত হৈছে বাবে ইয়াক 'বেদোপনিষদ' বুলিও কোৱা হয়। উপনিষদৰ মূল দাৰ্শনিক সিদ্ধান্তসমূহক সহজ সৰল কৰি তুলিবৰ বাবে মহৰ্ষি বদৰায়ণে 'ব্ৰহ্মসূত্ৰ' ৰচনা কৰিছিল, য'ত উপনিষদসমূহৰ মূল দাৰ্শনিক তত্ত্বসমূহ অতি সংক্ষিপ্তকৈ প্ৰকাশিত হৈছে। মুখ্য উপনিষদৰ সংখ্যা হৈছে ১২ খন। এই উপনিষদসমূহ হ'ল— ১) ছান্দোগ্য, ২) বৃহদাৰণ্যক, ৩)তৈত্তিৰীয়, ৪) ঐতৰেয়, ৫) কৌশীতকি, ৬) শ্বেতাশ্বৰ, ৭) কঠ, ৮) ঈশ, ৯) কেন, ১০) প্ৰশ্ন, ১১) মুণ্ডক আৰু ১২) মাণ্ডক্য উপনিষদ। এই প্ৰাচীন উপনিষদসমূহৰ দাৰ্শনিক তত্ত্বসমূহ গুৰু-শিষ্যৰ প্ৰশ্নোত্তৰ ছলেৰে বৰ্ণনা কৰা হৈছিল।



উক্ত ১২ খন উপনিষদৰ ভিতৰত মই 'ইশোপনিষদ'ৰ পৰা দুটা শ্লোক উল্লেখ কৰি ইয়াৰ অৰ্থ ও তাৎপৰ্য্য বৰ্ণনা কৰিবলৈ চেষ্টা কৰিম, যিখিনিৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীয়ে অলপ হ'লেও জ্ঞান আহৰণ কৰিব পাৰিব।

হিন্দু ধৰ্মৰ বেদ চাৰিখন। ঋক্‌বেদ, যৰ্জুবেদ, সামবেদ আৰু অথৰ্ববেদ। এই বেদ চাৰিখনৰ দ্বিতীয়খনত অৰ্থাৎ যৰ্জুবেদত মুঠ চল্লিছটা অধ্যায় আছে। এই চল্লিছটা অধ্যায়ৰ অন্তিম অধ্যায়টোৱেই হৈছে 'ইশোপনিষদ্।' এই 'ইশোপনিষদ'ত মাত্ৰ ওঠৰটা শ্লোক বা মন্ত্ৰ আছে। ইয়াৰ প্ৰথম শ্লোকটো হৈছে-

ওঁ ইশা বাস্যমিদং সৰ্বং যৎ কিঞ্চজগত্যাং জগৎ।
তেন ত্যক্তেন ভূঞ্জীয়া মা সৃধঃ কস্যস্বিদ্ধ নম্।।১।।

ইয়াৰ অৰ্থ- (জগতত যিয়েই গতিশীল বস্তু আছে, এই সকলো পৰমেশ্বৰৰ দ্বাৰা আবৃত কৰিব লাগিব। সেই ত্যাগেৰে তুমি নিজ আত্মাক পালন কৰা, কাৰো ধনলৈ লোভ নকৰিবা।)

এই প্ৰথম মন্ত্ৰটোৰ জৰিয়তে 'ইশোপনিষদে' মানুহক এটা বিশেষ ভাৱনাৰে কৰ্ম কৰি যাবলৈ পৰামৰ্শ দিছে অৰ্থাৎ সমস্ত বিশ্বজুৰি পৰমেশ্বৰ অন্তৰ্যামীৰূপে ব্যাপক হৈ আছে- এই ভাৱনা মানুহে আয়ত্ব কৰিব পাৰিলে এটা ত্যাগৰ ভাৱনা নিজে নিজেই আহিব যে, ধন-জন-সম্পত্তি এই সকলো পৰমেশ্বৰৰেই। কাৰ ধনলৈ কোনে লোভ কৰিব তেতিয়া? অথবা ধন সম্পত্তিনো কাৰ? সকলোতে ইশ্বৰেই আছে। মানুহৰ অন্তৰতো আত্মাৰূপে 'ইশ্বৰেই আছে- গতিকে 'এওঁ, তেওঁ, তুমি, মই' এইবোৰ বিচাৰৰ কোনো স্থলেই নাই। সেইদৰে ধন-সম্পত্তি যে বুলিছা সিও কাৰো নহয়। তোমাৰ মোৰ বুলি আত্মসাৎ কৰিবলৈ একোৱেই নাই। গতিকে লোভ নকৰি মোহ এৰি দিয়া। ইশ্বৰৰ দ্বাৰা তোমাৰ কাৰণে যিকণ





পৰিত্যক্ত হৈ আছে তাকে মাথো শান্তিৰে ভোগ কৰা।

এইবাৰ ইশোপনিষদ্‌ৰ তৃতীয় শ্লোকটোলৈ আহিছো—

'অসূৰ্যা নাম তে লোকা অন্ধেন তমসাবৃতাঃ।
তাংস্তে প্ৰেত্যাভিগচ্ছন্তি যে কে চাত্মহনো জনাঃ।।৩।।

ইয়াৰ অৰ্থ— (যিবিলাক আপোনঘাতী লোক তেওঁবিলাকে এই দেহ এৰি গৈ ঘোপমৰা আন্ধাৰে আবৰি থকা অসুৰযোগ্য যিবিলাক লোক আছে তালৈ গতি কৰে।। ৩।)

ইশোপনিষদৰ প্ৰথম মন্ত্ৰত আত্মাক ৰক্ষা কৰা বা পালন কৰাৰ কথা কৈ এই তৃতীয় মন্ত্ৰত যিবিলাকে আত্মাক হনন কৰে, তেওঁবিলাকৰ কি গতি হয়, তাকেই কৈছে।

জ্ঞানৰ পোহৰে আত্মাক পালন বা ৰক্ষা কৰে, পৰমাত্মাৰ স্বৰূপ উপলব্ধি কৰায়। তেনে আত্মাই জন্ম-মৃত্যুৰ পৰা হাত সাৰি আলোকময়, আনন্দময় সত্তাৰ লগত একীভূত হয়। যিবিলাক লোকে পৰমাত্মাৰ জ্ঞান লাভৰ কাৰণে সাধনা নকৰে, আত্মাৰ স্বৰূপ উপলব্ধিৰ কাৰণে যত্ন কৰিবলৈ আগ নাবাঢ়ে, সেই লোকসকলক শ্ৰুতিয়ে আপোনঘাতী বুলি কৈছে। তেনেলোকৰ আত্মা অবিদ্যাৰে ঢাক খাই থকাদি থাকে। তেনে লোকে আত্মা যে অজৰ-অমৰ, স্বপ্ৰকাশ তাৰ গমকে ধৰিব নোৱাৰে আৰু বিশ্বাসো নকৰে। এই কাৰণে আত্মজ্ঞানহীনজন বা আত্মাৰ প্ৰকৃত সৰ্বাত্মস্বৰূপ নজনা জনক আত্মহন্ বা আত্মহত্যাকাৰী বুলি বৰ্ণোৱা হৈছে। এনেয়েও আপোনঘাতী মানুহ ঘোৰ নৰকত পৰে, তেওঁৰ সতকাই উদ্ধাৰ নহয়। মানুহে আত্মহত্যা ধেমালিত নকৰে। মানুহে আত্মহত্যা কৰে ক্ৰোধ, ভয়, কষ্ট, যাতনা, ঘৃণা প্ৰভৃতিৰ উত্তেজনাৰ বশৱৰ্তী হৈ। এই ধৰণৰ ভাব আত্মহত্যকাৰীৰ অন্তিম সময়ত তীব্ৰতম হৈ উদ্দীপ্ত হয়। গতিকে মৰাৰ লগে লগে সূক্ষ্ম শৰীৰৰ মনে এইবোৰো বোকোচাত বান্ধি লৈ যায়গৈ। ইয়াৰ তিক্ততা, যাতনাই লগ নেৰা হয়। অৰ্থাৎ তেনে জীৱই শান্তি নাপায়; দুৰ্ঘোৰ যাতনা ভোগ কৰে। পূৰ্বৰ শুভ-অশুভ কৰ্ম অনুসৰিয়েই জীৱই বিভিন্ন যোনিত, বিভিন্ন ৰূপত জন্ম লৈ জীয়াতু ভোগে অথবা সুখ ভোগ কৰে পৰম আনন্দেৰে।

আমাৰ উপনিষদ সমূহৰ এই ধৰণৰ দাৰ্শনিক তথা আধ্যাত্মিক তত্ত্ববোৰৰ কিছু কিছু অংশ যদি সহজ সৰল ভাষাৰে বুজিব পৰাকৈ পাঠ্যপুথিত সন্নিবিষ্ট কৰা হয়, আৰু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শৈশৱ কালতেই যদি এনে ধৰণৰ এটি বা দুটি মন্ত্ৰ হৃদয়ঙ্গম কৰিব পাৰিলেহেঁতেন, তেনেহ'লে নিশ্চয় বৰ্তমানৰ যুৱপ্ৰজন্মৰ যি স্খলন, হতাশা, নিৰাশা, অস্থিৰতা আদিবোৰ অলপ হ'লেও নকমিল হেঁতেন নে চাগৈ?

*(উপনিষদৰ সহায় লৈ... ।)*

***

## তিনিৰ মহত্ব

- ◎ তিনিটা বস্তুৰে জীৱনত কাৰো অপেক্ষা নকৰে— জন্ম, মৃত্যু আৰু সময়।
- ◎ তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়— পিতৃ, মাতৃ আৰু গুৰু।
- ◎ তিনিজনক সদায় সন্মান কৰিব লাগে— পিতৃ, মাতৃ আৰু গুৰু।
- ◎ তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে— কাম, ক্ৰোধ আৰু মোহ।
- ◎ তিনিটা বস্তুৰ পৰা নিজকে বচাই চলিব লাগে— কুসংগ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।
- ◎ তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে— নাবালক, ভোকাতুৰ আৰু পাগল।
- ◎ তিনিটা বস্তু ওলাই গ'লে ঘূৰি নাহে— শৰ, মুখৰ কথা আৰু প্ৰাণবায়ু।
- ◎ তিনিটা কথা কেতিয়াও পাহৰিব নালাগে— কৰ্তব্য, ঋণ আৰু আত্মসন্মান।
- ◎ তিনিটা বস্তুৰে জীৱন নষ্ট কৰে— কু-চৰিত্ৰ, আলস্য আৰু অহংকাৰ।
- ◎ তিনিটা বস্তুৰে আয়ুস কমায়— অসৎ চিন্তা, পৰৰ অনিষ্ট আৰু পৰৰ চৰ্চা।
- ◎ তিনিটা বস্তুৰে জীৱন মহৎ কৰি তোলে— সৎ চিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন।
- ◎ তিনিটা বস্তুক সদায় সন্মান কৰি চলিব লাগে— ভগৱান, মৃত্যু আৰু প্ৰেম।

# পৰিৱৰ্তনৰ দিশত অসমৰ সমাজ-সংস্কৃতি

✍ৰৌজবিন কৌৰ
স্নাতক দ্বিতীয় বৰ্ষ

মানৱ সৃষ্টিৰ কাহিলি পুৱাতে সম্পূৰ্ণ মানৱৰূপে সৃষ্টি হোৱাৰ পিছত মানুহে অঘৰী জীৱনৰ অৱসান ঘটাই গাঁও পাতি স্থায়ীভাৱে বাস কৰিবলৈ ল'লে। জীৱনৰ প্ৰতিটো খোজতে মানুহে সংগ্ৰাম কৰিব লগা হৈছিল বনৰীয়া হিংস্ৰ পশুৰ পৰা আত্মৰক্ষা কৰিবলৈ। তাৰোপৰি পিছত বহুত ফৈদ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত ফৈদ বিলাকৰ মাজত পৰস্পৰে যুঁজ বাগৰত ব্যস্ত থাকিব লগা হৈছিল। প্ৰতিটো ফৈদে নিজৰ মাজতেই সৃষ্টি কৰি লৈছিল এজন দলপতি, যিজনৰ ওচৰত তেওঁলোকে নিজকে অৰ্পন কৰিছিল আৰু তেওঁলোকক ৰক্ষা কৰাৰ ভাৰ তেওঁৰ ওচৰতেই এৰি দিছিল। বহু যুগৰ পিছত তেওঁলোকে সেইজনকেই ৰজা বুলি স্বীকাৰ কৰি লৈছিল আৰু সেই ৰজাজনে তেওঁলোকক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দি সুচাৰুৰূপে তেওঁলোকৰ এলেকাটোত শাসন চলাইছিল। কালক্ৰমত বেলেগ বেলেগ ফৈদ বিলাকক জয় কৰি এখন সৰু ৰাজ্যৰ অধিকাৰী হৈছিল। ক্ৰমান্বয়ে সেই ৰাজ্যৰ পৰিধি বাঢ়ি গৈ এখন বিশাল সাম্ৰাজ্য গঢ়ি উঠিছিল।

অঘৰী জীৱন শেষ হোৱাৰ পিছতেই আদিম মানৱে যেতিয়া কৃষি কৰ্ম কৰিবলৈ শিকিলে তেতিয়াই চিকাৰী জীৱনৰ অন্ত পেলালে। তাৰ পিছত নিৰ্দিষ্ট সময়ত খেতিৰ কাম কৰাৰ পিছত আৰু খেতি চামৰাৰ অন্তত তেওঁলোকে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰি ঈশ্বৰ চিন্তা কৰিবলৈ সুবিধা পালে। মন-প্ৰাণ সপি একাগ্ৰচিত্তে ঈশ্বৰ সাধনাত ব্ৰতী হোৱাৰ অন্তত তেওঁলোকৰ মনলৈ ধৰ্মৰ চিন্তা আহিল। ধৰ্মৰ ব্যতিৰেকে তেওঁলোকৰ আধ্যাত্মিক উন্নতি নহ'ব বুলি প্ৰত্যয় জন্মিছিল। অন্যায়, অনীতি, অকাৰ্য, অধৰ্ম এই সকলোবিলাক মনৰ পৰা গুচাব পাৰিলেহে তেওঁলোকক ঈশ্বৰে কুশলে ৰাখিব। এনেধৰণৰ চিন্তা চৰ্চাৰ পৰাই সৃষ্টি হ'ল ধৰ্ম। তেওঁলোকে ধৰ্মক সৰোগত কৰি বিভিন্ন পূজা অৰ্চনা কৰিবলৈ শিকিলে।



কৃষি কৰ্ম কৰিবলৈ যেতিয়া আদিম মানৱে গাঁও পাতি বাস কৰিবলৈ ল'লে তেতিয়া তেওঁলোকে গাঁৱত থাকিবৰ নিমিত্তে কিছুমান ৰীতি-নীতি প্ৰৱৰ্তন কৰিলে আৰু সেই ৰীতি-নীতিখিনি প্ৰৱৰ্তন কৰিবলৈ সমাজ গঠন কৰিলে। সমাজখন সু-শৃংখল কৰি ৰাখিবলৈ কঠোৰ আইনৰ ব্যৱস্থা কৰিলে। সময়ত সেই সমাজৰ পৰিসৰ বৃদ্ধি হ'বলৈ ধৰিলে। এখন বিশাল সাম্ৰাজ্যৰ সমাজ বেমেজালি নোহোৱাকৈ পৰিচালনা কৰাৰ দায়িত্ব পৰিছিল গাঁওবিলাকৰ মুৰব্বীসকলৰ ওচৰত। লাহে লাহে সময় বাগৰিল। এচাম মৰাৰ পিছত আনচাম আহিল। সমাজৰ ৰীতি-নীতিবোৰ একেই থাকিল। এনেদৰেই যুগ যুগান্ত পাৰ হ'ল। ভাৰতবৰ্ষত বেদ, ৰামায়ণ, মহাভাৰতৰ যুগো শেষ হ'ল। আধ্যাত্মিকতাপূৰ্ণ এই বেদ, ৰামায়ণ আৰু মহাভাৰতৰ আদৰ্শপূৰ্ণ নীতিয়ে





ভাৰতীয় লোকৰ গাত স্থিতি লভিলে, যি স্থিতি আজিলৈকে সলনি হোৱা নাই। এই আদৰ্শ আগত ৰাখিয়েই ভাৰতবৰ্ষত হিন্দু ধৰ্মৰ খোপনি পুতি এজোপা বিশাল গছ হৈ ভাৰতীয় সংস্কৃতিলৈ ৰূপান্তৰ হ'ল। বিভিন্ন প্ৰান্তত বাস কৰা লোক সকলৰ ভাষা অপভ্ৰংশ হৈ আঞ্চলিক ভাষাত পৰিণত হ'ল। অসম মুলুকতো এই আঞ্চলিক ভাষাই গা কৰি অসমীয়া ভাষাৰূপে স্বীকৃতি পাইছে। অসমত বহুতো জনগোষ্ঠী আছে। এই জনগোষ্ঠী সমূহৰ নিজা নিজা ৰীতি-নীতি আৰু ভাষাৰ প্ৰচলন আছে। প্ৰতিটো জনগোষ্ঠীয়ে নিজা নিজা ভাষাত কথা কয় আৰু তেওঁলোকৰ ৰীতি-নীতি পালন কৰে। বাহিৰত তেওঁলোকে অসমীয়া ভাষাৰ লগত কথাৰ আদান-প্ৰদান কৰে। অসমীয়া ভাষাৰ লিখিত ৰূপ আমি খৃষ্টীয় দশম শতিকা মানত বৌদ্ধ চৰ্য্যাগীত সমূহৰ পৰাহে পাওঁ। ইয়াৰ আগত আমি অসমীয়া ভাষাৰ লিখিত ৰূপ নাপাওঁ, কিন্তু মৌখিক ভাষাৰ ৰূপ পাওঁ। অসমত অধিক সংখ্যক মানুহেই হৈছে তীব্বত ধৰ্মীয় গোষ্ঠীৰ। তেওঁলোকে অষ্ট্ৰীয়, খাচীয়া সকলক পাহাৰ অঞ্চললৈ খেদি পঠিয়াই ব্ৰহ্মপুত্ৰৰ গোটেই উপত্যকা অঞ্চল অধিকাৰ কৰে। তেওঁলোকৰ ভিতৰতো বহুতো ফৈদ আছিল। খৃঃপূঃ ১০০ বছৰৰো আগতে প্ৰাচীন কামৰূপত তিব্বত ধৰ্মী বা কিৰাটি বংশৰ ৰজাই ৰাজত্ব কৰিছিল। এওঁলোক হিন্দু শৈৱ পন্থী লোক আছিল। তাৰ পিছত নৰকাসুৰ-ভগদত্ত আদি ৰজাসকলে কামৰূপত ৰাজত্ব কৰে। কিৰাত বা তিব্বতধৰ্মীসকলে খৃঃপূঃ কেইবা শতাব্দী জুৰি শাসনকাৰ্য চলোৱাত হিন্দুধৰ্ম বা ব্ৰাহ্মণ পুৰুহিতৰ প্ৰভাৱ পৰিছিল। এই শ্ৰেণীৰ লোকৰ মাজত বহুতো ফৈদ, উপফৈদ থকাত আৰু তেওঁলোকৰ মাজত মিল নথকাত বেলেগ এটা ফৈদে শাসন কাৰ্য চলোৱাত সমাজত বেমেজালি হৈছিল আৰু তাৰ ফলত সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত নেতৃত্ব দিব পৰা নাছিল। কিন্তু পিছত আৰ্যসকলৰ সংস্পৰ্শত তেওঁলোকৰ নিৰ্দ্ধাৰিত নীতি নিয়মৰ গণ্ডিত পৰি অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশটোৰ উন্নতি সাধন হয়। এইখিনিতে উল্লেখযোগ্য যে অতীতৰ পৰা বাস কৰি থকা অনাৰ্য বংশই প্ৰতিষ্ঠা কৰা ভেটিতহে আৰ্য সংস্কৃতিৰ ভেটি কামৰূপত গঢ়ি উঠিছিল।

এই ধাৰাবাহিকতা খৃঃপূঃ প্ৰথম আৰু দ্বিতীয় শতিকালৈকে অব্যাহত আছিল। পিছত মধ্যযুগত অসমত বাস কৰা কোঁচ, কছাৰী, চুতীয়া, আহোম আদি ফৈদৰ ৰজাসকলৰ চেষ্টাত হিন্দু সংস্কৃতিৰ উন্নতি সাধন হয়। তাৰোপৰি নৱ-বৈষ্ণৱ ধৰ্মইয়ো হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ উন্নতিত অৰিহণা যোগায়। সাংস্কৃতিক সমন্বয়ৰ জৰিয়তে অসমীয়া সমাজখন সু-শৃংখলিত হোৱাত তিনিটা পক্ষই আগভাগ লৈছিল। সেইকেইটা ক্ৰমে—

১। ব্ৰাহ্মণ পুৰোহিত আৰু স্মৃতিকাৰসকল।
২। বিভিন্ন ৰাজবংশৰ ৰজাসকল।
৩। নৱ বৈষ্ণৱ ধৰ্মৰ গুৰিয়ালসকল।

এই তিনিও শ্ৰেণীৰ লোকৰ সান্নিধ্যত অসমত বাস কৰা খিলঞ্জীয়া সকলে তেওঁলোকৰ নিজা নিজা মনোবৃত্তিৰে বেলেগ বেলেগ মঠ মন্দিৰ নিৰ্মাণ কৰিছিল। গতিকে দেখা যায় অসমীয়া সমাজখনক সংস্কৃতিৰ বচিৰে বান্ধিব খুজিলেও সময়ৰ পৰিবৰ্তনত ই সেই বচিৰ পৰা ওলাই যাব বিচাৰে।

মধ্যযুগ পাৰ হৈ বৰ্তমান আধুনিক যুগত ভৰি দিলেহি। এই আধুনিক যুগত অতীত অসমৰ সংস্কৃতিয়ে সমাজৰ পৰম্পৰা ভাঙি যান্ত্ৰিক ভাৱধাৰাত অনুপ্ৰাণিত হৈ ধাৱমান হৈছে অন্য এখন নতুন সমাজ গঢ়িবলৈ। যিখন সমাজত আছে প্ৰতিযোগিতা। ধনীসকলে অধিক ধন আহৰণ কৰিবলৈ, দুৰ্নীতিগ্ৰস্থ সকলে আনক লুটপাট কৰিবলৈ, ব্যৱসায়ী সকলে ঠগ প্ৰৱঞ্চনা কৰি ধন আৰ্জিবলৈ টনা আজোৰা কৰাত মূল সমাজখন ভাগি পৰাৰ সম্ভাৱনাই দেখা দিছে। বিভিন্ন ধৰ্মৰ হেঁচাত অসমীয়াৰ অস্তিত্ব বিপন্ন অথবা মৰণমুখী হোৱাৰ প্ৰৱণতা প্ৰবল যেন দেখা গৈছে। আমি অনুমানহে কৰিব পাৰো। কিন্তু ইয়াৰ সঠিক প্ৰয়োগ ঘটাব নোৱাৰো।

লাহে লাহে যুগবোৰ পাৰ হৈ শতাব্দী অতিক্ৰম কৰিব। প্ৰশ্ন হয়- অসমীয়া সমাজখনৰ স্থিৰতা থাকিবনে? আধুনিকতাৰ গৰম পৰশত উঠি অহা প্ৰজন্মই পৌৰাণিকক এৰিবলৈ কুণ্ঠাবোধ নকৰিব।

বৰ্তমান আমি আশা কৰো সুস্থ সমাজ। য'ত থাকিব মহাপুৰুষসকলে দান দি থৈ যোৱা আপুৰুগীয়া কৃষ্টি আৰু সংস্কৃতি। অসমখন হৈছে কৃষ্টিৰ ভঁৰাল। অসমৰ চুকে কোনে সিঁচৰতি হৈ আছে এই কৃষ্টি। যিহেতু অসমখন বিভিন্ন জনগোষ্ঠীৰ আবাসভূমি সেয়ে প্ৰতিটো মানৱ গোষ্ঠীৰ মাজত সোমাই আছে সাঁচতীয়া অথবা আৱিস্কৃত নোহোৱা কৃষ্টিৰাজী। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই এই কৃষ্টিৰ সন্ধানত পাহাৰ ভৈয়াম একাকাৰ কৰি সেই সোন চেকুঁৰা বুটলি আনি অসমৰ বৃহৎ সংস্কৃতিত গাঠি দিছিল। অসমত এখন বৃহৎ অসমীয়া সমাজ গঠন কৰিবলৈ বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণ ঘটাই উমৈহতীয়া মঞ্চ তৈয়াৰ কৰিব লাগিব। অৱশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই কামত যথেষ্ট সফলতা অৰ্জন কৰিছিল।

সময় যিহেতু পৰিবৰ্তনশীল গতিকে ইয়াৰ টৌত পৰি অধিক সংস্কৃতি সম্পন্ন অসমীয়া সমাজখনে বাগৰ সলাইছে। বৰ্তমান সমাজখন যিহেতু গুৰিয়াল বিহীন নাবৰ দৰে সেয়ে অতীতৰ পৰা বসবাস কৰি থকা সকলো উমৈহতীয়া জনগোষ্ঠীয়ে তেওঁলোকৰ নিজা সংস্কৃতিৰ ভেটি গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছে।

ইয়াৰ ফলশ্ৰুতিত দেখা গৈছে প্ৰত্যেকেই স্বাধীন হৈ থাকিবলৈ বিচাৰি গঢ়ি তুলিছে আন্দোলন। উদাহৰণ স্বৰূপে বড়োসকলে বিচৰা পৃথক বড়োলেণ্ড, তিৱাসকলে বিচৰা স্বায়ত্ত শাসন, ঠিক তেনেদৰে কছাৰী, আহোম, চুতীয়া, মটক, মৰাণ আদি জনগোষ্ঠীসকলে দাবী তোলা তেওঁলোকৰ অনুভূতি সমূহ।

বিভিন্ন ভাষা-ভাষী সকলক আৰু তেওঁলোকৰ নিজা কৃষ্টিৰে ঠাহ খাই থকা অসমভূমিত সিঁচৰতি হৈ থকা সমগ্ৰ জাতিটোক একতাৰ ডোলেৰে বান্ধি একত্ৰিত কৰিলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। বাৰে ৰহনীয়া ভাষাৰে কথা কোৱা মানুহখিনিক শুদ্ধ ভাষাৰ সোৱাদ দিলে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই। পৰিস্ফুট কিন্তু প্ৰসাৰ নথটা সংস্কৃতিক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই দিলে এক মজবুত সংস্কৃতি। জীৱনটোত হাবুডুবু খাই থকা অসমীয়াই সাৰ পাই উঠিল নিজৰ হেৰুওৱা সম্বল গোটাবলৈ। সকলোৱে স্বমুখে স্বীকাৰ কৰি ল'লে অসমৰ বাৰে ৰহনীয়া সংস্কৃতিক। এতিয়া সকলোৱেই নিজৰ সংস্কৃতিক জাউতিযুগীয়া কৰাৰ প্ৰতিযোগিতাত নামিছে বিশ্ব দৰবাৰত নিজৰ অস্তিত্ব প্ৰতিষ্ঠা কৰিবলৈ।

আমি যিমানেই আমাৰ সংস্কৃতিক ৰক্ষা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো সিমানেই আধুনিক সংস্কৃতিৰ আগ্ৰাসনে পুৰণি সংস্কৃতিক ম্লান পেলাইছে। উদাহৰণ স্বৰূপে আমি অসমীয়া সাজপাৰলৈকে চাব পাৰো। পুৰুষে ব্যৱহাৰ কৰা ধুতি-কুৰ্তা বৰ্তমান ১০ শতাংশইহে ব্যৱহাৰ কৰে। তেনেকৈ মহিলাই ব্যৱহাৰ কৰা চাদৰ-মেখেলা গাঁও অঞ্চলত ৬০ শতাংশই ব্যৱহাৰ কৰে। তেনেদৰে খাদ্যৰ ক্ষেত্ৰতো বহু পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। শিক্ষাৰ ক্ষেত্ৰত, যুৱক-যুৱতীৰ মাজত ৰুচিৰ ক্ষেত্ৰত, বিয়াবাৰুৰ ক্ষেত্ৰত, আচাৰব আদিৰ ক্ষেত্ৰত আৰু অন্যান্য বহুতো দিশত পৰিবৰ্তনৰ এটা আন্দোলন হৈছে। এই গোটেইখিনিয়ে অসমৰ সংস্কৃতিৰ ওপৰত প্ৰভাৱ পেলাইছে। আহি থকা শতিকাত ভৱিষ্যত প্ৰজন্মই তাক ধৰি ৰখাতো সম্ভৱ নহ'ব। সৰুৰ পৰা বুঢ়ালৈকে সকলোৱেই সংস্কৃতি ৰক্ষাত তৎপৰ হ'ব লাগিব। তৎপৰতা নাথাকিলে সমাজখন তঙ্গুৰ হৈ যাব। ক্ষণ ভঙ্গুৰ সমাজখনে পুনৰ আকৌ ঠন ধৰি উঠিবলৈ বহু যুগ বাট চাব লাগিব। গতিকে সমাজখন ধৰি ৰাখিবলৈ সকলো জাতি-উপজাতিৰ লগত সম্ভাৱ আৰু সংহতি স্থাপন কৰিব লাগিব। সংহতি নাথাকিলে অচিৰেই যে অসমীয়া জাতি চিৰনিদ্ৰাত পৰিব ই ধ্ৰুৰূপ। সেই কাৰণে আমি সকলোৱেই সমাজ ৰক্ষাত ব্ৰতী হ'ব লাগিব; তেহে সমাজ আৰু সংস্কৃতি বৰ্তিব।

***

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ মুবিনা বেগম

- ভয়ৰ জৰিয়তে জন্ম হোৱা ভক্তি কূপাতৰ পানীৰ দৰেই ক্ষন্তেকীয়া। — হেম বৰুৱা
- কিতাপৰ মাজতেই মোৰ জন্ম হৈছিল আৰু কিতাপৰ মাজতেই মোৰ মৃত্যু হ'ব। — জঁপল চাত্ৰে
- শিশু হ'ল এখন কিতাপ, যাৰ প্ৰতিটো পৃষ্ঠা শিক্ষকে অধ্যয়ন কৰিব লাগিব। — ৰুছো
- ভাল অসমীয়া নহ'লে ভাল ভাৰতীয় হ'ব নোৱাৰি আৰু ভাল ভাৰতীয় নহ'লে বিশ্বৰ পঙ্গুৰ স্থান নাই। — ড° ভূপেন হাজৰিকা
- সময় যদি থাকে সেই সময় ভাল কামত, সৃষ্টিশীল কামত খৰচ কৰিব লাগে। — ড° ভবেন্দ্ৰ নাথ শইকীয়া
- মোক স্বৰ্গ নালাগে, বৈকুণ্ঠ নালাগে। সুজলা-সুফলা অসম ভূমিত মই বাৰে বাৰে জনম ল'ম। — পিয়লি ফুকন
- মানুহে যিমানে পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে। — জৱাহৰলাল নেহৰু





# অধ্যৱসায়

✍জগজিৎ কৌৰ
স্নাতক দ্বিতীয় বৰ্ষ

জীৱন মানেই হ'ল এক জটিল প্ৰক্ৰিয়া। জীৱনৰ গতিপথ কাঁইটেৰে ভৰা। জীৱনৰ কাঁইটেৰে ভৰা পথটো অতিক্ৰম কৰি যাওঁতে বহুতো ঘাত-প্ৰতিঘাটৰ সন্মুখীন হ'ব লগা হয়। যিজনে হাজাৰ ঘাত-প্ৰতিঘাটকো নেওচি জীৱনৰ পথত অগ্ৰসৰ হৈ নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে তেওঁহে প্ৰকৃত মানুহ। ভগৱানৰ প্ৰতি যাৰ অটল বিশ্বাস তেওঁলোকে হাজাৰ বিপদ-আপদ, বাধা-বিঘিনিতেও বিচলিত হোৱা অনুচিত। জগতৰ প্ৰতিটো অনু-পৰমাণুৰ মাজত ভগৱানৰ অস্তিত্ব নিহিত হৈ থাকে। কিন্তু কেতিয়াবা গভীৰ আশ্বাসৰ মাজতো সন্দেহৰ অৱকাশ থাকি যায়; জীৱনত ঘটি থকা বিপৰ্যয়বোৰৰ কাৰণেই। একাগ্ৰ সাধনা থাকিলে লক্ষ্য সদায় সফল হ'বই। উৎসাহেৰে কৰা কাম সহজ আৰু সুন্দৰ হয়। হেঁপাহে সেই উৎসাহ প্ৰবল কৰি তোলে। প্ৰবল উৎসাহৰ আগত কোনো বাধা-বিঘিনিয়েই টিকিব নোৱাৰে কামত আগুৱান হ'লে কৃতকাৰ্য অনিবাৰ্য। চঞ্চল মানুহে প্ৰতিজ্ঞা কৰি কাম কৰিব নোৱাৰে বাবে কৃতকাৰ্য নহয়। মানুহৰ জীৱনৰ উন্নতিৰ বাট-পথ বাধা-বিঘিনিৰে কণ্টকপূৰ্ণ। তাক অতিক্ৰম কৰিবলৈ হ'লে মনৰ দৃঢ়তা লাগিব। মহৎলোকৰ জীৱনৰ চানেকিয়ে সেই আকাংক্ষা দৃঢ় কৰি উন্নতি লাভত মানুহক সহায় কৰে। উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। উপদেশে যি কাৰ্য সাধন কৰিব নোৱাৰে আৰ্হিয়ে তাতোকৈ বেছি মহৎ কাৰ্য সাধন কৰিব পাৰে। আৰ্হিৰ আগত অসাধ্য বুলি কোনো কাম থাকিব নোৱাৰে। অধ্যাৱসায় সংগ্ৰামীৰ জীৱনৰ মূলধন। অধ্যাৱসায় মনত লুকাই থকা প্ৰতিটো জ্ঞানৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে। গোলাপ ফুলৰ ৰাণী। ইয়াৰ সৌন্দৰ্যত সকলো বিমোহিত হয়। গোলাপৰ সৌন্দৰ্যও ক্ষণস্থায়ী। এবাৰ মৰহি গলে সি পুনৰ মনোৰম সৌন্দৰ্যৰে জগতক বিমোহিত কৰিব নোৱাৰে। সেয়েহে সময় থাকোঁতেই আমি তাৰ সৌন্দৰ্য আৰু সুবাস উপভোগ কৰিব লাগিব। সেইদৰে সময়ৰ গতিত অবিৰত সময়কো কোনেও ধৰি ৰাখিব নোৱাৰে। গতিকে মানুহৰ আশাৰ পূৰ্ণতা লাভ কৰিবলৈ হ'লে সময় থাকোঁতেই চেষ্টা কৰা উচিত। সময় উকলি যোৱাৰ পাছত জীৱনৰ আশা-আকাংক্ষা, কামনা-বাসনা সকলো অপূৰণীয় হৈয়ে ৰ'ব আৰু তেতিয়া জীৱনো ব্যৰ্থতা আৰু হাঁ হুমুনিয়াহেৰেই ভৰপূৰ হ'ব। আনহাতেদি জীৱনো ক্ষণস্থায়ী। কোন মুহূৰ্তত শেষ হয় তাৰ নিশ্চয়তা নাই। সেইবাবেই সময় থাকোঁতেই কামবোৰ সমাধান কৰিবলৈ চেষ্টা কৰা উচিত।

মানুহে জীৱনত আত্ম-প্ৰতিষ্ঠা কৰিবলৈ হ'লে অধ্যৱসায়ৰ অতি প্ৰয়োজন। অধ্যৱসায় উদ্গতিৰ আটাইতকৈ শক্তিশালী চাবি-কাঠি। অধ্যৱসায়ে মানুহক সংগ্ৰামী হ'বলৈ শিকায়। যিকোনো পৰিস্থিতিত বাধা-বিঘিনিক প্ৰত্যাহ্বান জনাবলৈ সাহস যোগায়। মানুহে যেতিয়া দুৰ্বাৰ সাহসৰ গৰাকী হয় তেতিয়া মানুহেই সাধনাত সফলতা লাভ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ব। যেতিয়াই কৰ্মই মানুহক নিজৰ বাট দেখুৱাই দিব, তেতিয়া কৃতকাৰ্যতা নিজেই মানুহৰ সন্মুখত দেখনীয় হ'ব। কোনো মানুহে জন্মৰ লগতে ধন, মান, যশৰ গৰাকী হৈ সোনৰ চৰুত হাত দি নজন্মে। এইবোৰ পাবলৈ হ'লে অধ্যৱসায়ৰ প্ৰয়োজন।

মুঠতে যিজনে অচল অটল কাৰ্য সম্পাদন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ তেওঁলোকৰ জীৱনলৈ হতাশা, ব্যৰ্থতা, অকৃতকাৰ্যতা আহিবই নোৱাৰে। জীৱনৰ কৰ্মৰ দ্বাৰাই জীৱনৰ মূল্য নিৰ্দ্ধাৰিত হয়। সেয়েহে শৈশৱৰে পৰা কৰ্ম অনুশীলন কৰি সমাজৰ কল্যানৰ ব্ৰতত আমি ব্ৰতী হোৱা উচিত।

***

# দৰ্শনৰ ওপৰত মোৰ অভিজ্ঞতা

✍বিপুমনি বৰা
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ প্ৰিয় বিষয়ৰ ভিতৰত এটা অন্যতম বিষয় হৈছে Philosophy যাৰ অৰ্থ হৈছে দৰ্শন। দৰ্শন শব্দটোৰ মাজত বহুত কথা সোমাই আছে যাক অধ্যয়নৰ যোগেদিহে বুজিব পৰা যায়। Philosophy বিষয়টোৰ পৰিসৰ অতি বিস্তৃত ইয়াত দৃশ্যমান জগতৰ অন্তৰালত থকা পৰমসত্ত্বাৰ স্বৰূপৰ সন্ধান কৰি তাৰ মূল্য নিৰ্দ্ধাৰণ কৰে। এই বিষয়টো অধ্যয়ন কৰাৰ ক্ষেত্ৰত আমাৰ অধ্যাপিকা শ্ৰী ৰূপশ্ৰী দেৱী বাইদেউ আৰু শ্ৰী মনোৰঞ্জন দাস ছাৰে বহুখিনি সহায় সহযোগিতা আৰু লগতে অতি মৰম আৰু যত্নেৰে বিষয়টো বুজাত সহায় কৰি আহিছে। হয়তো আজি তেওঁলোকৰ মৰম আৰু যত্নৰ বাবেই এই বিষয়টোৰ ওপৰত একলম লিখিম বুলি আগবাঢ়িছো।

ইংৰাজী Philosophy শব্দটো পাশ্চাত্য জগতত দৰ্শন অৰ্থত ব্যৱহাৰ কৰা হয়। Philosophy শব্দটো philos আৰু sophia এই দুটা গ্ৰীক শব্দৰ পৰা আহিছে। philos ৰ শব্দৰ অৰ্থ হৈছে 'প্ৰীতি' বা অনুৰাগ আৰু sophia শব্দৰ অৰ্থ হৈছে 'জ্ঞান'। গতিকে Philosophy শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে জ্ঞানৰ প্ৰতি প্ৰীতি বা অনুৰাগ। দৰ্শনে এই দৃশ্যমান জগতৰ অন্তৰালত থকা পৰমসত্ত্বাৰ স্বৰূপৰ সন্ধান কৰি সমগ্ৰ জগত আৰু জীৱন সম্বন্ধে সুসংগত, যুক্তিনিষ্ঠ আৰু সামগ্ৰিক ব্যাখ্যা দিয়াৰ চেষ্টা কৰে। গতিকে জগত আৰু জীৱনৰ চৰম আৰু সামগ্ৰিক ব্যাখ্যা কৰি ইয়াৰ মূল্য নিৰ্দ্ধাৰণ কৰাকে সাধাৰণতে দৰ্শন বোলে।

দৰ্শনৰ অন্তৰ্ভুক্ত বিষয়বোৰেই হৈছে দৰ্শনৰ পৰিসৰ। সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডত জ্ঞান অন্বেষণ কৰা বিষয়টোৱেই হ'ল দৰ্শন। গতিকে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডই দৰ্শনৰ আলোচ্য বিষয়। দৰ্শনৰ আলোচ্য বিষয়বোৰক মূলতঃ চাৰিটা ভাগত ভাগ কৰা হৈছে। ভাগকেইটা হৈছে—

১। অধিবিদ্যা বা পৰবিদ্যা।
২। প্ৰকাশবিদ্যা বা ৰূপবিদ্যা।
৩। মূলবিদ্যা।
৪। জ্ঞানবিদ্যা।

তলত প্ৰতিটোৰে চমু আলোচনা আগবঢ়োৱা হ'ল—

১। <u>অধিবিদ্যা বা পৰবিদ্যা</u> ঃ অধিবিদ্যা বিভাগত দৰ্শনে দৃশ্যমান জগতৰ অন্তৰালত থকা বস্তুৰ প্ৰকৃত ৰূপৰ বিষয়ে আলোচনা কৰা হয়। জড়, মন, প্ৰাণ, আত্মা, দেশ, কাল, ঈশ্বৰ আদিৰ প্ৰকৃত স্বৰূপ আৰু ইহঁতৰ পাৰস্পৰিক সম্বন্ধ নিৰ্ণয়ে এই বিভাগৰ মূল আলোচ্য বিষয়।

২। <u>প্ৰকাশ বিদ্যা</u> ঃ দৰ্শনৰ এই বিভাগত বস্তুৰ প্ৰকাশ্য ৰূপৰ বিষয়ে আলোচনা কৰা যায়। প্ৰকাশ্য ৰূপৰ মাধ্যমেৰে প্ৰকাশবিদ্যা বিভাগত বস্তুৰ অপ্ৰকাচ্য ৰূপৰ সন্ধানত প্ৰবৃত হোৱা যায়। বস্তুৰ বাহ্যিক ৰূপ আৰু আভ্যন্তৰিক ৰূপ এই দুয়োটাই যিহেতু আলোচনা কৰাটো প্ৰয়োজন সেয়ে প্ৰকাশবিদ্যা দৰ্শনৰ আলোচ্য বিষয়।

৩। <u>মূলবিদ্যা</u> ঃ দৰ্শনে পৰমসত্ত্বাৰ জ্ঞানৰ আধাৰত বস্তুৰ মূল্য নিৰ্দ্ধাৰণৰ চেষ্টা কৰে। মূল্যনিৰ্ধাৰণৰ বাবে এক আদৰ্শৰ প্ৰয়োজন। সেইবাবে এই বিভাগত দৰ্শনে মূল্য, আদৰ্শ আদিৰ যথাৰ্থ স্বৰূপ, সম্বন্ধ আদি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। বিজ্ঞানৰ পৰিসৰ দৰ্শনৰ তুলনাত সংকীৰ্ণ কাৰণ বিজ্ঞানে বিষয়বস্তুৰ ব্যাখ্যা দিয়ে কিন্তু এইবোৰৰ মূল্য নিৰ্দ্ধাৰণ নকৰে। আনহাতে দৰ্শনে বিষয়বস্তুৰ ব্যাখ্যা দিয়াৰ লগতে এইবোৰৰ মূল্য নিৰ্ধাৰণৰ চেষ্টা কৰে। বিজ্ঞানে প্ৰকৃতিৰ একো একোটা বিভাগ সম্পৰ্কে শৃংখলাবদ্ধভাৱে খৰচি মাৰি আলোচনা কৰে সেয়েহে বিজ্ঞানৰ দৃষ্টিভংগী আংশিক। আনহাতে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডই হৈছে দৰ্শনৰ আলোচ্য বিষয়। বিশ্বত এনে কোনো বস্তু নাই যি দৰ্শনৰ আলোচনাৰ বিষয় নহয়।

***





# জীৱনী সাহিত্যিক উপেন্দ্ৰ বৰকটকীৰ সৈতে.....

## অন্তৰঙ্গ আলাপ ......

উপেন্দ্ৰ বৰকটকী

**☞আপোনাৰ জীৱনত সাহিত্য সাধনাৰ প্ৰেৰণাৰ উৎস ?**

✍ ঃ প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয়-তৃতীয় শ্ৰেণীত পঢ়ি থাকোঁতে সাহিত্যৰ প্ৰতি মোৰ আগ্ৰহ হৈছিল। সৰুতে মই কেইটামান শ্ৰেণী মামাহঁতৰ ঘৰত থাকি পঢ়িছিলোঁ। মামাৰ এটা ব্যক্তিগত পুথিভঁড়াল আছিল। সেই সৰু পুথিভঁড়ালটোৱে মোৰ বাহিৰা কিতাপৰ প্ৰতি ধাউতি বঢ়াইছিল। বাহিৰা কিতাপ আৰু জামুগুৰিহাটৰ মইনা পাৰিজাতে (তেতিয়া শিশু সমাবেহ বুলি কোৱা নহৈছিল) মোক লিখিবলৈ প্ৰেৰণা যোগাইছিল। জামুগুৰিহাটৰ বাপুজী ভৱনত অনুষ্ঠিত হোৱা বৃহৎ অঞ্চলটোৰ এখন শিশু সমাবেহত প্ৰসিদ্ধ কবি-গীতিকাৰ কেশৱ মহন্ত ছাৰে মোক ৰচনা এখন পাঠ কৰিবলৈ দি উৎসাহ যোগাইছিল। তেতিয়া মই জামুগুৰি হাইস্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। সেই সময়ত মহন্ত ছাৰে জামুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা (১৯৫২-৫৬) কৰিছিল। লিখিত ৰূপত কলিয়াবৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ মুখপত্ৰ 'জাগৰণ'ত 'বেজবৰুৱাৰ সাহিত্য' নামৰ প্ৰবন্ধৰ যোগেদি মোৰ আত্মপ্ৰকাশ ঘটে। মই তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ (১৯৬১) আছিলোঁ। অষ্টম শ্ৰেণীত পঢ়োতে আমি কেইজনমানে 'পোহৰ' নামৰ হাতেলিখা আলোচনী এখন উলিয়াইছিলোঁ। এই ক্ষেত্ৰত মইয়ে বিশেষ উদ্যোগ লৈছিলোঁ। বহুলভাৱে মোৰ সাহিত্য জগতত আত্মপ্ৰকাশ ঘটে এসময়ৰ সৰ্বাধিক জনপ্ৰিয় 'অসমবাণী' কাকতখনৰ যোগেদিহে। গুৱাহাটীৰ বি. বৰুৱা কলেজৰ প্ৰাক বিশ্ববিদ্যালয় নে স্নাতক প্ৰথম বৰ্ষত পঢ়ি থাকোঁতে 'অম্বিকাগিৰী ৰায় চৌধুৰী'দেৱৰ বিষয়ে মোৰ জীৱনীধৰ্মী লেখা এটা অসমবাণীত প্ৰকাশ পাইছিল। বোধকৰো সু-প্ৰসিদ্ধ সাংবাদিক, সাহিত্যিক তিলক হাজৰিকাদেৱৰ হাতেদিয়েই ছপাশাললৈ গৈছিল। কাকতখনৰ সাহিত্য বিভাগটো তেতিয়া চোৱা-চিতা কৰিছিল বুলি মই পাছত জানিব পাৰিছিলোঁ। হাজৰিকাদেৱে যোৱা তিনি অক্টোবৰত (২০১৩) ৯২ বছৰ অতিক্ৰম কৰিছে।

**☞সমাজ ব্যৱস্থা আৰু শিক্ষাই সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত কেনেদৰে প্ৰভাৱ পেলায় ?**

✍ ঃ সমাজক বাদ দি সাহিত্য হ'ব নোৱাৰে। সমাজ ব্যৱস্থা মানুহেই কৰি লয়। সমাজ ব্যৱস্থাৰ ইতিবাচক আৰু নেতিবাচক দুটা দিশ থাকে। ইতিবাচক সমাজ ব্যৱস্থাই সুস্থ সমাজ গঢ়ি তোলাত অৰিহণা যোগায়। নেতিবাচক দিশ সমূহ প্ৰগতিৰ অন্তৰায়। সাহিত্য যিহেতু সমাজক লৈয়ে ৰচনা কৰা হয় গতিকে দুয়োটা দিশেই সৃষ্টিধৰ্মী সাহিত্যত প্ৰতিফলিত হয়। সুস্থ সমাজ গঢ়ি তোলাত সাহিত্যিকৰ অৱদান নুই কৰিব নোৱাৰি। সেই অৰ্থত প্ৰতিভাশালী সাহিত্যিকক সমাজ সংস্কাৰক বুলিবও পাৰি। সাহিত্যৰ মাধ্যমেৰেই মহাপুৰুষ শংকৰদেৱ, লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে মনিষী সকলে সমাজ সংস্কাৰৰ কাৰণে বিশেষ ভূমিকা লৈছিল।

সমাজৰ লগত সাহিত্যৰ যিদৰে এৰাব নোৱাৰা সম্পৰ্ক, সেইদৰে সাহিত্যকৰ্মৰ ক্ষেত্ৰত শিক্ষা অপৰিহাৰ্য। উন্নত শিক্ষাই একো একোখন দেশৰ বৌদ্ধিক পৰিৱেশ গঢ়ি তোলাত সহায় কৰে। বৌদ্ধিক চিন্তা চৰ্চা সাহিত্যৰ যোগেদি হয়। গতিকে শিক্ষা আৰু সাহিত্য দুয়োৰে অবিচ্ছেদ্য সম্পৰ্ক

আছে। ডিগ্ৰী নোলোৱাকৈয়ো শিক্ষা হ'ব পাৰে। ডিগ্ৰী নোলোৱাকৈ সাহিত্য ক্ষেত্ৰত খ্যাতি অৰ্জন কৰা ভালেমান সাহিত্যিক বিশ্বৰ বিভিন্ন দেশত আছে। ডিগ্ৰী আৰু জ্ঞানৰ পাৰ্থক্য মৌলিক চিন্তা আৰু সৃষ্টি প্ৰতিভাৰ দ্বাৰা উপলব্ধি কৰিব পাৰি।

**☞ 'জীৱনী সাহিত্যিক' হিচাপে আপুনি আজিলৈকে যিমানবোৰ জীৱনী লিখি উলিয়াইছে তাৰ ভিতৰত আপুনি কোনজনৰ জীৱনীক আগস্থান দিব বিচাৰে?**

✍ ঃ সংখ্যাৰ লেখেৰে মোৰ খ্যাত-অখ্যাত দুশৰো অধিক লোকৰ জীৱনী বিভিন্ন কাকত-আলোচনীত প্ৰকাশ পাইছে। সেই জীৱনী সমূহ মোৰ কেইবাখনো গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। সৰ্বত্ৰ জনাজাত নহ'লেও আকৰ্ষণীয় ব্যক্তিত্বৰ গুণী লোক সকলৰ প্ৰতি মোৰ দুৰ্বলতা আছে। সেইসকলক যথাযোগ্য মৰ্যাদা দিবলৈ মই সাধ্যানুসাৰে চেষ্টা কৰি আহিছোঁ। নলিনীধৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঁঞি প্ৰমুখ্যে সাহিত্যিক সমালোচক সকলে মোৰ কিতাপৰ সমালোচনা কৰোঁতে সেই কথা উল্লেখ কৰিছে।

সেই কাৰণে নিৰ্দিষ্টকৈ যি কোনো এজনক আগস্থান দিবলৈ মই অসুবিধা পাইছোঁ। আনহাতে প্ৰখ্যাত সকলৰ ভিতৰত অম্বিকাগিৰি ৰায় চৌধুৰী আৰু বেনুধৰ শৰ্মা দুয়োগৰাকীকে মই আগস্থান দিব বিচাৰো। অসমৰ জাতীয় জীৱনক সাহিত্যৰ দুটা বিভিন্ন ধাৰাৰে উদ্বুদ্ধ কৰাত দুয়োগৰাকীৰ অৱদান অপৰিসীম। দুয়োগৰাকীৰে সান্নিধ্যলৈ অহাৰ সৌভাগ্য মোৰ হৈছিল। তেখেত সকলৰ বিষয়ে মই গ্ৰন্থত সম্পাদনা কৰিছোঁ। জোনাকী যুগৰ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য প্ৰভৃতিৰ বিষয়ে মই জীৱনী লিখিছো যদিও অধ্যয়ন আৰু চিন্তা-চৰ্চা কৰিহে লিখিব লগা হৈছে। অন্তৰ্দৃষ্টিৰে মূল্যায়ণ কৰিব পৰা নাছিলোঁ। এই প্ৰশংগতে উল্লেখ কৰোঁ যে মই লিখা জীৱনী সমূহক জীৱনী ধৰ্মী প্ৰবন্ধ বুলিহে ক'ব খোজো।

**☞ বৰ্তমান সময়ত জীৱনী সাহিত্যৰ চৰ্চা বেছি যদিও প্ৰাচীন অসমীয়া সাহিত্যতো 'চৰিত সাহিত্যৰ' সৃষ্টি হৈছিল। এতিয়া আপোনাক সুধিব বিচাৰিছো- বৰ্তমানৰ জীৱনীসাহিত্য আৰু প্ৰাচীন কালৰ চৰিত সাহিত্যৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে আপোনাৰ মতামত কি হ'ব?**

✍ ঃ যুগৰ পৰিবৰ্তনৰ লগে লগে সকলো ক্ষেত্ৰতে পৰিবৰ্তন হয়। সাহিত্য জগতৰ বিভিন্ন ক্ষেত্ৰত বিভিন্ন যুগত সাহিত্যৰ পৰিবৰ্তনৰ ধাৰাও মন কৰিবলগীয়া। সপ্তদশ শতিকাৰ প্ৰথমাৰ্ধত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনক কেন্দ্ৰ কৰি তেওঁলোকৰ কেইবাগৰাকী শিষ্যই চৰিত পুথি ৰচনা কৰিছিল। মহাপুৰুষ দুগৰাকীৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰোঁতে চৰিতকাৰ সকলে প্ৰশস্তিমূলক বৰ্ণনা কৰাৰ উপৰি অলৌকিক ঘটনাৰো বিৱৰণ দিছিল। জন্ম-মৃত্যুৰ চন তাৰিখো উল্লেখ নাছিল। অতিশয়োক্তি বৰ্ণনা থকা এনেবিলাক ৰচনাক সন্ত চৰিত বা চৰিত পুথি বোলা হয়।

বৰ্তমানৰ জীৱনী সাহিত্যৰ লগত চৰিত সাহিত্যৰ দেখদেখ পাৰ্থক্য আছে। জীৱনী সাহিত্য নিৰ্ভৰযোগ্য, তথ্যভিত্তিক। সাধাৰণ মানুহক লৈয়ো জীৱনী হ'ব পাৰে। অষ্টাদশ শতিকাত ইংলণ্ডত চোৰ, ডকাইত লম্পট আদিক লৈয়ো জীৱনী ৰচনা হৈছিল। এনে ধৰণৰ জীৱনীয়ে পৰৱৰ্তী কালত ইংৰাজী সাহিত্যক সমৃদ্ধ কৰিছিল বুলি সমালোচকে কৈছে। আনহাতে কালহিলে- Biography is the most universally pleasant and probitable of all reality বুলি কোৱা কথাষাৰে জীৱনী সাহিত্যৰ মাহাত্ম্য প্ৰকাশ কৰে।

**☞ চৰিত সাহিত্যতকৈ উপন্যাস সাহিত্যৰ মান বেছি উন্নত বুলি আপুনি ভাৱে নেকি?**

✍ ঃ নিশ্চয় উন্নত। এই প্ৰশ্নৰ উত্তৰতো যুগৰ কথা ক'ব লাগিব। উপন্যাসৰ পৰিধি, ঘটনা, চৰিত্ৰ, কাহিনী আৰু বৰ্ণনাৰ দ্বাৰা বৰ্তমানৰ সমাজখনৰ বিভিন্ন চিত্ৰ কল্পনা আৰু বাস্তৱৰ সমন্বয়ত দাঙি ধৰা হয়। শেহতীয়াকৈ বিশ্বায়নেও উপন্যাস সাহিত্যত প্ৰভাৱ পেলাইছে। সমাজ জীৱনৰ সকলো দিশ





ঔপন্যাসিক সকলে তেওঁলোকৰ উপন্যাসত প্ৰকাশ কৰি আহিছে। উপন্যাসক বহুত ভাগত বিভক্ত কৰা হয়। যেনে- অঞ্চলভিত্তিক, নদীভিত্তিক, সামাজিক, ৰাজনৈতিক, ঐতিহাসিক, জীৱনীধৰ্মী, পৌৰাণিক ইত্যাদি ইত্যাদি। চৰিত সাহিত্য নিৰ্দিষ্ট এক বিষয়ক কেন্দ্ৰ কৰি আৰু মহাপুৰুষক লৈ ৰচিত কাৰণে সেই যুগতহে বিশেষভাৱে সমাদৃত হৈছিল। তেতিয়া উপন্যাসৰ প্ৰশ্নই অহা নাছিল।

**☞ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ দপদপনি, অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত উত্তৰ হোৱা বিচ্ছিন্নতাবাদ-পৃথকীকৰণ-সুকীয়া ৰাজ্য আদিৰ মনোভাৱৰ পৰিপ্ৰেক্ষিতত অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত?**

✍ ঃ ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ ক্ৰমান্বয়ে ব্যাপক প্ৰসাৰ আৰু প্ৰভাৱে আমাৰ ঐতিহ্য আৰু ঘাই শিপাডালৰ লগত সম্পৰ্ক নোহোৱা কৰিবলৈ ধৰিছে। এনে হোৱাত আমাৰ জাতীয় জীৱনৰ বিস্তৰ ক্ষতি হৈছে। আনহাতে স্বৰাজোত্তৰ কালত অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিচ্ছিন্নতাবাদী মনোভাব গা কৰি উঠিল। ক'লাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'বৃহত্তৰ অসমৰ পৰিকল্পনা'- নাগালেণ্ড, মিজোৰাম, অৰুণাচল, বি.টি.এ.ডি. আদি গঠন হোৱাৰ পাছৰে পৰা থানবান হ'ল। এতিয়া কোনো কোনো জনগোষ্ঠীয়ে পৃথক সুকীয়া ৰাজ্য আদি গঠনৰ দাবী কৰি আহিছে। এনে অৱস্থাত অসমীয়া ভাষা-সাহিত্যৰ বিশেষকৈ ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰত ক্ষতি হৈছে। কিয়নো পৃথক ৰাজ্য হোৱাৰ পৰা সংশ্লিষ্ট জনগোষ্ঠী সমূহে নিজৰ ভাষা ব্যৱহাৰ কৰা, শিক্ষানুষ্ঠান সমূহত নিজ নিজ ভাষা প্ৰচলন কৰাত গুৰুত্ব দিছে। এইটো স্বাভাৱিক কথা। সেয়ে হ'লেও সংযোগী ভাষা হিচাপে অৰুণাচল, নাগাভূমি আদিত অসমীয়া ভাষাই ব্যৱহাৰ কৰা হয়। আন ৰাজ্যৰ পৰা আহি অসমত বাস কৰা সকলেও অসমীয়া ভাষা ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰে। এইটো সন্তোষৰ কথা। অসমীয়া ভাষী সকলেও অসমীয়া ভাষাৰেই অনা-অসমীয়া সকলৰ লগত কথা-বতৰা পতা উচিত। এই ক্ষেত্ৰত দক্ষিণ ভাৰতৰ ৰাজ্য কেইখনৰ লোক সকলৰ আদৰ্শ লোৱা উচিত। অসমীয়া ভাষাৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত অসমীয়া সকলৰ যিদৰে দায়িত্ব আছে অসম সাহিত্য সভাকে ধৰি জাতীয় অনুষ্ঠান সমূহৰ আৰু সৰতোকৈ চৰকাৰৰো দায়িত্ব আৰু কৰ্তব্য আছে। অসমীয়া ভাষা আমি শুদ্ধকৈ প্ৰয়োগ কৰাও প্ৰয়োজন।

সাহিত্যৰ প্ৰসংগত ক'ব খোজো- অসমীয়া সাহিত্য ভাৰতৰ কেইবাটাও প্ৰান্তীয় ভাষাৰ সাহিত্যতকৈ চহকী। বিশেষকৈ আধুনিক অসমীয়া গল্প আৰু কবিতাই সৰ্বভাৰতীয় সমাদৰ লাভ কৰিছে। বাংলা সাহিত্যৰ প্ৰসিদ্ধ সাহিত্যিক সমালোচক বুদ্ধদেৱ বসু প্ৰমুখ্যে কেইবাগৰাকী ভাৰতীয় সাহিত্যিক সমালোচকেও সেই কথা স্বীকাৰ কৰিছে। জনসংখ্যাৰ পিয়লে যি কোনো উন্নত সাহিত্যৰ সৃষ্টিত বৰঙণি নোযোগায়, সৃষ্টি প্ৰতিভা আৰু উন্নত ৰচনাইহে বৰঙণি যোগায়।

**☞ অসমীয়া সাহিত্যত উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ কেনে বুলি ভাৱে?**

✍ ঃ উত্তৰ আধুনিকতাবাদী ধ্যান-ধাৰণাই আমাৰ সাহিত্য, ৰাজনীতি, ইতিহাস, দৰ্শন, অৰ্থনীতি, সংস্কৃতি আদি সকলোতে প্ৰভাৱ পেলাইছে। সাহিত্যৰ বিষয়ে যিবোৰ সূত্ৰ আগেয়ে প্ৰয়োগ কৰা হৈছে- উত্তৰ আধুনিকতাবাদী সাহিত্যই সেই সূত্ৰ মানি ল'ব নোখোজে। এই বিষয়ে চিন্তা-চৰ্চা কৰা সকলে বিভিন্ন প্ৰবন্ধত সেই বিষয়ে আলোচনা কৰিছে। উদাহৰণ স্বৰূপে আধুনিক কবিয়ে মুক্ত ছন্দ আৰু স্পন্দিত গদ্যত কবিতা ৰচনা কৰিছিল। উত্তৰ আধুনিক কবিয়ে কবিতা ৰচাৰ সেইটো একমাত্ৰ আংগিক বুলি ভবা নাই। আনহাতে মানবীয় প্ৰমূল্যকহে উত্তৰ আধুনিকতাবাদী কবি-সাহিত্যিকে বিশেষ গুৰুত্ব দি আহিছে। সূক্ষ্ম চেতনাও এইসকল কবি-সাহিত্যিকৰ সাহিত্যকৰ্মৰ আন এক বিশেষত্ব। এই বিষয়ে সংক্ষিপ্তকৈ ইয়াত আলোচনা কৰা সম্ভৱ নহয়। সেয়ে হ'লেও প্ৰবীন চামৰ কবি-সমালোচক নলিনীধৰ ভট্টাচাৰ্য, হীৰেন্দ্ৰ নাথ দত্ত, কবীন ফুকন আৰু তেওঁলোকৰ পাছৰ সমীৰ তাঁতী, সনন্ত তাঁতী, অনুপমা বসুমতাৰী, জীৱন নৰহ, অজিত গগৈ

আদিৰ কবিতাত উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ দেখা যায়। অজিত বৰুৱাৰ কবিতা আৰু উপন্যাস, দেবব্ৰত দাসৰ গল্পতো উত্তৰ আধুনিকতাবাদী সাহিত্যৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া। উত্তৰ আধুনিকতাবাদ সম্পৰ্কে ড° গোবিন্দ প্ৰসাদ শৰ্মাই 'অসমীয়া জাতি চিন্তা' গ্ৰন্থখনত আৰু ভালেমান প্ৰবন্ধত বিশেষভাৱে আলোচনা কৰিছে। অধ্যাপক প্ৰফুল্ল চন্দ্ৰ বৰাই সম্পাদনা কৰা 'উত্তৰ স্বাধীনতা যুগৰ অসমীয়া সাহিত্য' গ্ৰন্থখনতো এই বিষয়ে কেইবাটাও প্ৰবন্ধত উল্লেখ কৰা আছে।

### জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কি?

: মই অদৃষ্টবাদী। ভাগ্যৰ বলতহে অমূল্য মানৱ জীৱন পোৱা যায় বুলি মোৰ বিশ্বাস। এনে এটা জীৱনৰ সাৰ্থকতা নিজ নিজ সৎ কৰ্মৰ দ্বাৰা প্ৰতিপন্ন কৰা প্ৰয়োজন। নিৰাশাবাদক প্ৰশ্ৰয় নিদি, সুখ-আনন্দত উৎফুল্লিত নহৈ, দুখতো কাতৰ নহৈ মই মোৰ কৰ্তব্য পথত সুখে-দুখে আগবাঢ়ি আহিছো। কাৰো অপকাৰ নকৰাকৈ আৰু অহিত চিন্তা নকৰাকৈ কাম কৰাই মোৰ ধৰ্ম। সেয়ে হ'লেও অন্যায় কাৰ্যবো মই মাৰ্জিত ভাষাৰেই প্ৰতিবাদ কৰি আহিছো। এই কাৰণে মই কেতিয়াবা কেতিয়াবা বাধাৰো সন্মুখীন নোহোৱাকৈ থকা নাই। ৰবীন্দ্ৰনাথে ক'বৰ দৰে অন্যায় যি কৰে আৰু অন্যায় যি সহে তেওঁ সমানেই অপৰাধী। মোৰ এই প্ৰিয় বাক্যষাৰ যথাসাধ্যে মই পালন কৰিবলৈ চেষ্টা কৰিছোঁ। সুখ আৰু দুখ সম্পৰ্কত মনটো স্থিৰ কৰি ৰখাই কৰ্তব্য বুলি ভাবো। আমাৰ এগৰাকী কবিয়েও কৈ গৈছে- 'সুখৰ-দুখৰ মনেই কাৰণ, মনক ৰাখিবা থিত।' জীৱন সম্পৰ্কে মোৰ এয়ে ধাৰণা।

### আমাৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মৰ প্ৰতি আপোনাৰ উপদেশ?

: উপদেশতকৈ আহিঁ ভাল বুলি কোৱা হয়। মই পৰাপক্ষত উপদেশ নিদিও পৰামৰ্শ দিও। দুয়োটা শব্দৰ অৰ্থৰ কিছু পাৰ্থক্য আছে।

কৰ্মৰ বাহিৰে জীৱনৰ গতি নাই। জীৱনত প্ৰতিষ্ঠা লাভ কৰিবলৈ কৰ্ম অপৰিহাৰ্য। যাৰ যি কৰ্তব্য সেই কৰ্তব্য নিষ্ঠা, আন্তৰিকতা আৰু সুচাৰুৰূপে কৰি গ'লে নিজৰ লগতে দেশ আৰু দহৰো কল্যাণ হ'ব বুলি মই ভাবো। গীতাত কৰ্মতহে অধিকাৰ আছে, কৰ্মফলত অধিকাৰ নাই বুলি কৈছে আৰু অনাসক্ত ভাৱে ফলাফলৰ ভাৰ ভগৱানৰ ওপৰত অৰ্পণ কৰি কৰ্ম কৰি যাবলৈ পৰামৰ্শ দিছে- (দ্বিতীয় অধ্যায়)। মাধৱদেৱে নামঘোষাত অন্তৰত-কৰ্মত বিশ্বাস ৰাখিবলৈ কৈছে, অম্বিকাগিৰী ৰায় চৌধুৰীয়ে 'কামেই জীৱন, কামেই স্বৰ্গ, কামেই শান্তি, কামেই সুখ, কৰি তোল তোৰ জীৱন গতি কঠোৰ অমোঘ কৰ্মসুখ, এলাহ এৰি কামত ধৰ শান্তি সুখৰ জীৱন কৰ' বুলি পৰামৰ্শ দিছিল। মহাৰথী কৰ্ণই জন্মসূত্ৰে নহয়- নিজৰ কৰ্মৰ দ্বাৰা নিজকে প্ৰতিষ্ঠা কৰিছিল। চাৰ্লছ ডিকেন্সে প্ৰতিভাৰ সংজ্ঞা দিছে এনেদৰে- Genius is ninety nine percent perspiration and one percent is inspiration.

কৰ্মৰ দ্বাৰা প্ৰতিষ্ঠিত হ'লেও মানুহ হিচাপে নিজক গঢ়ি তোলা প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰী আৰু যুৱতীৰ লক্ষ্য হোৱা উচিত। মানুহ হিচাপে পৰিচয় দিবলৈ হ'লে কেতবোৰ মানবীয় গুণ অপৰিহাৰ্য। ডাঙৰৰ প্ৰতি শ্ৰদ্ধা, কনিষ্ঠ সকলৰ প্ৰতি মৰম-স্নেহ, পিতৃ-মাতৃ, শিক্ষাগুৰুৰ প্ৰতি ভক্তি, চাল-চলন, কথা-বাৰ্ত্তা, মাৰ্জিত ব্যৱহাৰ এনে বিলাক গুণেই একোজন মানুহৰ পৰিচয় দিয়ে।

***



# গল্প বিভাগ



# অন্তহীন বেদনা

✍স্বপ্না দাস
স্নাতক প্ৰথম বৰ্ষ



বাগিছাৰ মাজেৰে ঘূৰি ফুৰোতে হঠাৎ টিনাক দেখিলো তায়ো হয়তো ফুৰিব আহিছে। মই টিনাক মাত লগালো— হায় টিনা।

টিনা- হায় মাজনী How are you?

মাজনী- Fine! টিনা, জানমণিয়ে কোৱা কথাবোৰ সঁচানে?

টিনা- সঁচা মাজনী, সকলো সঁচা। মনত আছেনে আজিৰ এই দিনটোতে তুমি কলিকতালৈ গৈছিলা।

মাজনী- হয় টিনা সকলো মনত আছে। ইয়াতে বহো দিয়া। বাৰু টিনা কোৱাচোন পিংকিবাৰ এই ঘটনাবোৰ ক'ত কেতিয়া কেনেকৈ হ'ল।

টিনা- প্ৰিয়াবাৰ বিয়াৰ পাছত তাই বাৰ সৰুটো দেৰৰ ৰাহুলৰ লগত পলাই গৈছে সেইয়াটো তুমি জানাই।

মাজনী- হয় জানো পিছে এইবোৰ কেনেকৈ হ'ল?

টিনা- আমাৰ ঘৰৰ পৰা তিনিমাইলমান দূৰত ৰাজ নামৰ ল'ৰাটোৰ লগত প্ৰিয়া বাৰ বিয়াৰ পিছৰে পৰা পিংকি বাই ৰাহুলক ভাল পাইছিল। প্ৰিয়াবাই বহুতো কৈছিল ৰাহুলৰ ডাঙৰ বেমাৰ থকা বুলি; তাৰ জীৱন এক পলৰ বাবেও সুৰক্ষিত নহয়, যেতিয়াই তেতিয়াই কিবা হৈ যাব পাৰে। কিন্তু তাই কাৰো হকা-বাধা নামানি এদিন সন্ধিয়া পলাই গৈ বিয়া হয়। আমাৰ ঘৰৰ কাৰো সম্মতি নোহোৱা সত্বেও ভিনিহঁতৰ ঘৰৰ সকলোৱে মানি লৈছিল। বিয়াৰ কিছুদিনৰ পাছতেই তাই গৰ্ভৱতী হয় আৰু কালক্ৰমত তাই এটি পুত্ৰ সন্তানৰ জন্ম দিয়ে। সন্তানটিৰ জন্মৰে পৰা ৰাহুলৰ কি যে ফুৰ্তি। মাহেকীয়া যোৱাৰ পাছত এদিন ভিনিদেউ আমাৰ ঘৰলৈ আহে আৰু সকলোকে সন্তানটিৰ বাবে ভৰালি নামঘৰলৈ যাবলৈ আমন্ত্ৰণ দি যায়। তেতিয়া মই পিংকিবাহঁতৰ ঘৰতে আছিলো। সি প্ৰায়েই কৈছিল- 'সোনটিৰ হৈ নামঘৰত শৰাই এখনি আগবঢ়ামগৈ'। সেই বুলি লগৰ দুটামানকো মাতিছিল। কৰ্মচাৰীজনৰ হতুৱাই গাড়ীখন ধুই পৰিস্কাৰ কৰি ৰাখিছিল। কিন্তু কি হ'ব? পিছদিনাৰ পুৱাৰ পোহৰ দেখিবলৈ তেওঁৰ আৰু ভাগ্য নহ'ল। মাজৰাতি ওটামান বজাত তেওঁ শেষ নিঃশ্বাস ত্যাগ কৰে। উঠি অহা জীৱনটো ডুবাই, ঘৰৰ সকলোকে কন্দুৱাই তেওঁ এই পৃথিৱীৰ পৰা গুচি গ'ল। শহু-শাহুৰীৰ গালি, জ্বালা-যন্ত্ৰনা সহ্য কৰিব নোৱাৰি দুমহীয়া সন্তানটিৰ সৈতে বা এদিন আমাৰ ঘৰলৈ গুচি আহে। তাই বাপেকৰ ঘৰত অহা সফল হ'লহেঁতেন যদিহে মা-পাপাই তাইক আদৰি ল'লেহেঁতেন। তেওঁলোকে তাইক দূৰতে বিদূৰ কৰিলে। তাই জীয়াই থকা স্বত্বেও তাইৰ ওচৰতে মা-পাপাই

তাইৰ শ্ৰাদ্ধ কৰিলে। পতিক হেৰুৱাৰ বেদনাই তাইক যিমান দুৰ্বল কৰিব পৰা নাই মা-পাপাৰ এই কাণ্ডই তাইৰ অন্তৰআত্মা পৰ্যন্ত কঁপাই তুলিছে। উপায়হীন হৈ তাই মালিনী থকা সৰু ভঙা ঘৰটোতে দুমহীয়া সন্তানটিৰ সৈতে থাই বৈ আছিল। জমা থোৱাৰতো দূৰৰ কথা বিপদ-আপদ, বেমাৰ-আজাৰত যে টকা এটা খৰচ কৰিব সেয়াও তাইৰ সাধ্য নাই। ল'ৰাটিৰো আজি কিমান দিন ধৰি জ্বৰ ডাক্তৰক দেখুৱাবলৈও তাইৰ এপইচাও হাতত নাই। মই গৈয়ে খবৰ এটা লম বা টকা কেইটামান দিম সেয়াও মোৰ সাধ্য নাই। আগতে মালিনী ছোৱালীজনী থাকোতে খবৰ লৈছিলো। এতিয়াটো তাৰো সাধ্য নাই। অনুগ্ৰহ কৰি তুমি মোক এটা সহায় কৰি দিবানে প্লিছ্। এটা মাত্ৰ সহায় কৰা মই তোমাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম।

এই বুলি কৈ কৈয়ে তাই হুক হুকাই কান্দিব ধৰিলে। মই মনতে ভাবিলো মাক-দেউতাকনো ইমান নিষ্ঠুৰ হ'ব পাৰেনে? সন্তানৰ বাবে তেওঁলোকৰ মনৰ মাজত এনে এটা কঠোৰ ভাব যে সোমাই আছে সেই কথা চাই গমেই পোৱা নাযায়। মই তাইক সান্ত্বনাৰ সুৰে ক'লো-

মাজনী- নাকান্দিবা টিনা। মই তোমাক সহায় কৰিব প্ৰস্তুত; কিন্তু কি কাম কোৱা।

টিনা- একো নহয় মাজনী, তুমি কালি আমাৰ ঘৰলৈ যাবা আৰু এই টকাটো সৰুবাক দি আহিবা। তুমি ভয় নাখাবা মাঁহতে তোমাক একো নকয়। মনতে ভয় লাগিছে যদিও মই তাইৰ কথাত সন্মতি জনালো। সন্ধিয়া হৈ অহাত দুয়ো আহিলো আৰু বহুতো সৰু-সুৰা কথাও পাতিলো। তাৰ পাছত দুয়ো ঘৰাঘৰি গুচি আহিলো। পিছদিনা আবেলি পৰত মই টিনাহঁতৰ ঘৰলৈ আহিলো। তাই বাটতে বৈ মোলৈ অপেক্ষা কৰি আছিল। মই গৈ প্ৰথমতে টিনাহঁতৰ মা-দেউতাক সেৱা জনালোঁ। তাৰ পিছত চাহ-পানী খাই ঘূৰাৰ ছলেৰে পিংকিবা থকা ঘৰটোৰ ফালে এখোজ দুখোজকৈ আগুৱাই গ'লো। মালিনী ছোৱালীজনী থাকোতে ঘৰটোৰ অৱস্থা অলপ ভাল আছিল, এতিয়া আৰু ভাঙি গৈছে। লাহে লাহে ভিতৰলৈ সোমাই গ'লো দেখিলো পিংকিবাই ফটা মলিন কাপোৰ এযোৰ পিন্ধি কনমানি কেচুৱাটোক কোচত লৈ উচুপি আছিল। মই 'বা' বুলি মাত দিয়াত তাই উচপখাই অবাক দৃষ্টিৰে মোৰ ফালে চাই থুকাথুকি মাতেৰে ক'লে-

পিংকি- মাজনী তুমি! তুমি ইয়ালৈ কিয় আহিছা মা-পাপাই দেখিলে তোমাক বেয়া বুলিব। তুমি যোৱাগৈ.. মাজনী ... যোৱাগৈ।

মাজনী- কিয় বেয়া পাব বা, তুমিও মানুহ ময়ো মানুহ।

পিংকি- নহয় মাজনী মই মানুহ নহয় মই কলংকিনী; মোৰ পৰশত সকলো বিষাক্ত হৈ উঠে। এবছৰ নৌহওঁতে তেওঁ মোক এৰি গুচি গ'ল। ল'ৰাটোৰো ইমান জ্বৰ। কি কৰো একো ভাবি নাপাও।

মই কেচুৱাটোৰ মূৰত হাত দি চালো। তাৰ মূৰটো ইমান গৰম হৈ আছে মই যেন তাৰ মূৰত নহয় জুইতহে হাত দিছো। মই লগে লগে কৈ উঠিলো-

মাজনী- বা, তাৰ ইমান জ্বৰ উঠিছে ডাক্তৰৰ তালৈ নিয়া নাই কিয়?

পিংকি- ডাক্তৰৰ ওচৰলৈ নিম? কিন্তু কেনেকৈ? হাতত পইচা এটাও নাই। মা-পাপাই ইচ্ছা কৰিলে দিব পাৰে; মোক নালাগে ল'ৰাটোকতো দিব পাৰে।

কথাখিনি কৈ থাকোতে বাৰ চকুৰে পানী বাগৰি পৰিল। আৰু একান্ত মনে কেচুৱাটিলৈ চাই থাকি মৰমেৰে হাত বুলাই দি থাকি কৈ থাকিল- 'তাৰ চাগৈ টোপনি ধৰিছিল সেয়ে এনেকুৱা কৰি আছিল গাটোও শাত পৰিছে শুইছে চাগৈ।

তাৰ পেটতো, হাত-ভৰিকিটা লৰচৰ নকৰা দেখি মোৰ কিবা সন্দেহ হৈছিল যদিও সঁচা বুলি কেতিয়াও ভবা নাছিলো। টিনাই দিয়া টকাটোৰ লগত এশটকা এটা দি মই বাক ক'লো- 'বা তাৰ ঔষধ পাতি অলপকে আনি দিবা আজিলৈ উঠো আকৌ কেতিয়াবা আহিম। আপুনিও যাব।'

পিংকিবাই 'ভগবানে তোমাৰ মংগল কৰক বুলি কৈ দুৱাৰলৈকে মোক আগবঢ়াই দি আকৌ আহিবা বুলি বিদায় দি ভিতৰলৈ সোমাই গ'ল। ময়ো আহি টিনাৰ সৈতে কথা পাতিব ধৰোতেই 'সোনটি' বুলি চিঞৰ মাৰি চিঞৰি চিঞৰি কন্দা পিংকিবাৰ সুৰ শুনা গৈছে। মই, টিনা উধাতু খাই পিংকিবা থকা ঘৰটোত সোমালোগৈ। দেখো এই হতভগা দুখুনী বিধবাৰ একোটি মাত্ৰ পানীকেঁচুৱা তাকো ভগবানে লৈ গ'ল। সেয়ে তাই চিঞৰত গগন ফালিছে। চকুদি চল বৈ আহিছে।

এই দুখুনী বিধবাৰ খবৰ ল'বলৈ সকলোৱে আহিল কেৱল নাহিল তাইৰ আই-বোপাই। কাৰণ তেওঁলোকে তাই মৰিল বুলি শ্ৰাদ্ধ কৰি পেলাইছিল।

এদিন দুদিন কৰি কেইবামাহো পাৰ হ'ল। আকাশে-বতাহে সকলোতে ন-ৰূপ ধাৰণ কৰিছে। গছত পলাশ ফুলিছে, গছে নতুন পাত সলাইছে। চাৰিওফালে পৰিৱেশখন সৌন্দৰ্যময় হৈ পৰিছে। তথাপিও কিয় জানো মই টিনাহঁতৰ ঘৰৰ সেই দিনটোৰ কথা পাহৰিব নোৱাৰো। মনত পৰিলে ইহঁতৰ মা-দেউতাৰ প্ৰতি ঘৃণা উপজে। বতৰটো ডাৱৰীয়া, মাজে মাজে বতাহো বলি আছে। সেয়ে অলপ নৈৰ কাষে কাষে ঘূৰাৰ মনেৰে ওলাই আহিলো। দূৰৰ পৰা শিলত বহি থকা ছোৱালীজনীক টিনাৰ নিচিনা লাগি আছে। ওচৰ পাই নিসন্দেহ হ'লো তাই যে টিনা তাত একো ভুল নাই। ইটো সিটো কথাৰ মাজেৰে মই তাইক পিংকিবাৰ কথা সোধাত তাই বিৰক্তিৰ সুৰত ক'লে- তাইৰ কথা নুসুধিবা। কি হৈছে তাইৰ তায়ে জানে। কাক গালি পাৰে তাইয়ে বুজি পায়। অৱশ্যে আজি কেইবাদিনো ধৰি তাই ঘৰত নাই; ক'ত গ'ল জানো?' কথাখিনি শেষ হওঁ নহওঁতেই মানুহৰ চিঞৰ বাখৰ কানত আহি পৰিছে। আগবাঢ়ি গৈ দেখো, বালিত আধা পোত গৈ থকা পিংকিবাৰ মৃতদেহ। স্বামী বাহুল, একমাত্ৰ সন্তান সোনটিৰ লগতে তায়ো বিদায় ল'লে। তাই হাতত এখনি ফটো আছিল যিখনত তাইৰ আই-বোপাই, টিনা সকলোৰে ছবি আছিল।

তাইৰ মৃতদেহৰ পৰা অলপ দূৰত টিনাই কান্দি কান্দি ক'লে- 'ভালেই হৈছে তই মৰিছ অন্ততঃ তোৰ আত্মাই তো শান্তি পাব, বাচি থাকিলে তই সহ্য কৰিব লাগিলহেঁতেন এক অন্তহীন বেদনা।'

***

## কুইজ ঃ

সংগ্ৰাহক ঃ ফৰিদা বেগম

১। বিশ্বৰ আটাইতকৈ শকত মানুহজন কোন? — উত্তৰ ঃ ৰবাৰ্ট আল হিউজেচ (ওজন ৪৮৫কেজি)
২। বিশ্বৰ আটাইতকৈ চুটি-চাপৰ মানুহজন কোন? — উত্তৰ ঃ গুল মহম্মদ (উচ্চতা ২৩ ইঞ্চি)
৩। কোন দেশত কাউৰী নাই? — উত্তৰ ঃ লাক্ষা দ্বীপত
৪। পৃথিৱীৰ কোন দেশৰ একোজোপা গছত একেলগে ২৩ ধৰণৰ ফল লাগে? — উত্তৰ ঃ চাইপ্ৰাচ চিংকো
৫। মানুহে কোনবিধ তৰল খাদ্য খাই গোটেই জীৱন বাচি থাকিব পাৰে? — উত্তৰ ঃ গাখীৰ
৬। কোন প্ৰাণীয়ে সাঁতুৰি সাতুঁৰি পিছলৈ যায়? — উত্তৰ ঃ অক্টোপাছ
৭। কোন চৰায়ে উৰি যাওঁতে কণী পাৰে? — উত্তৰ ঃ হোমা চৰায়ে
৮। কোন দেশৰ মানুহে মাটিৰ বাহিৰে আন একোকে নাখায়? — উত্তৰ ঃ আফ্ৰিকাৰ আদিবাসী সকলে নীল নদীৰ মাটি পুৰি খায়।
৯। লোহাৰ হাওঁফাওঁ লৈ কোন জীয়াই আছে? — উত্তৰ ঃ কেলিফোৰ্ণিয়াৰ লাক্ৰেচেণ্টো নিবাসিনী লৰেল নেচিৰটাই।

# অভিশপ্ত আছিল মোৰ বিয়াৰ দিনটো

✍প্ৰতিমা দাস
স্নাতক দ্বিতীয় বৰ্ষ

ফৰিং ফুটা জোনাক। জোনাকৰ তিৰ্‌বিৰণিত মোৰ বাগানৰ ফুলবোৰৰ মুখৰ হাঁহিবোৰ জিলিকি উঠিছে। আৰু তাত উৰি ফুৰা জোনাকী পৰুবাবোৰে যেন চকু টিপিয়াই মোক সিহঁতৰ কাষলৈ মাতিছে। মোৰ মনটোক মই বান্ধি ৰাখিব পৰা নাই। জোনাকী পৰুবাবোৰৰ লগত যেন উৰি-উৰি, নাচি-বাগি, ফুলৰ পাহে পাহে পৰি ধেমালী কৰিম। কিন্তু উ...হু.. শুই থকাই ভাল। বৰ ভাগৰ লাগিছে। দিনটো কম মস্তি কৰিলো নে? নোওৱা ধুওৱা, টেকেলী দিয়া, জোৰণ দিয়া বিয়া নাম, যোৰা নাম ইফালে বোলে—



'মাৰাৰ অলংকাৰ থোৰা কাটি কৰি,
দেউতাবাৰ অলংকাৰ থোৰা হে!
ৰামে দি পথাইছে বিচিত্ৰ
অলংকাৰ,
হাতে যোৰে কৰি লোৰা হে!'

'O my God' কিমান যে ভাল লাগিছিল। মোক তেওঁলোকৰ ঘৰৰ পৰা দি পঠিওঁৱা অলংকাৰবোৰ পিন্ধোতে কেনেকুঁৱা লাগিছিল চাগে? সকলোৰেটো ভাল লাগিছে বুলিয়ে কৈছে। কিন্তু আচল উত্তৰটো কালিলৈহে পাম, যেতিয়া তেওঁ মোৰ কাষত বহি কাণে কাণে ফুচ্‌-ফুচাই ক'ব— 'তোমাক আজি খুব ভাল লাগিছে'। তেতিয়া মোৰ যে কিমান ভাল লাগিব। তাতে আকৌ পিন্ধিম কি সোনালী বুটা বচা বগা পাটৰ কাপোৰ জোৰ। আ-অলংকাৰে সৈতে একেবাৰে আকাশৰ পৰীজনী যেন লাগিব। ভাবিলেই ভাল লাগে ভাই। কাৰোবাৰ চকু নপৰিলেই হ'ল। আ...হ টোপনি ধৰিছে। এতিয়া শুই থাকো কালিলৈ আজিতকৈও সোনকালে উঠিব লাগিব। Ok bye good night my beautiful flowers and fireflies.

চকুযোৰ মুদাৰ অলপ পৰৰ পাছতেই চিল-মিলকৈ টোপনি আহিছিল হে মাত্ৰ। বাহিৰত কাৰোবাৰ হাঁহিৰ শব্দ শুনিলো। কানখন ঠিয় কৰি ভালদৰে শুনিবলৈ ল'লো, সঁচাই কোনোবাই হাঁহিছে। পতকৈ চকুযোৰ মেলি খিৰিকিখন খুলি চালো। 'Oh my God' মোৰ ফুলনিত কোনোবা আছে। আৰু মোৰ ফুলবোৰ এপাহ এপাহকৈ চিঙি ইজনীয়ে সিজনীৰ গালৈ চটিয়াইছে। অকল ফুলবোৰেই নহয় ডালবোৰো ভাঙি চিঙি মহতিয়াই পেলাইছে। ইমান ৰাতিখন কোন হ'ব পাৰে? আৰু মোৰ ফুলবোৰ কিয় এনেদৰে নষ্ট কৰিছে? শৰীৰত বিশুদ্ধ বগা কাপোৰ চুলিবোৰ মেলা আৰু মুখখনো যেন পূৰ্ণিমাৰ জোনাৰ দৰে জিলিকি থকা, দেখিবলৈও কোনোবা সাধাৰণ যেন লগা নাই। হাঁহিবোৰো শুৱলা। কোন হ'ব পাৰে? কোনোবা প্ৰেতাত্মা নহয়টো? এহ.. নহয়। আনকি সিহঁতৰ নামবোৰো বৰ ধুনীয়া, ইজনীয়ে সিজনীক কি শুৱলাকৈ মাতিছে তগৰ, কৰবী, শেৱালী নামবোৰলৈ চাই যেন কোনোবা পৰীহে। Yes পৰী হ'ব পাৰে। I min ফুলৰ মালিনী। Oh my God মই সঁচাকৈ ফুলৰ মালি দেখিবলৈ পাইছো। মই তেওঁলোকক এবাৰ লগ কৰি আহো। খুব ভাল লাগিব।

:মাজনী কি হ'ল ইমান পৰলৈকে শুৱা নাই যে, আৰু ক'লৈ যাবলৈ উলাইছ এই ৰাতিখন (মায়ে ক'লে)

: মা মোৰ ফুলবোৰ... (মই ক'লো)





: কি হ'ল তোৰ ফুলবোৰ? (খিৰিকিখন জপাই দি মায়ে ক'লে) আহ মোৰ কাষলে আহ।

: কিন্তু মা...।

: কাইলৈৰ পৰাতো তই মোৰ কাষত শুবলৈ নাপাৱ। তই বেলেগৰ ঘৰৰ বোৱাৰী হ'বিগৈ এতিয়া সৰু কালৰ অকৰামিবোৰ এৰ। আৰু এতিয়া শুই থাক। বহুত ৰাতি হ'ল।

চকুদুটা মুদি সকলো ফুল আৰু পৰীৰ কথা পাহৰি মাৰ কোলাতেই টোপনি গ'লো।

ৰাতি পুৱাল। আজিৰ বেলিটো যেন কিবা ভুমুকি হে মাৰিছে। দুৱাৰ খন খুলিয়ে মই বাগানলৈ গৈ দেখিলো ফুলবোৰচোন একোৱে নষ্ট হোৱা নাই। যেনে ফুল তেনেই হৈ আছে। কিন্তু ৰ.তি মই কোনো সপোন দেখা নাছিলো। এহ.. যি কি নহওঁক মোৰ ফুলবোৰ বৰ্তমান ভালেই হৈ আছে। এতিয়া এইবোৰ বাজে কথা ভবাৰ মোৰ সময় নাই কাৰণ আজি মোৰ বিয়া। এতিয়া মোৰ বহুত কাম আছে।

কিছু সময়ৰ পাচত গাঁৱৰ গোপিনী আহি মোক বাহি নোৱন দিলেহি। আৰু মোৰ লগৰীয়াবোৰে কাপোৰ-কানি পিন্ধাই উবাই একেবাৰে সুন্দৰী কন্যা এজনী সজাই তুলিলে। আইনাৰ সন্মুখত বৈ এনেকুৱা লাগিছিল World অৰ Best কন্যাজনী ময়ে। পিছৰ ফালৰ পৰা দাদায়ে মাত লগালে—

: ইমানকৈ আইনাখনকে চাই থাকিব নালাগে দে। খুব ভাল লাগিছে।

দাদাৰ কথা শুনি মোৰ ভাল লগাতকৈ শোকে খুন্দা মাৰিহে ধৰিলে। মই দৌৰি গৈ দাদাৰ ডিঙিত সাৱতি ধৰি চিঞৰি কান্দি পেলালো আৰু দাদাও বৈ থাকিব নোৱাৰিলে হিয়া ধাকুৰি কান্দিলে।

ভণ্টি তই গলেগৈ মই কেনেকৈ থাকিম? মই কাৰ লগত ধেমালি কৰিম? কাক জোকাম?

দাদাৰ এইবোৰ শব্দই মোক একেবাৰে দুৰ্বল কৰি পেলালে। বিয়া-চিয়া নহৈ যেন মা, দাদাৰ কাষতে সদায় থাকিম। ইফালে খুৰা, ববদেউতা, মামা সকলোৱে দুয়োতাকে বুজাই-বঢ়াই আঁতৰাই লৈ গ'ল।

অলপ পৰৰ পাছত আকৌ মস্তি আৰম্ভ হ'ল। আনন্দত উদুলি-মুদুলি হ'বলৈ ধৰিলে মোৰ বিয়াৰ ৰভাতলি। ইফালে বোলে কইনা ক'ত? সিফালে বোলে কইনাৰ লগত ফটো আমিও উঠিম আৰু আনফালে বোলে ভাত আন, মাংস আন, ডালি আন, ভাজি আন, Oh my God কিযে ভাল লাগিছে, ক'বলৈ আৰু ভাষা নাই। মনে মনে ভাব হ'ল 'এজনী ছোৱালীৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ভাল লগা দিনটোৱে হ'ল আজিৰ এই বিয়াৰ দিনটো। সকলো ছোৱালীয়েই যেন কিমান সপোন দেখে এই বিয়াৰ দিনটোক লৈ। সৰুৰে পৰা ময়ো কিমান যে সপোন দেখিছিলো 'এদিন মোৰ বিয়া হ'ব আৰু মনে বিচৰা মানুহজন মোৰ দৰা হ'ব। মই দেখা সপোনবোৰ এতিয়া সঁচা হ'বলৈ ধৰিছে।

দিনটো উলহ-মালহেৰে পাৰ হোৱাৰ পাছতো গধুলিও সেই উলহ-মালহেই হৈছে। মানুহৰ ভিৰ এটা চুকত কোনোবাই বেনৰ চেৰত নাচিছে আৰু কোনোবা ডেকাই কাৰোবালৈ চাউল মাৰিছে, কোনোবায়ে আকৌ কাৰোবাৰ চুলিলৈ অগৰা গুটি মাৰিছে। কিযে মস্তি কৰিছে। এনেকৈয়ে ৰাতি ৯টা মান বাজিল গাঁৱৰ গোপিনীবোৰ আকৌ আহিল আৰু ভকতবোৰৰ সৈতে লগ হৈ খোল-প্ৰসঙ্গ কৰি মোক নোৱাবলৈ ধৰিলে। এনেদৰে নোৱাই-ধুৱাই আকৌ আগৰ দৰেই লগৰীয়াবোৰে কইনা সজাবলৈ আৰম্ভ কৰিলে। এইবাৰ মোৰ ভাল লগা সোনালী বুটা বচা পাটৰ কাপোৰ পিন্ধিম। এনেতে দাদাৰ ম'বাইললৈ খবৰ আহিল। বৰযাত্ৰী সকল হোনো আমাৰ ঘৰলৈ কইনা নিম বুলি ৰাওনা হৈছে। মনটো আৰু ভাল লাগিল দৰা পাবহি এতিয়া। লগৰীয়া বোৰেও হাঁহি হাঁহি কৈছে আমাৰ ভিনদেউ পাবহি এতিয়া। কোনোবা এজনীয়ে আকৌ- দৰাৰ ভায়েক চায়েক আছেনে নাই? খুব জোকাম কিন্তু। মই বোলো- আছে আছে.. কিয় নাই। অকল দৰাৰ ভায়েকেই নহয়, তেওঁৰ লগৰ বন্ধু বহুত আহিব। চিন্তা কৰিব নালাগে দে। গাঁৱৰ কেইটাক বেছিকৈ নজলাবি মাত্ৰ।

হাঁহি খিকিন্দালী, তাতে গোপিনীবোৰৰ বিয়া নাম, যোৰা নাম এইবোৰ শুনি শুনি পুৰাই যেন বেলেগৰ ঘৰৰ বোৱাৰী হ'মগৈ সেই কথা পাহৰিয়ে পেলালো।

ধেমালীৰ মাজেৰে ৰাতি বহুত হৈ গ'ল বৰযাত্ৰী এতিয়াও পোৱাহি নাই। তেজপুৰৰ পৰা নগাঁও পাবলৈ ইমান পৰ লাগে জানো? গোপিনীবোৰেও এজনী এজনীকৈ উঠি গৈ বাহিৰত কিবা কথা পাতি আছে। লগৰীয়াবোৰেও মস্তি কৰিবলৈ এৰি নিস্তব্ধ হৈ বহি আছে।

: কি হ'ল তহঁতৰ? হাঁহিবোৰ একেবাৰে নাইকীয়া হ'ল যে?

: একো হোৱা নাই। (লগৰ এজনীয়ে ক'লে)

ঃ কি নাই হোৱা? বাহিৰত কিবা হৈছে নেকি? বেনপাৰ্টীৰো শব্দ নোহোৱা হ'ল যে?

ঃ বেনপাৰ্টীৰ ভাগৰ লাগিছে।

ঃ আৰু তইঁতৰ?

ঃ তই আমাক এৰি যাবিগৈ যে মনটো বেয়া লাগিছে।

তইৰ কথাত মোৰ পৰা কিবা লুকোৱা যেন লাগিল। তাই যেন কিবা বেলেগ এটা কথাহে ক'ব বিচাৰিছিল আৰু মুখেৰে বেলেগ কিবা এটাহে ওলাল।

ঃ তইঁতে মোৰ পৰা কিবা লুকুৱাইছ ন?

বাহিৰৰ পৰা দাদা আহি ক'লে—

ঃ সিহঁতে তোৰ পৰা একো লুকুৱা নাই। বৰযাত্ৰীৰ গাড়ীখন বাটত 'ট্ৰেফিক জাম'ত ফচি আছে। আহি পোৱা অলপ দেৰি হ'ব পাৰে। সেইবাবে সকলোৱে অলপ আৰাম কৰিছে। আৰু তয়ো অলপ আৰাম কৰ।

বেলেগে মোক যিয়ে নকৰক দাদায়ে সদায় সঁচা কথাই কয়। ট্ৰেফিক জামত ফচিল যেতিয়া আহি পোৱা অলপ দেৰি হ'বয়ে। সকলোৱে আৰাম কৰিছে যেতিয়া ময়ো অলপ আৰাম কৰাই বেষ্ট। লগৰীয়াকেইজনী, মামী, খুৰী আটাইকেজনীয়ে মাটিতে দীঘল দিলো। দিনটোৰ ভাগৰত কোন পৰত টোপনি গলো গমকে নাপালো। কোনোবাই যেন মোক বিয়া কৰাই নিবলৈ আহিব সেই কথাও পাহৰি গ'লো। অলপ পৰৰ পাছত কানত কিবা এটা শব্দ পৰিলহি। বাহিৰত বহুত হুলস্থুল লাগিছে। চিএঞৰ-বাথৰ, কান্দা-কাটা, বাহিৰলৈ দৌৰ মাৰি ওলাই গ'লো আৰু দেখিলো মানুহৰ বহুত ভিৰ। মানুহৰ ফাকেৰেই অলপ আগলৈ ওলাই গৈ দেখিলো বগা কাপোৰ ধাকি থোৱা সৰু ডাঙৰ বহুতো মানুহ। I mean dead body.

কোনোবা এজনীয়ে যেন চিএঞৰি কৈছিল 'মাজনীক ধৰ' আৰু দাদায়ে মোক গোপা মাৰি ধৰিছিল।

ঃ দাদা এইবোৰ..... (মই প্ৰশ্ন কৰিলোঁ)

ঃ তোক মই ৰাতি মিছা মাতিছিলো অ ভণ্টী, আচলতে বৰযাত্ৰীৰ গাড়ীখন ট্ৰেফিক জামত ফঁচা নাছিল। দলঙৰ ৰেলিং ভাঙি এটা ,ডাঙৰ খান্দাত পৰি সকলো মানুহৰ এইয়া বিলাই হ'ল।

ঃ আৰু এওঁ.. (লাহেকৈ সুধিলো)

ঃ আহ তোক দেখুৱাই দিম। মোক একেবাৰে আগত থকা dead body টোৰ ওচৰলৈ লৈ গৈ বগা কাপোৰখন দাঙি মুখখন দেখুৱাই দিছিল। আৰু মই থৰ লাগি তেওঁলৈকে চাই আছিলো। না মোৰ চকুযোৰ মুদ খাইছিল, না চকুৰে চকুৰ পানী বৈছিল, না মই চিএঞৰি চিএঞৰি কান্দিছিলো। মাত্ৰ চকুহাল আগলৈ দি শাৰী শাৰীকৈ থকা, বগা কাপোৰ ধাকি থোৱা, মোৰ বিয়াত আনন্দ কৰিম বুলি অহা, নিঃসহায়, কোমল হৃদয়ৰ মানুহবোৰলৈ চাইছিলো।

ঃ ইমান ডাঙৰ ঘটনা হৈ গ'ল আৰু মই শুই আছিলো।

ঃ শুই থকাৰ বাবে তই দায়ী নহয়। এইবোৰ গম পাই চিএঞৰ বাথৰ লগাবি বুলি ভাবি তোক শুই থকাতে টোপনীৰ বেজি এটা মাৰি দিছিলো। ভাবিছিলো সকলো মানুহ মেডিকেলত সুস্থ হ'ব আৰু তোক এক্সিডেণ্টৰ খবৰ পাছত দিম কিন্তু দ পানী আৰু ৰাতি বেছি হোৱাৰ বাবেই কোনো নাবাছিল। মাত্ৰ পিছৰ সৰু গাড়ীখনত অহা ল'ৰা পাঁচজনহে বাছিল। (দাদায়ে ক'লে)

দাদাৰ কথাবোৰ মাত্ৰ শুনিছিলোহে, একো বুজা নাছিলো। মোৰ মনতো খেলিমেলি হৈ গৈছিল। নানান ধৰণৰ প্ৰশ্ন আহিছিল মনলৈ, এইবোৰ কি হ'ল, কেনেকৈ হ'ল, কিয় হ'ল, কাৰ কাৰণে হ'ল, ইয়াৰ বাবে দায়ী কোন আৰু এতিয়া মই কি কৰিম। ৪০-৫০ টা dead body মোৰ চোতালত যিটো মই কেতিয়াও কল্পনাই কৰিব নোৱাৰিছিলো। তাৰ সলনি যদি ময়ে মৰিলো হয়। ৰাতি সপোনত পৰী দেখাৰ দৰে, মই এতিয়া সপোন দেখি থকা নাইতো। সকলো মানুহলৈ ভালদৰে চালো, ই সপোন নহয় বাস্তৱ। আকৌ নিজকে প্ৰশ্ন কৰিলো বাস্তৱত কাৰোবাৰ জীৱনত নিয়তি নে, মই। সকলোৱে হিয়া ধাকুৰি কান্দিছে কিন্তু মোৰ চকুৰে এটোপ চকুৰ পানী নোলাল। মাত্ৰ মনলৈ ওলট-পালট বহুতো প্ৰশ্ন আহি আছে আৰু মূৰতো গধুৰ কৰি পেলাইছে। চিএঞৰি কান্দিব পৰা নাই মই। টেটুৰ গুৰিতে যেন ডাঙৰ কাঁইট এডাল লাগি আছে। আৰু বুকুখনো বৰকৈ থাহ মাৰি ধৰিছে। বাৰে বাৰে মনলৈ এটা কথায়ে আহিল আচলতে নিষ্ঠুৰ নিয়তি নহয়, মইহে, আৰু মনলৈ আহিল ৰাতি সপোনত দেখা বিশুদ্ধ বগা কাপোৰ পিন্ধা স্বৰ্গৰ পৰীবোৰলৈ।

***







# যতীনদা আৰু সেই ৰহস্যময়ী ছোৱালীজনী

✍ছাবৰিনা আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

পুৱা দাঁত মাজি থাকোতে খিৰিকিখনৰ ফাঁকেৰে দেখিলো যতীনদাৰ কমত শাড়ী পিন্ধা ছোৱালী এজনীয়ে ভাত ৰান্ধি আছে। আলহী আহিছে কিজানি বিশেষ গুৰুত্ব নিদিলো কথাটোত। কেইদিনমান পাৰ হ'ল। যতীনদাৰ কমত ছোৱালী দেখা গ'ল। কথাটো ক'লনীৰ মানুহৰ মুখে মুখে বিয়পি গ'ল। পুৱা ভাত ৰান্ধি থকা বহুতে দেখিলে। বহুতৰ আকৌ চিন্তা হ'ল! যতীনে নতুন বনকৰা ছোৱালী ৰাখিলে নেকি! বিচাৰিলেও পোৱা নাযায়। যতীনে ক'ত পালে? আচল কথাটো কি সুধিবলৈ যতীনদাক লগো পোৱা নাযায়। পুৱাই মানুহটো ওলাই যায় উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বহী পৰীক্ষা কৰিবলৈ। কেতিয়া আহে ঠিক নাই। মানুহটোক সকলোৱে Careless বুলি উপনাম এটা দি থৈছে। ছোৱালীজনীক ওৰণী লৈ ভাত ৰান্ধি থকা দেখি সকলোৰে অলপ চিন্তা হ'ল! নে বিয়াই পাতিলে মনে মনে? হ'বও পাৰে ডেকা ল'ৰা অকলে থাকে। কিন্তু কথাটো কি ভালকৈ জানিবলৈ সকলোৰে মনত খু-দুৱনি থাকি গ'ল..।

এদিন ৰাতি কিবা খেলিমেলি লগাত ইংৰাজী ব্যাকৰণখন লৈ যতীনদাৰ কমলৈ দৌৰ মাৰিলো। দুৱাৰখন সামান্য খোলা আছে। যতীনদা ভিতৰত আছে নে নাই চাবলৈ দুৱাৰখন ঠেলি খুলি দিলো। কিন্তু ভিতৰৰ ফালেচোন ছোৱালীজনীয়ে ওৰণী লৈ ভাত ৰান্ধি আছে। মই আচৰিত হৈ পৰিলো। লাজো লাগিছে একো নমতাকৈ দুৱাৰখনৰ পৰা ঘূৰি গ'লেও বেয়া দেখি। লাজ লাজ কৰি সুধিলো, যতীনদা নাই নেকি...?

'আছে আছে আহা আহা....' ইমান পৰে মোৰ ফালে পিঠি দি ওৰণী লৈ ভাত ৰান্ধি থকা ছোৱালীজনীয়ে মোৰ ফালে ঘূৰি চাই কৈ উঠিলে। আৰে শাড়ী পিন্ধা এয়াচোন যতীনদাহে! কিহে পাইছে মানুহটোক। মোৰ মনৰ ভাব বুজিব পাৰি তেওঁ কৈ উঠিল- 'যোৱা বছৰৰ দুৰ্গা প্ৰতিমাক পিন্ধাবলৈ আনিছিলো এই শাড়ীখন। পিছত কিবা কাৰণত এইখন এৰি বেলেগ এখন পিন্ধিলে। শাড়ীখন মোৰ কমত এনেই পৰি থকা দেখি মইয়ে পিন্ধা কৰিলো। ভাত বনালে এইখন পিন্ধি ভাত বনাওঁ। মোৰো গেঞ্জি পেণ্টত তেল-হালধী নালাগে আৰু শাড়ীখনৰো সদ ব্যৱহাৰ এটা হয়। আজি মাছ আনিছিলো কাৰণে মুখখন টানি লৈছো। গৰম তেল চিটিকি পৰে নহ'লে। হো এই মাছ পিছ খাই ছোৱাচোন টেষ্ট আছে নে নাই।

'মই মুখখন মেলি চাই থাকিলোঁ.... মনতে ভাবিলোঁ...

What an Idea Sir Je!!

***

## হাঁহিৰ মহৌষধি ঃ

শিক্ষক ঃ এককেজি লোহা আৰু এককেজি তুলাৰ মাজত কোনটো বেচি গধুৰ?

ছাত্ৰ ঃ লোহা ছাৰ।

শিক্ষক ঃ বুৰ্বক। কৈছোৱেই দেখোন দুইটাই এক কেজি। তেনেক্ষেত্ৰত লোহা কেনেকৈ গধুৰ হ'ল।

ছাত্ৰ ঃ ছাৰ আপুনি বহকচোন। মই আপোনাৰ মূৰত প্ৰথমে এক কেজি তুলা আৰু এক কেজি লোহা পেলাই প্ৰমান কৰি চাওঁ তেতিয়া বুজি পাব এক কেজি লোহা নে এক কেজি তুলা গধুৰ।

সৰু পোনাৰ মাক ঃ সৰু পোনাই ইমানকৈ কান্দি আছে কিয়?

সৰু পোনাৰ বাপেক ঃ তোমাৰ ল'ৰাৰ অদ্ভুত চখ.. গাধৰ পিঠিত উঠিবলৈ লাগে জেদ কৰিছে।

সৰু পোনাৰ মাক ঃ উঠালাই যেনিবা অলপ পিঠিত তাতোনো কি হ'ল?



# নিষ্ঠুৰ প্ৰেমিকা

এ কমান আলী
স্নাতক প্ৰথম বৰ্ষ

'এখন বিলাসী গাড়ী, তাৰ পৰা নামিছে এজন অভিযন্তা আৰু তেওঁৰ পত্নী। তেনেতে এটা পাগল সিহঁতক দেখাৰ লগে লগে পিছে পিছে গৈছে আৰু সিহঁত গাড়ীত উঠি যোৱাৰ পিছতো সিহঁতৰ পিছে পিছে দৌৰিব ধৰিছে।' গতিকে আমি জানো আহঁকচোন সেই পালগটোনো কোন আৰু কিয় সিহঁতৰ পিছত দৌৰিছে আৰু সিহঁতনো কোন?

আৰম্ভণিত উল্লেখিত 'পাগল'টো হৈছে বিকাশ আৰু অভিযন্তাজনৰ পত্নী গৰাকীৰ নাম হৈছে ৰশ্মি। বিকাশ আৰু ৰশ্মি দুয়ো কলেজত একেলগে পঢ়িছিল। বিকাশ আছিল স্নাতক মহলাৰ অসমীয়া বিভাগৰ এজন মেধাবী ছাত্ৰ। সি সাহিত্যক বহু পৰিমাণে ভাল পাইছিল আৰু সি বহু কবিতাৰ ৰচনা কৰিছিল। সেই সময়ছোৱাত বিকাশ আৰু ৰশ্মি দুয়ো দুয়োকে মনে প্ৰাণে ভাল পাইছিল। তাৰ মাজতে বিকাশে তাইক চিৰদিনৰ বাবে আপোন কৰাৰো সপোন দেখিছিল। তেনেকৈয়ে সময় পাৰ হৈ গৈ আছিল। হঠাৎ বিকাশ এদিন অলপ দিনৰ বাবে বিশেষ দৰকাৰত গাঁৱৰ ঘৰলৈ গৈছিল। বিকাশ আছিল এজন অতি দৰিদ্ৰ পৰিয়ালৰ ল'ৰা। সেই সময়তে ৰশ্মিৰ ঘৰলৈ এজন অভিযন্তাই তাইৰ মাক-দেউতাকৰ ওচৰত তাইক বিয়া কৰাৰ বুলি প্ৰস্তাৱ লৈ আহিছিল। তেতিয়া তাইক মাকে সেই কথাটো ক'লে আৰু তাই সেই বিষয়ে ওৰে ৰাতি ভাবিবলৈ ধৰিলে। শেষত তাই সিদ্ধান্ত ল'লে যে তাই বিকাশৰ লগত বিয়া হ'লে সি তাইক অকণমান মৰমৰ বাদে একো দিব নোৱাৰে। গতিকে তাই অভিযন্তাজনৰ লগত বিয়া হ'লে অতি সুখেৰে থাকিব পাৰিব। সেইহেতু তাই সেই অভিযন্তাজনৰ লগত বিয়া হ'ম বুলি সিদ্ধান্ত ল'লে। সেইদৰে তাই সেই অভিযন্তাজনৰ সৈতে বিয়া হৈ গুচি গ'ল। কেইদিনমানৰ পিছতে বিকাশ চহৰলৈ আহিল। সি আহি তাইক লগ কৰিবলৈ সিহঁতৰ ঘৰলৈ গৈছিল আৰু সি গৈ তাইৰ মাকৰ মুখৰ পৰা তাইৰ বিয়াৰ খবৰটো গম পালে। সি খবৰটো শুনি চ'ক হৈ পৰিছিল আৰু ভাবিছিল যে অলপমান টকা-পইচা আৰু বিলাসী জীৱনৰ কাৰণে তাই তাৰ সেই মৰমবোৰ পাহৰি গ'ল। সেই কথাটো সি দিনে-নিশাই ভাবিবলৈ ধৰিছিল। সেই কথাটোৱে তাক হৃদয় আৰু মগজুত বেয়াকৈয়ে আঘাত হানিছিল, যাৰ বাবে সি মানসিক ভাৱে দুৰ্বল হৈ পৰিছিল। সেইবাবেই বৰ্তমান সি পথৰ এটা পাগল হৈ বৈ গ'ল।

***



# কবিতা বিভাগ



# গুৰু শঙ্কৰ

✍লুতফুৰ ৰহমান
অধ্যাপক, শিক্ষা বিভাগ

মহাপুৰুষ শঙ্কৰ গোমস্তী গংগাধৰ
জগন্নাথ জাতিৰ পিতা,
বৰগীত ৰচিলা নামৰে মুহিলা
তুমি হলা আদৰৰ আটা।
ৰজাকো মুহিলা বিন্দাবনি বস্ত্ৰৰে
প্ৰজাবো মুহিলা মন,
তবোৰ্মুলেৰে মাধৱক পৰাস্তি
হলা অদ্বিতীয় জন।
সন্ত মহন্ত সাহস দুৰন্ত
কৃষ্টিৰ সৃষ্টিকাৰী,
জাতিটো থাকিলে তুমিও থাকিবা
চিৰদিন হৈ অধিকাৰী।
চানথাইক সাবতি সমন্বয় গঢ়িলা
তোমাৰ যে মহিমা অপাৰ,
ডেকাগিৰী হৈ যাড় গৰু জিনিলা
সাতুঁৰি লুইতৰ ইপাৰ সিপাৰ।
'তুমি' হেন পুৰুষক জগতে লভিলে
পাতিলেত ৰবদোৱা থান
তোমাৰ দৰ্শনৰ চৰ্চ্চা চলিছে
আৰু বহু বাঢ়িব মান।

***



# বিদায়

✍স্বপনজ্যোতি নাথ
অধ্যাপক, অসমীয়া বিভাগ

এটি কৰ্মৰ বিদায় নে
এটি ব্যক্তিত্বৰ বিদায়
বিদায় জানো আমাৰ কাম্য
বিদায় জানো আমাৰ প্ৰাপ্য
নে বিদায়ে আমাক চিন্ন কৰে।
তুমি আঁতৰি গ'লা
দি গ'লা স্মৃতি
কৰি গ'লা সৃষ্টি
সিঁচি দিলা বেদনাৰ উষ্কা
জীৱন জানো সমাপ্ত হয়
কৰ্ম জানো স্তব্ধ হয়
জীৱন নাটৰ প্ৰতি পৃষ্ঠাত
লিখা থাকিব
মচিব নোৱাৰা
এটি সোণালী
অধ্যায়।

***



# শিক্ষা গুৰু

✍মুছফ্ফিকা বেগম
স্নাতক প্ৰথম বৰ্ষ

হে শ্ৰদ্ধাভাজন শিক্ষা গুৰু তুমি
পৰম কৰুণাময় আল্লাহৰ অগণন সৃষ্টিৰ।
এটি মাত্ৰ স্বৰ্ণাভ ক্ষুদ্ৰ কণা তুমি।।
তোমাতেই লুকায়িত সকলো গুণাৱলী
বিলায় গ'লা নিঃসংকুচে তুমি।
খাগৰিজান মহাবিদ্যালয় খনি
তোমাৰ সংগ্ৰামী জীৱনৰ কৰ্মভূমি।।
ইয়াতেই যৌৱনৰ সন্ধিয়া পৰত আহি
আমাৰ সৃষ্টিক উৰ্বৰ কৰিলা তুমি।
জীৱন সংগ্ৰামৰ কত যে ঘাত-প্ৰতিঘাত
নিজ চকুৰে প্ৰত্যক্ষ কৰিলো আমি।।
তথাপিতো দেখা নাই বিচলিত তোমাক।
বজাই গ'লা বিজয়ৰ ঘণ্টা তুমি।।
বয়সন্ধি কালৰ আবেলি পৰত
আনুষ্ঠানিক কৰ্মজীৱন সামৰি।
সকলোৰে পৰা বিদায় মাগিলা তুমি।
সমাজৰ ন-পুৰণিৰ ভেদাভেদ পাহৰি।
প্ৰাৰ্থনা কৰিছো পৰম কৰুণাময়ক আমি।।
জীয়াই থাকা, সুস্থ থাকা।
হে প্ৰিয়ভাজন শিক্ষাগুৰু তুমি।।

***

# মৰম বিচাৰি

✍লক্ষ্যজ্যোতি কাকতি
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰেম, প্ৰেম মাথো প্ৰেমৰ বাবেই হৃদয়
ব্যাকুল হৈ পৰিছে;
হতাশ হৃদয়ে মাথো তোমাকেই বিচাৰে
যদি তুমি বুজি পালাহেঁতেন
এই আতুৰ হৃদয়ৰ ঠিকনাবিহীন অবুজ বতৰা
এই অবুজ হৃদয়ক যদি তুমি এবাৰ শান্তনা দিলাহেঁতেন;
যি তোমাৰ অনুপস্থিতিত প্ৰতি ক্ষণে মাথো
অনুভৱ কৰে নিসংগতা।
দিন গৈ ৰাতি হ'ল মাহ গৈ বছৰ পাৰ হ'ল
তথাপিতো মই নাপালো তোমাৰ এটি আভা
তথাপিও ৰাখিছো মনত এটা ক্ষুদ্ৰ আশা।
আৰু আঁকিছো এই উকা হৃদয়খনিত
তোমাৰেই প্ৰতিচ্ছবি।
তোমাৰ এই ছবিয়েই হব এই হৃদয়ৰ
সান্তনাৰ সাৰথি।
স্তব্ধ হৈ পৰিছে মোৰ মন
অবাবত কৰিলো নষ্ট বহুত সময়
এই ক্ষন্তেকীয়া জীৱনত
নোবাৰিম কাহানিও পাৰ আৰু আধৰুৱা হৈ ৰ'ব
আৰু অসীমত হেৰাই যাব এই ভগ্ন হৃদয়ৰ সুৰ।

***

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ ফৰিদা বেগম

- মানুহৰ শক্তিৰ অভাৱ নাই। অভাৱ হৈছে ইচ্ছা শক্তিৰ। — ভিক্টৰ হিউগ
- তুমি আনক ক্ষমা কৰিলে ঈশ্বৰেও তোমাক ক্ষমা কৰিব। — যীশু খ্ৰীষ্ট
- পাৰিলে ভাল কথা আলোচনা কৰিবা নোৱাৰিলে মনে মনে থাকিবা। — মহাত্মা গান্ধী
- ভুল কৰাটো পাপ তাক লুকাই ৰখাটো তাতোকৈ ডাঙৰ পাপ। — লাল বাহাদুৰ শাস্ত্ৰী
- নদী আৰু নাৰীৰ স্বভাৱ একেই। সুবিধা পালে নদীয়ে পাৰ ভাঙে আৰু নাৰীয়ে ঘৰ ভাঙে। — মহাত্মা গান্ধী
- দুখত কেতিয়াও ভাঙি পৰিব নালাগে কাৰণ দুখৰ পাছত সুখ অনিবাৰ্য। — কোৰআন
- নিজৰ ভুল মানি ল'লে কোনো অপমান নহয়। — গজকো





# ঐতিহ্যমণ্ডিত খাগৰিজান

✍মূৰ্চ্ছনা দাস
স্নাতক দ্বিতীয় বৰ্ষ

ঐতিহ্যৰ এটি
প্ৰাচীন নাম
জ্ঞানৰ গৰিমা ঢালি
অমৃতৰ ধাৰা সিঁচি
জ্যোতিষ্মান হৈ আছে
আমাৰ মহাবিদ্যালয়
খাগৰিজান।
'গুৰুজনা জনমিলে
বৰদোৱা ধামে'
জগত পোহৰ কৰি
মহানতা দেখুৱালে
সংস্কৃতি বিলালে
কাললৈ খ্যাতি ৰাখি।।
খাগৰিজান আমাৰ
জ্ঞানৰ আলয়
জীৱন গঢ়াৰ থল
ভেদাভেদ নাৰাখি
যাওঁ আগবাঢ়ি
আমিয়েই দেশৰ সমল।।

***

# মন মোৰ

✍ৰেকিব আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

মন মোৰ উৰি গুচি যায়,
আকাশৰ তঁৰা চাবলৈ...
জীৱনে মাথো বিচাৰে
হিয়াৰ কান্দোন জুৰাবলৈ।
নাই... এই জীৱনৰ শান্তি
আশা, নিৰাশাৰ মাজত অশান্তি।
পালো মই সকলোকে চিনি...
দুখৰ সময়ত নাই কোনো!
আপোন জনৰ দৰে দিয়া
শান্তনাৰ বন্তি।।

***



## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ বিপুমনি বৰা

- নিজৰ ওপৰত বিশ্বাস ৰাখিব পাৰিলে, পৃথিৱীত ভয় কৰাৰ কোনো কাৰণ নাথাকে। সততা, নিষ্ঠা, প্ৰেম আৰু বিশ্বাসৰ দ্বাৰা সকলো জয় কৰিব পাৰি। — সত্যনাথ বৰা
- অসম্ভৱ কথাটো মূৰ্খৰ অভিধানতহে পোৱা যায়। পৃথিৱীত অসম্ভৱ বুলি কোনো কামেই থাকিব নোৱাৰে। — নেপোলিয়ন
- সকলো মানুহ সকলো কামৰ বাবে উপযুক্ত নহয়। কিন্তু প্ৰত্যেকজন মানুহেই কোনো কামৰ বাবে উপযুক্ত। — জৰ্জ বাৰ্ণাডশ্ব
- ভোক নালাগিলে কেতিয়াও খাব নালাগে। এয়ে স্বাস্থ্যতত্ব। খাদ্যই শৰীৰৰ স্বাস্থ্য আৰু ঔষধ। — চক্ৰেটিছ
- স্বাধীনতা আৰু সত্যৰ বাবে কৰা সংগ্ৰামত ধুনীয়া পোছাক পিন্ধাৰ কোনো প্ৰয়োজন নাই। — ইবছেন
- সুন্দৰৰ পূজাই হৈছে কৃষ্টি বা সংস্কৃতি। — জ্যোতিপ্ৰসাদ আগৰৱালা

# স্মৃতি

✍বেকিব আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

জীৱন দিয়া প্ৰাণৰ প্ৰাণ,
তুমি এই মোৰ স্মৃতি।

সকলো পাহৰিলো তোমাৰ বাবে,
এই জীৱন জোৱা স্মৃতি।

বাটে বাটে ঘূৰিলো তোমাৰ মোহত
পালো মাথো তোমাৰ সৌৰৱণ।

নিৰৱ আকাশত লুকাই আছে
তোমাৰ, মোৰ স্মৃতি।

পিছুৱাই আহা আকৌ..

পাহৰি যোৱা এই বাটলৈ,
মাথোঁ আছে, তোমাৰ-মোৰ স্মৃতি।

***



# মোৰ বেদনা ভৰা হৃদয়

✍ইচাকুল আজাদ
স্নাতক দ্বিতীয় বৰ্ষ

তোমাক পোৱাৰ কাৰণে আশাৰে
আছিলো বাট চাই
বুকু ভৰা আশা লৈ,
কল্পনাই ৰচনা কৰা সুমধুৰ সপোন
বাস্তৱত ৰূপ দিবলৈ।

মোৰ সেই মধুৰ সপোন
কৰিলা তুমি চুৰ-মাৰ,
ভালপোৱাৰ সলনি দিলা তুমি
হৃদয়ত বেদনাৰ উপহাৰ।

কেতিয়াও ভৱা নাছিলো
তুমি যে হ'বা নিষ্ঠুৰ,
ইয়াৰ কাৰণ মই বিচাৰি পোৱা নাই
কিয় হ'লা তুমি ইমান কঠোৰ?
কিয় হ'লা তুমি ইমান কঠোৰ?

***

## মহৎলোকৰ বাণীঃ

সংগ্ৰাহক ঃ ৰিপুমনি বৰা

* আমি এই ভাবি সান্ত্বনা লভিব পাৰো যে সংগ্ৰাম যিমানেই কঠিন হ'ব, জয়লাভো সিমানেই গৌৰৱময় হ'ব। — টমাচ পেইন
* ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়। কিন্তু চৰিত্ৰ হেৰালে সকলোখিনি হেৰায়। — চক্ৰেটিছ
* ধুনীয়া মহিলা হ'ল মূল্যবান অলংকাৰ। কিন্তু এগৰাকী মহান মহিলা হ'ল সম্পদ। — হাদি
* যি মানুহে নতুন নতুন দেশ আবিষ্কাৰ কৰিব খোজে তেওঁ বহুত দিনলৈকে সমুদ্ৰৰ উপকূল নেদেখাকৈ থাকিবলৈ সাজু হ'ব লাগিব। — আন্ত্ৰেদিজ
* পুৰুষতকৈ নাৰীসকল অধিক আবেগিক। যেতিয়াই এই আবেগিকতাৰ পাহাৰ ভাঙি নাৰীসমাজ ওলাই আহিব তেতিয়াই নাৰীয়ে পুৰুষৰ সমান স্থান পাব। তাৰ বাবে লাগিব অসীম সাহস আৰু অধ্যাবসায়। — টনি মৰিছন
* মহিলাসকল পুৰুষতকৈ জ্ঞানী, কিয়নো- তেওঁলোকে কমকৈ জানে, আৰু বেছিকৈ উপলব্ধি কৰে। — ষ্টিফেনচ্
* উদ্দেশ্য যদি মহৎ হয়, কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে। — ৰবীন্দ্ৰ নাথ ঠাকুৰ
* প্ৰেমলৈ ভয় কৰাৰ অৰ্থ হ'ল জীৱনলৈ ভয় কৰা। যিসকলে জীৱনলৈ ভয় কৰে তেওঁলোকক জীৱিত কালতে বহুলাংশে মৃত বুলি আখ্যা দিব পাৰি। — আন্দ্ৰে জিদ



************************************ — খাগৰিজান মহাবিদ্যালয়— ************************************

# ভালপোৱাটো কিয় নিঃসংগতা

✍মাধুৰ্য্য লস্কৰ
স্নাতক প্ৰথম বৰ্ষ

সপোনৰ দৰেই আহা তুমি সংগোপনে
সপোনৰ দৰেই গুচি যোৱা সেই এন্ধাৰ জোনাকৰ
ৰহস্যময় চিৰিয়েদি।
তোমাৰ আঙুলিৰ ঔলফুল স্পৰ্শ, সেয়া তেজৰ ভিতৰতে
আন্দোলিত জোনাকৰ মধুভৰা শিহৰণ।
তোমাৰ ওঁঠৰ তপত উশাহ সেয়া যেন অৰণ্যৰ
আদিম আবাহনী।
তুমি বাৰু হাঁহি হাঁহি বুকুত মেলি থৈ যোৱা নেকি
গোলাপৰ এডাল নীলা কাঁইট হৃদয়ৰ গভীৰত...
সাগৰতে চিনি নোপোৱা কুঁৱলীৰ অবুজ লহৰ
নজহা-নপমা সুৰৰ মহাকাব্যিক ছিম্ফনী।
এদিন চিএৰি চিএৰি কৈছিলোঁ...
মোৰো এখন হৃদয় আছে,
মোৰো বহুত আশা আছে,
অথচ আজিও ক'বলৈ মন গৈছে...
মোৰ হৃদয়খন মহাসমুদ্ৰত খহি পৰিছে বুলি।
মোৰ সেন্দুৰীয়া তেজৰ ৰঙা পৰীজনী
মই কোনো ৰাজকুমাৰ নহওঁ, অহংকাৰী সম্ৰাটো নহওঁ,
মাথো এখানি প্ৰেমৰ ভিখাৰীহে....
তোমাৰ কথা, তোমাৰ বিচিত্ৰা গাঁথা
তোমাৰ সঁচা প্ৰেম, তোমাৰ অন্তহীন প্ৰতাৰণা
সেয়াই হয়তো বাস্তৱ।
সপোন আৰু মৃত্যুৰ চিৰায়ত দ্বন্দ্ব,
জীৱনৰ চিমকিত সত্য মৃত্যুহীন অপাৰ ট্ৰেজেদী।
মই শিশুৰ দৰেই হাহোঁ।,
